# Assam Legislative Assembly Debates

## OFFICIAL REPORT

**THIRTEENTH SESSION OF THE ASSAM LEGISLATIVE ASSEMBLY ASSEMBLED AFTER THE TENTH GENERAL ELECTIONS UNDER SOVEREIGN DEMOCRATIC REPUBLICAN CONSTITUTION OF INDIA**

BUDGET SESSION
NO .2
9th February, 2001

Price Rs. 11.30

# DEBATES OF THE ASSAM LEGISLATIVE ASSEMBLY

## Friday, the 9th February 2001

The House met at 4 P.M.of the clock in the Assembly Chamber at Dispur with Sri Ganesh Kutum, Speaker in the Chair.

## Point of Order

* ডাঃ অৰ্ধেন্দু কুমাৰ দে ঃ অধ্যক্ষ মহোদয়, পইন্ট অৱ অৰ্ডাৰ, আজি 'দৈনিক প্ৰতিদিন' বাতৰি কাকতকে ধৰি অন্যান্য বাতৰি কাকতত এটা বাতৰি প্ৰকাশ পাইছে আৰু সেই বাতৰিটোৱে আমাৰ সদনৰ সকলোৰে মৰ্য্যদা হানি কৰিছে। বাতৰিটোৰ শিৰোনামাটো হ'ল ভাৰতৰ সংসদীয় ইতিহাসত নজীৰ বিহীন ঘটনা। অধ্যক্ষ কুটুমৰ দুৰ্নীতিৰ তদন্ত বিচাৰি আদালতত বিধায়ক। বাতৰিটো এনে ধৰণে প্ৰকাশ পাইছে যে অসম বিধান সভাৰ অধ্যক্ষ গণেশ কুটুমে বিশেষাধীকাৰৰ বলত সংঘটিত কৰি অহা সীমাহীন দুনীতিৰ তদন্ত অনুষ্ঠিত কৰিব লাগে বুলি বিধায়ক অতুল বৰাই দাখিল কৰা ৰাজহুৱা স্বাৰ্থজড়িত আবেদন এখন আজি গুৱাহাটী উচ্চ ন্যায়ালয়ে গ্ৰহণ কৰে। এইটো ভাৰতীয় সংসদীয় ইতিহাসত এক নজীৰ বিহীন ঘটনা হিচাবে পৰিগণিত হৈছে। গতিকে অধ্যক্ষ মহোদয়, এই ঘটনাটোত আমি এটা ৰুলিং বিচাৰিবলৈ বাধ্য হৈছো। এই কাৰণেই যে যদি ঘটনাবোৰ এনে ধৰণেই হৈ থাকে আৰু অনাৰেবল হাইকৰ্টে ৰুলিং ইচু কৰি থাকে তেনেহ'লে Definitely there is some prima facie against you. That is why we want to get clarification from you সেই কাৰণে এই

* Speech not corrected

ক্ষেত্ৰত আমি আপোনাৰ পৰা ক্লাৰিফিকেচন বিচাৰিছো। এই ক্ষেত্ৰত আপোনাৰ পৰা ক্লাৰিফাই হলে আমাৰ মনত যি এটা উদ্বেগৰ সৃষ্টি হৈছে সেইটো অৱসান হ'ব।

* **শ্ৰীদিলীপ কুমাৰ শইকীয়া :** মাননীয় অধ্যক্ষ মহোদয়, ইতিমধ্যে বিৰোধী দলৰ উপ দলপতিয়ে যিটো কথা উল্লেখ কৰিছে সেই বিষয়টো আমি আজি বাতৰি কাকতত প্ৰকাশ হোৱা দেখিবলৈ পাইছো আৰু এইখন এখন 'ৰিট্‌পিটিচন' বুলি প্ৰকাশ হোৱা দেখিছো। এতিয়া কথা হ'ল এই বিষয়ত এজন বিধায়কে ৰিট পিটিচন কৰিব পাৰে নে নোৱাৰে। আমি জনা মতে আমাৰ এখন সৰ্ব্বদলীয় সভাই এটা প্ৰস্তাৱ গ্ৰহণ কৰিছিল যে আমাৰ বৰ্ত্তমান গুদাম ঘৰৰ নিচিনা বিধান সভা সচিবালয়টো কিছু ৰিনভেচন কৰিব লাগে আৰু বিধায়ক আবাসৰো কিছুমান সা- সুবিধা দিয়াৰ কাৰণে আমি আলোচনা কৰিছিলো আৰু কেইটামান প্ৰস্তাৱ গ্ৰহণ কৰিছিলো। এই আলোচনাত বিৰোধী দলৰ দলপতিকে ধৰি আৰু বহুতো বিধায়ক উপস্থিত আছিল। তেনে ক্ষেত্ৰত এই বিষয়টো কি কাৰণত নজীৰবিহীন ঘটনা বুলি কৈছে আৰু এই ক্ষেত্ৰত কি ব্যৱস্থা ললে ভাল হয় সেইটো চাব লাগে।

* **শ্ৰীভৰত চন্দ্ৰ নৰহ :** অধ্যক্ষ মহোদয়, এই বিষয়টোত আপোনাৰ বিৰুদ্ধে যি ৰিট পিটিচন দাখিল কৰিছে সেইটো উচ্চ ন্যায়ালয়ে ডিচমিচ বা ৰিজেক্ট কৰিব পাৰিলে ভাল আছিল। কিন্তু তাকে নকৰি এই ক্ষেত্ৰত ৰুলিং ইছু কৰিছে। গতিকে যি হেতু হাইকৰ্টে এটা ৰুলিং ইছু কৰিছে সেই কাৰণে অধ্যক্ষই নিজৰ মৰ্য্যদা ৰক্ষা কৰি চলিত বিধান সভাৰ বাকী দিন কেইটাৰ কাৰণে ডেপুটি স্পীকাৰক দায়িত্ব দি তেখেত আতৰি থাকিলে ভাল হ'ব যেন পাওঁ।

**মাননীয় অধ্যক্ষ :** মাননীয় সদস্য গৰাকীয়ে যিটো বাতৰিৰ কথা সদনত উল্লেখ কৰিছে সেইটো মোৰ দৃষ্টি গোচৰ হৈছে আৰু এই ক্ষেত্ৰত On that New's Item I equally sharing anguish along with the fellow Hon'ble members of the House. It is equally concerned to all of us কোনো বিষয়ত বাতৰি কাকতৰ ওপৰত ভিত্তি কৰি অন্তত মোৰ আসনৰ পৰা মন্তব্য (Pendamonium)

* Speech not corrected

প্ৰদান কৰাটো উচিত বুলি মই নাভাবো আৰু As per practice of the Indian Parliament, and Parliamentary procedure I cannot allow to criticise the conduct of the Chair unless it is brought in proper way. . Since the matter is under subjudiced it cannot be discussed in the House as per rule. So, I cannot allow to discuss the matter. It is not the time. I will let the House know as soon as time comes. Now I cannot allow. Please do not try to insist. You are quite aware of the fact of the provision and the procedure. বাতৰি কাকতত যি খিনি কথা প্ৰকাশ পাইছে সেই বিষয়ে তথ্য পাতি আপোনালোকে কোনোবাই পাইছেনেকি কব নোৱাৰো কিন্তু আমাৰ হাতলৈ কোনো তথ্য পাতি অহা নাই। আনহাতে আপোনালোকে চাব জুডিচ' কেচ এটা ইয়াত আলোচনা কৰিব নোৱাৰে।

* **শ্ৰীভৰত চন্দ্ৰ নৰহ ঃ** এই ক্ষেত্ৰত এডভোকেট জেনেৰেলে হাই কৰ্টত ৰিপৰ্ট কৰিছে। মোৰ হাতত ইয়াৰ কপি আছে। আমি কৰ্টৰ পৰা ৰুলিং আনিছো। এনে অৱস্থাত আপুনি নাজানো বুলি কব নোৱাৰে।

**মাননীয় অধ্যক্ষ ঃ** মিঃ ভৰত নৰহ, আপুনি যদি এই সংক্ৰান্তত কিবা পাইছে তেনেহলে এই বিষয়টো চাব জুডিচ হৈছে আৰু সেই কাৰণে এইটো ইয়াত আলোচনা কৰিব নোৱাৰে।..... (সদনত গণ্ডগোল).........

**ডা ঃ অৰ্দ্ধেন্দু কুমাৰ দে ঃ** We can not go to merit of the case. It can be discussed.

* **Shri Bharat Chandra Narah :** Hon'ble High Court has given ruling on the merit of the case which involves Mr. Speaker in corruption. So, the prestige of the House has degraded.

* **Dr. Ardhendu Kumar Dey :** (সদনৰ অধ্যক্ষৰ অসনত যি জন বহি আছে) It is a House where we can not discuss any thing which you do not like.

মাননীয় অধ্যক্ষঃ মই মহামান্য আদালতৰ জাননী পোৱা নাই, জাননী পাব লাগিব।

**(—— সদনত পুনৰ গণ্ডোগোল)**

(Congress (I) Members went to the well of the House)

---

* Speech not corrected

**Mr. Speaker :** I am asking whether you are going back to your respective seat?

(Voice : No, No)

I suspend Shri Bharat Chandra Narah, Dr. Ardhendru Kumar Dey.

(Congress (I) Members were taken out of the House by the watch and ward staff)

It was an unfortunate incident. Legal papers from Hon'ble high Court are yet to be received. I shall let the House know after getting all the papers in a proper way.

## STARRED

# QUESTIONS AND ANSWERS

**(To which oral replies were given)**

**Mr. Speaker :** Now Starred Question No. - 1, Shri Bimolanghu Roy,

**Re : Construction of I.S.B.T.**

* 1. Will the Minister of Transport be pleased to state :

a) It is a fact that N.E.C. could not release fund of Rs. 50 Lacs for construction of I.S.B.T. at Silchar as the Government failed to provide requisite information to the N.E.C.?

b) If so, what steps Government has taken to get the fund from N.E.C. which has sanctioned 5 crores for the project?

**Shri Pradip Hazarika (Minister of Transport) replied :**

a) It is not a fact that government of Assam have failed to provide information to N.E.C. regarding construction of I.S.B.T. at Silchar.

b) (i) For construction of ISBT at Silchar possession of 50 bighas of land at Tarapur Part V & Part VIII (Sirubeel), Silchar has already been taken over on dated 23-6-2000 from D.C. Silchar. N.E.C. is also informed about the same and further persuation with N.E.C. is progress for release of fund.

(ii) ASTC has also engaged consultant to prepare a plan & estimate for the construction of I.S.B.T. Silchar and the process for preparation of contour map etc. already completed.

* **Shri Bimolangshu Roy :** Hon'ble speaker, Sir, will the Hon'ble Minister of state be pleased to state as to whether I.S.B.T. will be established at Silchar?

* **Shri Pradip Hazarika (Minister) :** The land has already been taken over from the D.C., Silchar. I have mentioned the land which have been taken over which is for construction, plan and estimates are all in process.

* **Shri Bimolangshu Roy :** Hon'ble Minister has replied my question that the scheme was approved by NEC. I want to

---

* Speech not corrected

know from the Hon'ble Minister from which date the scheme was sanctioned.

* **Shri Pradip Hazarika (Minister) :** Any way there were also some dispute regarding financial issue in the land.

* **Shri Bimolangshu Roy :** I want to know from the Hon'ble Minister whether the issue of selection of land has been financially settled or not?

* **Shri Pradip Hazarika (Minister):** There is no dispute regarding selection of land. This project was approved by the NEC quite long time back But the delay in this regard, was at the beginning and the land which has been shown to us was a marshy land and it is about 90 ft deep. Beel will have to be filled up and we have put in Engineers and technical people in it. So, I think there is no dispute at this moment and we will be able to complete this project very soon.

* **Shri Bimolangshu Roy :** Whether the Hon'ble Minister will assure the House that the said scheme can be completed by March, 2001?

* **Shri Pradip Hazarika (Minister):** As the Hon'ble MLA pointed out to complete the scheme on priority basis, I will stress that the foundation stone can be laid before March, this year.

**(Starred Question Nos. 2,3,4,5,6 could not be taken up for disposal as the questioners were not present in the House when called for. However, the said questions deemed to have been laid on the table of the House with replies thereto.)**

---

* Speech not corrected

## Re : Scheme for Black-topping.

**Shri Nazibul Umar asked ;**

*2. Will the Chief Minister be pleased state :

a) Whether P.W.D. (R) had taken any scheme for Black-topping the remaining stretch of Dhubri Gauripur Jahgrarpar Road? If so, when the work order was issued to the contractor?

b) Is it a fact that the concerning contractor failed to complete the work within the stipulated time?

c) If so, what action has been taken by the department against the contractor at fault?

**Srhi Prafulla Kr. Mahanta (Chief Minister) replied :**

a) Yes, on 19.5.99.

b) Yes, Deptt. has initiated process to get the work done soon and penal action will be taken against the contractor as per tender clause.

## Re : Thirty Bedded Hospital

**Shri Dileswar Tanti asked:**

* 3 . Will the Minister of Health & Family Welfare be pleased to state:

a) Whether the Government is aware that the construction of a thirty bedded hospital at Doomdooma and another at Phillobari in the Tinsukia District is lying half done for last so many years?

---

* Speech not corrected

b) Whether the Government has taken steps to complete the construction of these buildings in near future?

**Dr. Kamala Kalita (Minister of Health & F.W.) replied :**

a) Government is aware.

b) Government has already taken steps to complete the 30 Bedded Hospital at Doom Dooma. The Government is also proposing to complete half done building of the Phillobari PHC. in near future.

**বিষয় ঃ প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ স্থাপন।**

**শ্ৰীআবু বক্কৰ ছিদ্দিক জোতদাৰে সুধিছে ঃ**

* ৪। মাননীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

ক) গোৱালপাৰা পশ্চিম বিধান সভা সমষ্টিৰ অন্তৰ্গত ঘাৰকুলা বজাৰ প্ৰথমিক স্বাস্থ্য কেন্দ্ৰ স্থাপনৰ বাবে চৰকাৰে টকা মঞ্জুৰী দিয়াটো সঁচানে?

খ) যদি সঁচা তেন্তে কেতিয়া মঞ্জুৰীপ্ৰাপ্ত টকাখিনি স্বাস্থ্য কেন্দ্ৰটো স্থাপনৰ বাবে মোকলাই দিয়া হ'ব?

**ডাঃ কমলা কলিতা, (স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ**

ক) গোৱালপাৰা জিলাৰ মাৰকুলা বজাৰত এটি প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ স্থাপনৰ বাবে চৰকাৰে প্ৰশাসনক অনুমোদন জনাইছে।

খ) স্বাস্থ্য বিভাগৰ নিৰ্মাণ কাৰ্য্য গড়কাপ্তানী বিভাগে কৰে। পৰ্য্যাপ্ত পুঁজিৰ অভাৱত নিৰ্মাণ কাৰ্য্য আৰম্ভ কৰিব পৰা হোৱা নাই।

**Re : Construction of Civil Hospital**

**Shri Prithibi Majhi asked :**

* 5. Will the Minister of Health and Family Welfare be pleased to state :

a) Whether there was a proposal for construction of Civil Hospital at Dibrugarh?

b) If so, when it will be constructed and where?

c) Whether the required land has been acquired and if so, details thereof ?

**Dr. Kamala Kalita, (Minister of Health & F.W.) replied :**

a) In view of public demand, the setting up of a Civil Hospital is under active consideration of the state Government.

b) It is under security.

c) The land will not be a problem at Dibrugarh.

**Re : Length of P.W.D. Roads.**

**Dr. Ardhendu Kumar Dey asked :**

* 6. Will the Chief Minister be pleased to state :

a) What is the total length of P.W.D. Roads constructed from June, 1996 to up-to-date? (Both Black-topping and gravelling roads to be mentioned separately).

b) How many R.C.C. Bridges have been constructed during the period (mentioned at (a) above)?

c) What is the total amount of money expanded for construction of roads and Bridges for the period (mentioned above)?

d) What is the total money expanded up-to-date during the period (mentioned above) in different L.A.C. of Nagaon District? (Expenditure in L.A.C. wise to be mentioned and placed on the

table of the House).

e) What are the sources of funs for such construction during the period? (mentioned above).

**Shri Prafulla Kumar Mahanta (Chief Minister) replied :**

a) Total length of Roads constructed since June/96 upto date = 2695.54 km

(i) Blacktopped = 695.54 km

(ii) Gravelled = 2000.00 km

b) Total Nos. R.C.C. Bridges constructed.under construction = 430 Nos.

c) Rs. 410.24 Crores.

d) Total expenditure against different L.A.C. expended through different divisions of Nagaon district = 892.40 lakhs.

e) Sources of funds implementation of the project are FDR (CRF), O M N P NEC RIDF of NABARD, ARIASP, HUDCO, M.L.A. area Development fund, M.P. area Development programme and other state plan fund alloted from time to time.

**Mr. Speaker : Now starred question No. 7, Hon'ble Member, Shri Sambhu Sing Mallah.**

**Re : 30 Bedded Hospital at Ramkrishna Nagar.**

*** Shri Sambhu Sing Mallah asked :**

7. Will the Minister of Health be pleased to state :

a) Whether The Health & Family Welfare Secretariat has received the revised estimate submitted by the Chief Engineer, PWD (Bldg.) vide letter No. BPM. 102/88/73-A dt. 11-12-2000 and another letter of the Chief Engineer PWD (Bldg.) vide No.

BMP. 102/88/75 dt 21-12-2000?

b) Whether it is a fact Chief Engineer, PWD. (Bldg.) has already invited tender for construction of 30 bedded Hospital under S.C.C.P. at Ramkrishna Nagar in advance with an aim to commence the work just after receiving Administrative Approval to the Revised Estimate from the Health & Family Wefare Secretariat and in order to utilise the current working season? If yes, What action has been taken for conveying administrative Approval to the PWD (Bldg.)?

c) In case of non availibility of fund under S.C.C.P. will the Government submit a proposal to the Government of India, for sanctioning required fund from non-lapsable pool of fund like 30 bedded Hospital at Goroimari in Kamrup district against which an amount of Rs. 2,22,02,000/- has been sanctioned by the Health and Family Welfare Secretariat vide A.A. No. Hla. 617/99/37 dt. 10-12-2000 since proposal of 30 bedded Hospital at Ramakrishna Nagar has been delayed by more than 5 (Five) years since date of A.A. and to implement the direction of the hon'ble Guwahati High Court passed in connection with C.R. NO. 304 of 1995 dated 24-1-95?

**Dr. Kamala Kalita (Minister of Health & F.W.) replied :**

a) The Health Department has received both the letters mentioned in the question.

b) It is reported by the Chief Engineer (Building) that he has invited tenders as per revised estimate. The revised estimate has been received in the Department on January 10, 2001. It has already been processed and examined. The original administrative approval issued in the year 1994 has lapsed after the expiry of five years., For issue of fresh administrative approval, the proposal has to be sent to Planning & Development Department and Finance Department for

occurence. This is being done. It is not a fact that fund for construction of Goroimari CHC in Kamrup District has been obtained from Government of India from the special fund raised by Govt. of India for N.E. States and catagorised as Non-Lapsable Pool of Resources.

c). About the implementation of the others of the Hon'ble Court, in my reply to Starred Question No. 5 on the same subject on 29-10-99, I answer as follows:

"The Government is aware of the order of the Hon'ble High Court. It is not a fact that there has been any wilful disobidence to the orders of the Hon'ble High Court. The department invited tenders for the work but could not find a willing contractor. Ultimately the work was alloted to one Shri Nabendu Bikash Dey, a contractor who also ultimately abandoned the work on various pleas."

The State Government is eager to expedite the process.

* শ্ৰী শম্ভু সিং মাল্লা ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় স্বাস্থ্য ও পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী ডাঙৰীয়াই জনাবনেকি যে ৰামকৃষ্ণ নগৰৰ ৩০ খন বিচনাযুক্ত হস্পিতালৰ নিৰ্মাণৰ কামৰ কাৰণে এচ. চি চি পিৰ জৰিয়তে টেণ্ডাৰ আহ্বান কৰা হৈছিল নেকি, কিয়নো এই হস্পিতালৰ নিৰ্মাণৰ কাম ১৯৮৯ চনতে চেংশ্যন হৈছিল। মই প্ৰতিবাৰেই বিধান সভাত দাবী কৰি আহিছো যে এই নিৰ্মাণৰ কামৰ কাৰণে ফাণ্ড নোহোৱাৰ কাৰণে কোনো ঠিকাদাৰে কাম কৰিবলৈ আগবাঢ়ি নাহে। গতিকে মই মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছো যাতে এই ৰামকৃষ্ণ নগৰ হস্পিতালৰ কাৰণে কিছু ফাণ্ড চেংশ্যন দিয়াৰ বাৱস্থা কৰে। তেতিয়াহে ঠিকাদাৰ সকলে কাম কৰিবলৈ আগবাঢ়ি আহিব। আগন্তুক নিৰ্ব্বাচনৰ আগতে এই ৩০খন বিচনাযুক্ত হস্পিতালৰ কাম আৰম্ভ কৰিব পাৰিব নেকি?

* ডাঃ কমলা কলিতা (মন্ত্ৰী, স্বাস্থ্য ও পৰিয়াল কল্যাণ) ঃ মাননীয় অধ্যক্ষ

---

* Speech not corrected

মহোদয়, প্লেন এন্ড এষ্টিমেট ইত্যাদি প্ৰয়োজনীয় কাম কাজ বিলাক হৈ উঠাৰ পিচত স্বাস্থ্য বিভাগে প্ৰশাসনীয় অনুমোদন জনায়, ইয়াৰ নিৰ্মানৰ কাম গড়কাপ্তানী বিভাগে কৰে আৰু বাজেটো গড়কাপ্তানী বিভাগত পৰে। গতিকে মাননীয় অধ্যক্ষ মহোদয়, মাননীয় বিধায়ক প্ৰশ্নকৰ্ত্তাই যিটো প্ৰশ্নৰ উত্থাপন কৰিছে সেই প্ৰশ্নটোৰ উত্তৰ গড়কাপ্তানী বিভাগে ভালদৰে দিব পাৰিব।

**Mr. Speaker :** Now Starred Question No. 8, Hon'ble Member, Shri Dilip Kumar Saikia.

**বিষয় ঃ দুৰ্নীতিৰ প্ৰতিবেদন**

**শ্ৰীদিলীপ কুমাৰ শইকীয়াই সুধিছে ঃ**

* ৮। মাননীয় জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰীমহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) ধুবুৰী সংমণ্ডলৰ কাৰ্য্যবাহী অভিযন্তা আৰ, কে বৰুৱাৰ দুৰ্নীতিৰ বিৰুদ্ধে দুনীতি নিবাৰক তদাৰকী চেলে চৰকাৰৰ ওচৰত প্ৰতিবেদন দাখিল কৰাটো সত্য নে?

(খ) এই প্ৰতিবেদনত আৰ, কে বৰুৱাৰ বিৰুদ্ধে কি কি অভিযোগ সন্নিবিষ্ট কৰিছে জনাবনে? অভিযোগ অনুসৰি অভিযন্তা বি, এন বৰুৱাৰ বিৰুদ্ধে কি শাস্তিমূলক ব্যৱস্থা গ্ৰহণ কৰিলে জনাবনে?

**শ্ৰী উৎপল দত্ত (জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী) ঃ য়ে উত্তৰ দিছে ঃ**

(ক) সঁচা।

(খ) তদন্ত প্ৰতিবেদন ভিত্তিত শ্ৰী বি এন বৰুৱা, কাৰ্যবাহী অভিযন্তা, ধুবুৰী সংমণ্ডল চাকৰিৰ পৰা নিলম্বিত কৰা হৈছে। শ্ৰী বি. এন. বৰুৱাৰ বিৰুদ্ধে অনা অভিযোগ তলত সন্নিবিষ্ট কৰা হল।

(১) নুনমাটি পানী যোগান আঁচনিৰ কামৰ বাবে শ্ৰীবি. এন. বৰুৱাই ধুবুৰী

* Speech not corrected

সংমণ্ডলৰ কাৰ্যবাহী অভিযন্তা হৈ থাকোতে ১,২৩, ৭৯৯.০০ (একলাখ তেইশ হেজাৰ সাতশ একানব্বৈ টকা) আদায় নিদিবৰ বাবে সংমণ্ডলৰ কাৰিকৰী শাখাই আপত্তি দৰ্শাইছিল। এই আঁচনিখন এতিয়াও কাৰ্য্যকৰী হোৱা নাই, পানীৰ পৰিমান কম হোৱাৰ বাবে।

(২) হাটচিঙিমাৰী উপ সংমণ্ডলৰ অধীনত ফকিৰগঞ্জ শাখাত বানপানীৰ সময়ত ৩৯ টা Mark -II পাম্প বহুৱা হৈছিল। কিন্তু বানপানী শেষ হোৱাৰ পিছতো এই Mark -II পাম্প কেইটা নুঠোৱাৰ ফলত ই বালিৰ মাজত পোট গৈ আছে আৰু ইয়াৰ ফলত চৰকাৰৰ ৰাজহুৱা ধনৰ অপচয় হৈছে।

(৩) শ্ৰীবৰুৱা ধুবুৰী সংমণ্ডলৰ কাৰ্য্যবাহী অভিযন্তা হৈ থাকোতে Mark -II পাম্পৰ সৰু সুৰা মেৰামতিৰ বাবদ প্ৰতিটো ৩০০০.০০ ( তিনিহাজাৰ) টকাকৈ আৰু অলপ ভাঙৰ মেৰামতিৰ বাবাদ ৮০০০.০০ ( আঠহাজাৰ) টকাকৈ ঠিকাদাৰক বিল আদায় দিয়ে Spot Varificationৰ বাবে কোনো খচৰা প্ৰাক্কলন তৈয়াৰ নকৰাকৈয়ে এই কামটো কৰে ফলত চৰকাৰৰ ধন অপচয় হয়।

(৪) শ্ৰীবৰুৱা ধুবুৰী সংমণ্ডলৰ কাৰ্য্যবাহী অভিযন্তা হৈ থাকোতে বিলাসীপাৰা উপ সংমণ্ডলৰ অধীনত বগৰীবাৰী শাখা (B.A.C. area) কুৱাৰ মেৰামতিৰ বাবে ৯৫,২৯৫.০০ (পচানব্বৈ হেজাৰ দুশ পশানব্বৈ) টকা ঠিকাদাৰক আদায় দিয়ে। কিন্তু Physically ইয়াত কোনো কাম হোৱা নাই। ফলত চৰকাৰৰ ধন অপচয় হয়।

(৫) শ্ৰীবৰুৱা ধুবুৰী সংমণ্ডলৰ কাৰ্য্যবাহী অভিযন্তা হৈ থাকোতে Khlilpur পানী যোগান আঁচনিৰ Distribution ৰ কামত ১৭৬ RM পাইপ ব্যৱহাৰ কৰা দেখুৱা হৈছে । কিন্তু M.B.Record ত এইটো কম পোৱা গৈছে। ফলত ১৪,১২৪.০০ ( চৈধ্য হেজাৰ এশ চব্বিশ টকা) বেচিকৈ আদায় দিয়ে। চৰকাৰৰ ধন অপচয় হয়।

* শ্ৰীদিলীপ কুমাৰ শইকীয়া ঃ- মাননীয় অধ্যক্ষ মহোদয়, ইতিমধ্যে সেই

* Speech not corrected

বিষয়া জনৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণ কৰিছে। কিন্তু এই বিষয়া জনৰ বিৰুদ্ধে ইণ্ডিয়ান পেনেল কোডৰ প্ৰিভেনচন অৱ কৰাপচন এক্ট মতে কেচ ৰুজু কৰা হৈছে নেকি মাননীয় মন্ত্ৰী মহোদয়ে জনাব নেকি?

* শ্ৰীউৎপল দত্ত ঃ- (জনস্বাস্থ্য কাৰিকৰী মন্ত্ৰী) মাননীয় অধ্যক্ষ মহোদয়, ইতিমধ্যে বিষয়াজনক চাচপেণ্ড কৰা হৈছে আৰু প্ৰচিডিংচ ড্ৰ কৰা হৈছে। তেওঁৰ বিৰুদ্ধে ব্যৱস্থা লোৱা হৈছে।

* শ্ৰীদিলীপ কুমাৰ শইকীয়া ঃ- মাননীয় অধ্যক্ষ মহোদয়, এই ক্ষেত্ৰত লিগেল ৰিমেমব্ৰেঞ্চাৰেচন বিভাগৰ পৰা প্ৰতিবেদন দাখিল কৰিছে। গতিকে ইণ্ডিয়ান পেনেল কোড আণ্ডাৰ প্ৰিভেনচন অৱ কৰাপচন এক্ট মতে কিমান দিনৰ ভিতৰত কেচ ৰুজু কৰিব মাননীয় মন্ত্ৰী মহোদয়ে জনাব নেকি?

* শ্ৰীউৎপল দত্ত ঃ- (মন্ত্ৰী) মাননীয় অধ্যক্ষ মহোদয়, লিগেল ৰিমেমব্ৰেঞ্চাৰেচন বিভাগৰ পৰা আমি ৰিপোৰ্ট পোৱা নাই। পোৱাৰ পিচত ব্যৱস্থা ল'ম।

* শ্ৰীদিলীপ কুমাৰ শইকীয়া ঃ- মাননীয় অধ্যক্ষ মহোদয়, চাচপেণ্ড কৰাৰ পিচত কেইবাবাৰো হাইকোৰ্টলৈ গৈ তেওঁ লোকে ষ্টে কৰিলে। তেওঁলোকে কোনো মন্ত্ৰী, এম, এল. এৰ কথা নুশুনে। বুঢ়া আঙুলি দেখুৱাই বহি থাকে। এনেকুৱা হলে দেশ কেনেকৈ চলিব? ওৱাটাৰ চাপ্লাই পাইপ হৰোডেড হোৱা বুলি কৈছে আৰু বানপানীয়ে উটুৱাই নিয়া বুলি কৈছে। ইতিমধ্যে ভিজিলেঞ্চ চেলে ৰিপোৰ্ট দাখিল কৰিছে। সেই কাৰণে ইণ্ডিয়ান পেনেল কোড আণ্ডাৰ প্ৰিভেনচন অৱ কৰাপচন এক্ট মতে কেচ ৰুজু কৰাৰ কাৰণে আৰু বিষয়টো যাতে মন্ত্ৰী মহোদয়ৰ টেবুলত পৰি নাথাকে তাৰ কাৰণে মাননীয় মন্ত্ৰী মহোদয়ক দাবী জনোৱা নাই, টানি অনুৰোধ জনাইছো।

* শ্ৰীউৎপল দত্ত ঃ- (মন্ত্ৰী) মাননীয় অধ্যক্ষ মহোদয়, ইতিমধ্যে ভিজিলেঞ্চ চেলৰ ৰিপোৰ্ট আমি পাইছো আৰু বিষয়াজনক চাচপেণ্ড কৰা হৈছে। আমি নিয়মৰ মাজেদি যাব লাগিব আৰু এই নিয়ম খিনি ঠিকেই আছে। এই ক্ষেত্ৰত সোনকালে ব্যৱস্থা গ্ৰহণ কৰা হ'ব।

---

* Speech not corrected

**Mr. Speaker : Now Starred Question No. 9 Hon'ble Member Shri Ali Akbar Miah.**

বিষয় ঃ গড়কাপ্তানী বিভাগৰ বিৰুদ্ধে দুৰ্নীতি।

* **শ্ৰীআলি আকবৰ মিঞাই সুধিছে, ঃ**

৯। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ধুবুৰী গড়কাপ্তানী বিভাগত যোৱা বছৰ বিধায়ক সাংসদ এলেকা উন্নয়ণ পুঁজি ফাণ্ডৰ টকা অন্য খিতানলৈ কৰা হৈছে, সঁচানে?

(খ) যদি সঁচা, তেন্তে কোন কোন বিষয়াক কি কি দোষৰ বাবে নিলম্বিত কৰা হ'ল (তালিকা বনাই প্ৰতিবেদন আকাৰে তথ্য দাখিল কৰিব)?

* **শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত ঃ (মুখ্যমন্ত্ৰী, গড়কাপ্তানী বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছেঃ**

(ক) হয়, সঁচা।

(খ) বিত্তীয় খেলি মেলি আৰু অন্যান্য বিভাগীয় নিয়ম নীতি উলংঘা কৰাৰ সন্দৰ্ভত তলত উল্লেখ কৰা বিষয়া কৰ্মচাৰী সকলক (ধুবুৰী পথ সংমণ্ডল গড়কাপ্তানী বিভাগ) চাকৰিৰ পৰা নিলম্বিত কৰা হৈছে।

(১) শ্ৰী চৈয়দ মঃ আব্দুল, কাৰ্যবাহী অভিযন্তা।

(২) শ্ৰীঅপূৰ্ব কুমাৰ ডেকা, গাণনিক বিষয়া

(৩) শ্ৰীৰমজান আলী, সংমণ্ডল সহায়ক।

(৪) শ্ৰী সন্দীপ চক্ৰৱতী, নিম্ন বৰ্গ সহায়ক।

(Starred Question No 10,11,12, 13, 14 and 15 could not be taken up for disposal as the questioners were not present in the House when called for. However, the said questions deemed to have been laid on the table of the House with replies thereto.)

বিষয় ঃ- পকীকৰণ ব্যৱস্থা।

শ্ৰীমোস্তাফা শ্বহীদুল ইছলামে সুধিছে ঃ

* ১০। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) মৰিগাওঁ জিলাৰ মৈৰাবাৰীৰ পৰা বৰঙ্গাবাৰী গড়কাপ্তানী ৰাস্তাৰ ওপৰত পকীকৰণৰ বাবে ব্যৱস্থা চৰকাৰে লৈছেনে?

(খ) মৈৰাবাৰীৰ পৰা বৰঙ্গাবাৰী ৰাস্তা ভায়া গৰুখুটী কাহিবাৰী নগাবন্ধা ভূৰবন্ধা হৈ মৰিগাওঁলৈ যোৱা ৰাস্তাৰ বাকী থকা অংশত পকীকৰণত কিমান টকা খৰছ হব?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত ঃ (মুখ্যমন্ত্ৰী) য়ে, উত্তৰ দিছে ঃ-

(ক) মৈৰাবাৰী বৰঙ্গাবাৰী পথৰ পকীকৰণৰ কোনো আঁচনি বৰ্ত্তমান চৰকাৰৰ হাতত নাই।

(খ) মৈৰাবাৰীৰ পৰা বৰঙ্গাবাৰী পথৰ পকীকৰণ, মেৰামতিৰ বাবে Calamity Reserved Fund ত ৪০০০০০.০০ (চাৰিলাখ) টকা ধাৰ্য্য কৰা হৈছে আৰু কাম চলি আছে। বাকী শিলগুটি দিয়া অংশ পকীকৰণ কৰিবলৈ হলে ৭৬০.০০ লাখ টকাৰ দৰ্কাৰ হব।

**Re : N.H. Diverson Scheme**

**Shri Rameswar Dhanowar, asked :**

* 11. will the Minister of P. W.D. be pleased to state:

(a) What is the latest position of N. H. Diverson scheme at Tinsukia?

(i) Whether the survey works completed?

(ii) Total fund required for land acquisition

(iii) Whether the Government Of India surface Transport Ministry cleared the scheme?

**Shri Prafulla Kumar Mahanta (Minister P.W.D.) replied :**

(a) The fresh Land acquisition estimate on the basis of present Zirat valuation for construction of Tinsukia bye pass of NH -37 is in progress by the District Administrative, Revenue (L.A Branch) Tinsukia.

(i) Survey work of the alignment has already been completed and the alignment has got approved by the Ministry of Surface Transport New Delhi.

(ii) Not yet ascertained, as the fresh Land acquisition estimate on the basis of present zirat valuation is in process by the District Administration , Revenue L.A Branch Tinsukia.

(iii) The scheme has been approved by the Ministry of Surface Transport, New Delhi. An amount of Rs 3,50 crores has been earmarked for the Land acquisition in the Annual Plan 2000-2001

বিষয় ঃ বিকলাংগ যুৱক-যুৱতী ।

ডাঃ কল্যাণ কুমাৰ গগৈয়ে সুধিছে ঃ

* ১২। মাননীয় সমাজ কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) বৰ্ত্তমান ৰাজ্যত কিমান সংখ্যক বিকলাংগ যুৱক যুৱতী আছে?

(খ) তেওঁলোকৰ সংস্থাপনৰ বাবে চৰকাৰে কিবা আঁচনি গ্ৰহণ কৰিছে নেকি? যদি লৈছে কেনে ধৰণৰ আঁচনি হাতত লৈছে?

(গ) বিকলাংগ ল'ৰা-ছোৱালীৰ শিক্ষা ব্যৱস্থাৰ বাবে বিশেষ আঁচনি গ্ৰহণ কৰিছে নেকি?

(ঘ) কেন্দ্ৰৰ পৰা পোৱা বিশেষ আঁচনিৰ অনুদানৰ বিপৰীতে ৰাজ্য চৰকাৰে

তেওঁলোকৰ বাবে কেনেধৰণৰ সুবিধা দিয়াৰ ব্যৱস্থা কৰিছে?

শ্ৰীমতী ৰেখা ৰাণী দাস বড়ো (সমাজ কল্যাণ বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) বৰ্তমান ৰাজ্যত শেহতীয়া প্ৰতিবেদন অনুযায়ী ৩২,০০ জন বিকলাংগ যুৱক যুৱতী আছে।

(খ) হয়।

আঁচনি সমূহ এনে ধৰণৰ ঃ-

১। বিকলাংগ সকলৰ সংস্থাপনৰ বাবে সমাজ কল্যাণ বিভাগৰ পৰা আৰ্থিক অনুদান আগবঢ়োৱাৰ ব্যৱস্থা।

২। স্বাবলম্বী হোৱাৰ অৰ্থে বিভিন্ন দিশত প্ৰশিক্ষণ দিয়াৰ ব্যৱস্থা।

৩। স্ব নিয়োজনৰ বাবে ঋণৰ ব্যৱস্থা।

৪। অক্ষমতাগ্ৰস্থ ব্যক্তিৰ আইন, ১৯৯৫ অধীনত ৩ শতাংশ চৰকাৰী চাকৰি বিকলাংগ সকলৰ বাবে সংৰক্ষণ ব্যৱস্থা।

(গ) হয়।

(ঘ) অলপতে কেন্দ্ৰীয় চৰকাৰে প্ৰৱৰ্ত্তন কৰা ৰাষ্ট্ৰীয় অক্ষমতাগ্ৰস্থ ব্যক্তিক পুনৰ সংস্থাপনৰ আঁচনিৰ অন্তৰ্গত অসমত তিনিটা বিশেষ সংস্থাপন কেন্দ্ৰ খোলাৰ ব্যৱস্থা হাতত লোৱা হৈছে।

**বিষয় ঃ- জনস্বাস্থ্য কাৰিকৰী বিভাগৰ সমষ্টি কেন্দ্ৰ।**

**শ্ৰীবৰ্ণবাস তাঁতীয়ে সুধিছে ঃ**

* ১৩। মাননীয় জন স্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) জনস্বাস্থ্য কাৰিকৰী বিভাগৰ কিমানটা কেন্দ্ৰ বিহালী সমষ্টিত আছে আৰু তাৰে কিমানটা কেন্দ্ৰ কাম কৰি আছে কিমানটা অকামিলা হৈ

আছে।

(খ) অকামিলা হোৱাৰ কাৰণ সমূহ কি আৰু তাৰ কাৰ্য্যক্ষম কৰাৰ বিহিত ব্যৱস্থা লোৱা হৈছে নে?

**শ্ৰীউৎপল দত্ত (জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছেঃ**

(ক) বিহালী সমষ্টিত এই বিভাগৰ মুঠ ৩২ ( বাত্ৰিশ) টা পাইপ পানী যোগান আঁচনি আছে ইয়াৰে ২৬ ( ছাবিবশ) টা আঁচনি কাৰ্য্যক্ষম আৰু ৪(চাৰি) টা অকামিলা হৈ আছে।

বাকী ২(দুই)টা আঁচনিৰ নিৰ্মাণ কাৰ্য্য চলি আছে।

(খ) অকামিলা হৈ থকা ৪ (চাৰি) টা পাইপ পানী যোগান আঁচনি আৰু এই আঁচনি সমূহ কাৰ্য্যক্ষম কৰাৰ বিহিত ব্যৱস্থা Annexure -A যোগে সংলগ্ন কৰা হল। (See the Annexure -I)

**বিষয় ঃ বিকলাংগৰ পদ পূৰণ।**

**শ্ৰীআবু বক্কৰ চিদ্দিক** জোতদাৰে সুধিছে ঃ

* ১৪। মাননীয় সমাজ কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জানবনেঃ

(ক) নিয়োগৰ ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰে ঘোষণা কৰা ৩ (তিনি) শতাংশ চাকৰি ৰাজ্যিক পৰ্য্যায়ত বিকলাংগ সকলোৰে বাবে সংৰক্ষণ ব্যৱস্থা কৰা হৈছেনে?

(খ) যদি হোৱা নাই তেন্তে বৰ্ত্তমানে কিমান পদ তেওঁলোকৰ বাবে Back log হৈ আছে জনাবনে?

(গ) নতুনকৈ নিযুক্তি দিয়াৰ সময়ত উক্ত Back log ত থকা পদত বিকালংগ সকলৰ দ্বাৰা পূৰণ কৰা হবনে?

**শ্ৰীমতী ৰেখা ৰাণী দাস বড়ো (সমাজ কল্যাণ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) হয় হৈছে। অসম চৰকাৰৰ পাৰ্চনেল বিভাগ পত্ৰ নং এ এবং পি ৩৩০/ ৭৯/৪৯ তাৰিখ ৬/৮/৮৯ মৰ্মে নিয়োগৰ ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰে ঘোষণা কৰা ৩ (তিনি) শতাংশ চাকৰি ৰাজ্যিক পৰ্য্যায়ত অসমতো বিকালংগ সকলৰ বাবে সংৰক্ষণৰ ব্যৱস্থা কৰা হৈছে।

(খ) বৰ্তমানে বিকলাংগ সকলৰ বাবে সংৰক্ষিত পদৰ ৩৯৭ টা পদ Back log হৈ আছে।

(গ) হব।

**Mr. Speaker : Now, Starred Question No 15, Hon'ble Member, Shri Prithibi-Majhi**

**Re : 30 bedded / PHC at Jokai**

**Shri Prithibi Majhi asked :**

* 15. will the Minister of Health & family welfare be pleased to state:

(a) Whether there was a proposal to construct a 30 beded PHC at Jokai under Dibrugarh District?

(b) If so, what is the present position of the proposed PHC.

(c) Whether Government will take initiative for the construction of the PHC and if so when?

**Dr. Kamala Kalita (Minister of Health & F.W) Repleid :**

(a) Yes, there was a proposal to construct a 30 bedded CHC under TSP during 1995 -96 and not PHC as stated in the question.

(b) Administrative approval has not been issued for lack of adequate fund under state plan.

(c) It will depend upon availability of fund.

**Mr Speaker :** Now starred Question No. 16, Hon'ble Member Shri Sambhu sing Mallah.

**Re : Implementation of P. W. D Roads**

**Shri Sambhu Sing Mallah asked :**

* 16 . Willl the Chief Minister be pleased to state:

(a) Is it a fact that Government has sanctioned Rs. 17.00 Lakhs from C.R.F. for improvement of kali Nagar- Kalibari Bazar Road under KarimganJ P.W.D Road Division?

If Yes, whether working estimate has been submitted by the Executive Engineer, P.W. D Road Division to the Superintendent Engineer, Cachar Road Circle?

(b) Whether tender for the work (k.k Road) has already been invited by the Superintendent Engineer Cachar Road Circle Silchar? When the work will be started?

(C) Whether Government is aware of the fact that condition of Anipur Monacherra Road under Karimganj and Hailakandi Roads Divisions is very much deplorable with big pothales and becomes unserviceable for safe movement of vehicular Traffic?

If Ys, What action has been taken by the Government?

(d) Has, the P.W.D arranged to allocate fund from C.R.F/ Non lapsable Pool RID for renovation of Anipur Monacherra Road?

**Shri Prafulla Kumar Mahanta (Chief Minister) replied :**

(a) Yes,

(b) Yes, the work is likely to be started immediately.

(c) Yes, A Scheme for carrying out repairs of the Road with funds from C.R.F. programme is under active consideration of the Government.

(d) Allocation of fund will be made subject to availability of fund under any of the programmes referred to.

* শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্যমন্ত্ৰী) ঃ- মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীয়ে সোধা প্ৰশ্নৰ উত্তৰ সদনত দাখিল কৰা হৈছে।

* শ্ৰীশম্ভুসিং মাল্লা ঃ- মাননীয় অধ্যক্ষ মহোদয়, কৰিমগঞ্জৰ কালিনগৰ কালিবাৰী ৰাষ্টা আৰু কাচাৰৰ কে কে ৰোড এই দুটা ৰাস্তা ৪/৫ বছৰৰ পৰা খুব নষ্ট হৈছে। কৰিমগঞ্জ আৰু হাইলাকাণ্ডি ৰোড ডিভিজনৰ অন্তৰ্গত আনিপুৰ মোনাচেৰা ৰাস্তাটোও খুবেই বেয়া। ৰেইনী চিজনৰ আগতে যদি এই ৰাস্তা কেইটা ইমপ্ৰোভমেন্ট কৰা নহয়, তেতিয়াহলে ৰাস্তা বন্ধ হৈ যাব। সেই কাৰণে মই মাননীয় মুখ্য মন্ত্ৰী মহোদয়ক অনুৰোধ জনাব বিচাৰিছো যে সেই ৰাস্তা কেইটা ৰেইনী চিজনৰ আগতে ইমপ্ৰোভমেন্ট কৰাৰ ব্যৱস্থা কৰিব নেকি?

* শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত ( মুখ্যমন্ত্ৰী) ঃ- মাননীয় অধ্যক্ষ ডাঙৰীয়া, মাননীয় সদস্য গৰাকীয়ে সোধা প্ৰশ্নৰ উত্তৰত মই কব বিচাৰিছো যে বিভাগৰ তৰফৰ পৰা কে কে ৰোডৰ ৰিপেয়াৰিংৰ কাম আৰম্ভ কৰিব বিচৰা হৈছে। কালিনগৰ কালিবাৰী ৰাস্তাৰ কাৰণে ১৭ লাখ টকা চেংচন কৰা হৈছে আৰু ব্লকিং এষ্টিমেট চাবমিট কৰা হৈছে। ইয়াত আৰু টকাৰ প্ৰয়োজন হৈছে। টকা যাতে দিয়ে তাৰ কাৰণে ডিপাৰ্টমেন্টৰ ফালৰ পৰা অনুৰোধ কৰা হৈছে। আলিপুৰ মোনাচেৰা ৰাস্তা চি. আৰ. এফ. প্ৰগ্ৰেম ফাণ্ডৰ পৰা ৰিপেয়াৰ কৰাৰ কাৰণে চৰকাৰৰ বিবেচনাধীন হৈ আছে। সেইটো ফাণ্ডৰ এভেইলেবিলিটিৰ ওপৰত নিৰ্ভৰ কৰিব।

* **Sri Sukhendu Shekhar Dutta :-** I would like to add one point which will be very much essential during election and the election is comming. I Would also request the Hon'ble Chief Minister for this that this road has to be reconstructed for the coming election . Thank you, sir.

---

* Speech not corrected

* শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত ( মুখ্যমন্ত্ৰী ) ঃ- মাননীয় অধ্যক্ষ মহোদয় দৃষ্টিগোচৰ হৈছে, ফাগুৰ অভাবৰ কাৰণে কৰিব পৰা নাই। অধিক ফাগু দিবৰ কাৰণে অনুৰোধ কৰা হৈছে।

(Starred Question Nos. 17,18, 19 and 20 could not be taken up for disposal as the questioners were not present in the House when called for. However, the said questions deemed to have been laid on the table of the House with replies thereto.)

Re. National Highway of Tinsukia District.

**Shri Remeswar Dhanowar asked;**

* 17 Will the Minister of P. W. D be pleased to state:

Total fund spent by National Highway, Dibrugarh Division for the National Highway Roads of Tinsukia District during 1999/2000 and proposals for 2000-2001.

**Shri Prafulla Kumar Mahanta (Minister P.W.D.) repleid :**

The total fund spent on National Highway Roads Nh -37, NH-38 and Nh- 52 under Tinsukia District during 1999-2000

Rs. 213.50 Lakhs. Out of this, an amount of Rs 112.25 Lakhs paid against the Original nature of works and the rest Rs. 101.25 (L) paid against various nature of Repair works.

Proposed expenditure expected for the year 2000-2001 in Tinsukia Dist is as follows:-

(a) In original nature of works .......... Rs 150.00 (L)

(b) In Repair works.................................. Rs. 135.00 (L)

---

* Speech not corrected

Total Rs. 285.00 (L)

বিষয়ঃ- এইড্‌ছ ৰোগত মৃত্যুৰ সংখ্যা

ডাঃ কল্যাণ কুমাৰ গগৈয়ে সুধিছে ;

* ১৮। মাননীয় স্বাস্থ্য বিভাগৰ মন্ত্ৰী মহদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) অসমত বৰ্ত্তমানলৈকে এইড্‌ছত মৃত্যু হোৱা আৰু আক্ৰান্ত হোৱা লোকৰ সংখ্যা কিমান?

(খ) এইড্‌ছ নিয়ন্ত্ৰণ তথা প্ৰতিৰোধৰ বাবে অসম চৰকাৰে নিজা ববীয়াকৈ কিবা নতুন আঁচনি গ্ৰহণ কৰিছে নেকি?

(গ) কেন্দ্ৰীয় চৰকাৰৰ স্বাস্থ্য মন্ত্ৰালয় বা অন্য শিতানৰ পৰা এই ক্ষেত্ৰত বিশেষ অনুদান পাইছে নেকি? যদি পাইছে জিলা সমূহত ইয়াক কেনে ধৰণৰ বিতৰণ তথা আঁচনি কাৰ্য্যকৰী ৰূপ দিব বিচাৰিছে জনাবনে?

ডাঃ কমলা কলিতা (স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছেঃ

(ক) অসমত বৰ্ত্তমানলৈ ৯৯ জন ব্যক্তি এইড্‌ছ ৰোগত আক্ৰান্ত হৈছে আৰু ১৯ জন ব্যক্তি এই ৰোগত মৃত্যু হৈছে।

(খ) এইড্‌ছ ৰোগ নিয়ন্ত্ৰণ তথা প্ৰতিৰোধৰ বাবে অসম চৰকাৰে নিজাববীয়াকৈ কোনো নতুন আঁচনি গ্ৰহণ কৰা নাই। কেন্দ্ৰীয় চৰকাৰৰ অধীনস্থ ৰাষ্ট্ৰীয় এইডছ নিয়ন্ত্ৰণ সংস্থা (NOCO) ৰ এইড্‌ছ নিয়ন্ত্ৰণ আৰু প্ৰতিৰোধৰ বিভিন্ন কাৰ্য্যৱলী ৰূপায়ণ কৰি থকা হৈছে।

(গ) এই আঁচনি ৰূপায়নৰ বাবে সমুদায় ধন কেন্দ্ৰীয় চৰকাৰে বহন কৰে। অসমে এই ক্ষেত্ৰত অন্যৰাজ্যৰ তুলনাত বিশেষ কোনো অনুদান লাভ কৰা নাই। অসমৰ সকলো জিলাতে এই আঁচনি কাৰ্য্যকৰী কৰি থকা হৈছে যদিও এইড্‌ছ বিয়পোৱাৰ সম্ভাৱনা থকা জিলা সমূহত অগ্ৰাধিকাৰ ভিত্তিত আঁচনি ৰূপায়ণ কৰি থকা হৈছে।

**Sub :- Khanikor Dairy Farm of Dibrugarh**

**Shri Prithibi Majhi asked :**

* 19 Will the Minister of Veterinary be pleased to state:

(a) Whether Government has taken any schemes for improvement of Khanikor Dairy farm of Dibrugarh District?

(b) If so, What are the schemes?

(c) If not, why?

**Shri Hiranya Kumar Konwar (Minister of State, Veterinary and Animal Husbandry) replied :**

(a) There is no Dairy Farm at Khanikor in Dibrugarh District under Animal Husbandry and Veterinary Department, Assam.

(b) Does not arise.

(c) Does not arise.

**বিষয় ঃ- Matron আৰু ধাত্ৰীৰ সংখ্যা।**

**ডাঃ কল্যাণ কুমাৰ গগৈয়ে সুধিছে ঃ**

* ২০। মাননীয় স্বাস্থ্য বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসম চিকিৎসা মহাবিদ্যালয় চিকিৎসালয়ৰ Matron আৰু ধাত্ৰীৰ সংখ্যা কিমান?

(খ) IMC ধাৰামতে এই চিকিৎসালয়ত Matronআৰু ধাত্ৰীৰ সংখ্যা উপযুক্ত হিচাবে আছেনে?

(গ) Matron ৰ সংখ্যা কম হোৱাৰ বাবে ধাত্ৰী সকলে কাম কাজ সুচাৰু ৰূপে পৰিচালনা কৰাত অসুবিধাৰ সৃষ্টি হোৱাৰ বিষয়ে চৰকাৰ অৱগত নে?

(ঘ) নতুনকৈ Matron আৰু ধাত্ৰী লোৱা বিষয়ে চৰকাৰে বিবেচনা কৰিছে নেকি?

**ডাঃ কমলা কলিতা (স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছেঃ**

(ক) অসম চিকিৎসা মহাবিদ্যালয় ডিব্ৰুগড় Matron ৰ সংখ্যা -২ ধাত্ৰীৰ, সংখ্যা - ১৯৯।

(খ) নাই।

(গ) হয়, অৱগত।

(ঘ) হয়, বিবেচনা কৰি থকা হৈছে।

## UNSTARRED

## QUESTIONS AND ANSWERS

**বিষয় ঃ বানপানীত উটি যোৱা দলং।**

**শ্ৰীজ্যোতিষ দাসে সুধিছে ঃ**

২। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) গোৱালপাৰা গড়কাপ্তানী (পথ সংমণ্ডলৰ অন্তৰ্গত বহতী সিধাবাৰী পথৰ শালমাৰা কাঠৰ দলংখন বানপানীত উটি যোৱাটো মন্ত্ৰী মহোদয়ে জানেনে?

(খ) প্ৰায় ৪ বছৰ ধৰি বিছিন্ন হৈ থকা বহতী শালমাৰাৰ কাঠৰ দলংখন মেৰামতিৰ কিবা ব্যৱস্থা লবনে?

(গ) CRF scheme ৰ অধিনত উক্ত দলংখন ধৰা হৈছিল ৰাহজ মন্ত্ৰী মহোদয়ে অনুমোদনো দিছিল, তৎস্বত্বেও উক্ত দলংখনৰ টকা আৱন্টন নোহোৱাৰ কাৰণ কি জনাবনে?

**শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্যমন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) হয় জানো।

(খ) প্ৰয়োজনীয় প্ৰাক্কলন প্ৰস্তুত কৰা হৈছে প্ৰাক্কলন অনুসৰি ধনৰ আৱন্টন পালে মেৰামতি ব্যৱস্থা অচিৰেই গ্ৰহণ কৰা হ'ব।

(গ) পুজিৰ নাটনিৰ বাবে প্ৰয়োজনীয় ধনৰ আৱন্টন কৰিব পৰা হোৱা নাই।

**ডাঃ কল্যাণ কুমাৰ গগৈয়ে সুধিছে ঃ**

**বিষয়ঃ- পৰিবহন নিগম।**

৩। মাননীয় পৰিবহণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) পৰিবহন নিগমৰ কৰ্মচাৰী সকলৰ ভৱিষ্যনিধিৰ কিমান টকা চৰকাৰৰ হাতত জমা আছে। ইয়াৰে কিমান টকা নিগমৰ কামত খৰচ কৰা হ'ল?

(খ) অৱসৰ পোৱা কৰ্মচাৰীয়ে ভৱিষ্যনিধিৰ ধন পোৱাৰ পৰা বঞ্চিত হৈছে নেকি?

**শ্ৰীপ্ৰদীপ হাজৰিকা (পৰিবহণ বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ**

(ক) পৰিবহণ নিগমৰ কৰ্মচাৰীৰ ভৱিষ্যনিধিৰ টকা চৰকাৰী পুঁজিত জমা ৰাখিব নালাগে। এই টকা আইনমতে নিৰ্দ্ধাৰিত বিভিন্ন পুঁজিত পৰিবহণ নিগমে বিনিয়োগ কৰিব লাগে, কিন্তু ১৯৯৫-৯৬ চনৰ পৰা পৰিবহণ নিগমৰ শোচনীয় অৱস্থাৰ বাবে জমা থোৱা হোৱা নাই।

(খ) ভৱিষ্যনিধিৰ ধন বৰ্ত্তমানে কৰ্মচাৰী সকলক সময়মতে আৰু সম্পূৰ্ণকৈ দিব নোৱাৰাটো সঁচা। পৰ্য্যায়ক্ৰমে শোচনীয় আৰ্থিক অৱস্থা স্বত্বেও নিগমৰ অৱসৰ প্ৰাপ্ত কৰ্মচাৰী সকলক ভৱিষ্যনিধিৰ ধন মোকলাই থকা হৈছে।

**বিষয়ঃ- পথ বন্ধ।**

**শ্ৰীজ্যোতিষ দাসে সুধিছে ঃ**

৩। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ-

(ক) নিম্ন লিখিত পথ সমূহ গোৱালপাৰা গড়কাপ্তানী (পথ) সংমণ্ডলৰ কিমান দিন ধৰি বন্ধ হৈ আছে। মন্ত্ৰী মহোদয়ে জনাবনে?

i) মাটিয়া শিমলীতোলা গড়কাপ্তানী পথ।

ii) মৰণৈ কৃষ্ণাই গড়কাপ্তানী পথ।

iii) বলবলা হাতীগাও পথ।

iv) বহতী শালমৰা পথ।

(খ) উক্ত পথ কেইটা কেতিয়াকৈ বাছ চলাচলৰ বাবে উপযোগী কৰিব জনাবনে?

**শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (গড়কাপ্তানী বিভাগৰ দায়িত্বত থকা মুখ্যমন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) (১) মাটিয়া শিমলীতোলা গড়কাপ্তানী পথটো ১৯৯৯ চনৰ জুনমাহৰ পৰা বন্ধ হৈ আছে।

(২) মৰণৈ কৃষ্ণাই গড়কাপ্তানী পথটো যোৱা ৪ বছৰ ধৰি বন্ধ হৈ আছে।

(৩) বলবলা হাতীগাওঁ পথটো যোৱা ৪ বছৰ ধৰি বন্ধ হৈ আছে।

(৪) বহতী শালমৰা পথটো ইং ১৯৯৯ চনৰ জুন মাহৰ পৰা বন্ধ হৈ আছে।

(খ) প্ৰয়োজনীয় ধন যোগান ধৰিব পাৰিলে অনতি পলমে পথ কেইটা বাচ চলাচলৰ বাবে উপযোগী কৰা হ'ব।

**বিষয় ঃ- খোৱাপানীৰ যোগান আঁচনি**

**শ্ৰীজ্যোতিষ দাসে সুধিছে ঃ**

৪। মাননীয় জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) গোৱালপাৰা PHE Divn. ৰ অন্তৰ্গত মৰনৈ গাওঁৰ বৃহৎ খোৱা পানী যোগান আঁচনি খনৰ ওপৰত পানীৰ Tank টো ভাগি যোৱা মন্ত্ৰী মহোদয়ে জানেনে?

(খ) পানীৰTank টো মেৰামতি কৰি ৰাইজক খোৱা পানীৰ যোগানৰ ব্যৱস্থা কৰিবনে?

**শ্ৰীউৎপল দত্ত, (মন্ত্ৰী, জনস্বাস্থ্য কাৰিকৰী বিভাগ) য়ে উত্তৰ দিছে ঃ**

(ক) মৰনৈ গাওঁৰ পানী যোগান আঁচনিটোৰ উচ্চতাত স্থাপন কৰা জলাধাৰ ( P. S Tank) ছিদ্ৰবহুল হোৱাত পানী ধৰি ৰাখিব নোৱাৰা বাবে বৰ্ত্তমানে ব্যৱস্থা কৰিব পৰা নাই।

(খ) মেৰামতি কৰাৰ বাবে আঁচনি প্ৰস্তুত কৰা হৈছে। যাৱতীয় অনুমোদন আৰু পূঁজি সাপেক্ষে সম্পূৰ্ণ কৰাৰ ব্যৱস্থা হাতত লোৱা হ'ব।

**বিষয় ঃ- PHE Divn ৰ Scheme.**

**শ্ৰী জ্যোতিষ দাসে সুধিছে ঃ**

৫। মাননীয় জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) গোৱালপাৰা PHE Divn. ৰ অন্তৰ্গত নিম্ন লিখিত Scheme কেইটা চলি আছেনে?

(i) শিমলীতোলা ভাটিপাৰা PHE Scheme .

(ii) দাবাইদল PHE Scheme.

(iii) ভূৰাপাৰা ভাটিপাৰা PHE Scheme.

(iv) দশভূজা PHE Scheme.

(খ) যদি আছে প্ৰত্যেকটো আঁচনিত কেইটা টেপেৰে পানী যোগান ধৰিছে জনাবনে?

**শ্ৰী উৎপল দত্ত (মন্ত্ৰী, জনস্বাস্থ্য কাৰিকৰী বিভাগ)য়ে উত্তৰ দিছে ঃ**

(ক) শিমলীতোলা, ডুবাপাৰা, ভাটিপাৰা আৰু দশভূজা পাইপ পানী যোগান আঁচনি চাৰিটা বৰ্ত্তমানে চলি আছে।

ডিজেল পাম্প বিকল হোৱাৰ বাবে দকাইদল পাইপ পানী যোগান আঁচনিটো বৰ্ত্তমানে অচল অৱস্থাত আছে।

(খ) উল্লেখিত আঁচনিৰ পানী যোগান ধৰা টেপৰ সংখ্যা সমূহ তলত উল্লেখ

কৰা হল।

| আঁচনিৰ নাম | বৰ্ত্তমানে পানী যোগান ধৰি থকা টেপৰ সংখ্যা |
|---|---|
| ১। শিমলীতোলা | ১৫ |
| ২। ডুবাপাৰা | ২৫ |
| ৩। ভাটিপাৰা | ২৩ |
| ৪। দশভূজা | ১৫ |

## Discussion on Zero Hour Matter

**Mr Speakar :** Question No. 17 to 20. Questioners are absent. Now it is zero Hour Matter. I have received as many as 4 Notices of zero Hour Motion in the name of the following Hon'ble Mambers--

1. Shri Bharat Chandra Narah
2. Shri Mustafa Shahidul Islam
3. Shri Dilip Kumar Saikia
4. Shri Girindra kumar Baruah

As per rules, I have selected 3 zero Hour notices for raising before the house today. Since the first mover is absent, I now call upon the Hon'ble Member Shri Dilip Kumar Saikia to raise the Zero Hour Motion which was published in Amar Asom" Dated 7.2 2001 under the caption--

"নিৰ্মাতা সন্থাৰ দাবী গুৱাহাটী অট্টালিকা কম বিপজ্জনক"।

* **শ্ৰীদিলীপ কুমাৰ শইকীয়া ঃ-** মাননীয় অধ্যক্ষ মহোদয়, আজি কিছুদিন আগতে গুজৰাট ৰাজ্যত ৬.৯ ৰিখ্‌টাৰ স্কেলত হোৱা ভূমিকম্পই অকল ভাৰতবৰ্ষতে নহয় সমগ্ৰ বিশ্বকে চমক খুৱাইছে। সেই ভূমিকম্পত বহুটো মানুহ মৰিছে। চৰকাৰী তথ্য মতেই ৫০ হাজাৰ। ১ লাখতকৈও অধিক হব। প্ৰকাণ্ড প্ৰকাণ্ড আট্ৰালিকা ভূমিকম্পৰ ফলত খহি পৰিছে। আমাৰ অসমতো ১৯৫০ চনত এটা ভূমিকম্প হৈছিল ৮.৭ ৰিক্টাৰ স্কেলত। তেতিয়া অসমত বেচি মানুহ মৰা নাছিল। ১৫২৩ জন মানুহৰ মৃত্যু হৈছিল। এই বিষয়ে আগতেও আলোচনা কৰা হৈছিল। সেই সময়ত সুৱণশিৰি নৈ পাহাৰ খহি বন্ধ হৈ গৈছিল। আৰু সেই সময়ত মানুহে নৈত মাছ ধৰি আছিল। এজন বৃটিছ চাহ[illegible] ওৱাৰ্ণিং দিয়াৰ পিচতো মানুহবিলাক উঠি অহা নাছিল। পাহাৰখন বোমাৰে উৰাই দিছিল। তাৰ ফলত বহুতো মানুহ মৰিছিল। বিভিন্ন সময়ত বিজ্ঞানী সকলে ভৱিষ্যতবাণী কৰিছে, ডাঃ অৰুণ পাপাটেও ১৯৯৭ চনত ভূমিকম্প হব বুলি ভৱিষ্যত বাণী কৰিছিল। মই এই বিধান সভাৰ আগতে বিধায়ক হৈ থাকোতেও এই সম্পৰ্কত আলোচনা কৰি পৰামৰ্শ আগবঢ়াইছিলো। চৰকাৰেও বিভিন্ন সময়ত উপাযুক্ত সকলক পৰামৰ্শ আগবঢ়াইছে। আজি কিছুদিন আগতে আগজাননী দিছে যে অসম তথা উত্তৰ-পূৰ্বাঞ্চলত ডাঙৰ ভূমিকম্প হোৱাৰ সম্ভাৱনা আছে। এই ভূমিকম্পত আমাৰ যিমান হাই ৰেঞ্জ বিল্ডিং আছে সেইবিলাক ভাগি পৰাৰ সম্ভাৱনা নাইকীয়া কৰা নাই। ইতিমধ্যে গুৱাহাটীত বহুটো বিপদজনক ঘৰ আছে বুলি বাতৰি পৰিৱেশন কৰা নাই। ইতিমধ্যে গুৱাহাটীত ৫১ টা বিপদজনক ঘৰ আছে বুলি উপাযুক্তই উল্লেখ কৰিছে। তাৰ লগে লগে এটা নিৰ্মাণ সংস্থাই কম বিপদজনক বুলি দাবী কৰিছে। কোনবিলাক গৃহ বিপদজনক আলোচনা কৰি পৰীক্ষা কৰা হব বুলি আয়ুক্তই বাতৰি কাকতত প্ৰকাশ কৰিছে। ইয়াৰ কাৰণ বহুটো আছে। আইন সন্মতভাৱে ঘৰবোৰ বনোৱা হোৱা নাই আৰু বিভিন্ন কাৰণ আছে। হাইৰেঞ্জ বিল্ডিং বিলাকৰ মাজত পথটো অতি সৰু। ক'ৰবাত ১০-১১ ফুটমানহে। তাৰ মাজেৰে জুই নুমোৱা গাড়ী যাব নোৱাৰে। তাৰোপৰি গুৱাহাটীৰ মুকলি পথাৰ বুলিবলৈ দিশপুৰৰ পেৰেড গ্ৰাউণ্ড, জৰ্জ ফিল্ড, নিউ ফিল্ড, নেহেৰু ষ্টেডিয়াম। এতিয়া ভূমিকম্প হ'লে মানুহ

* Speech not corrected

ক'লৈ যাব। সেই কাৰণে মানুহৰ মনত আতংক হৈছে। অৱশ্যে এই সংক্ৰান্তত ৰাজ্য চৰকাৰে জিলা সমূহলৈ নিৰ্দ্দেশ প্ৰেৰণ কৰিছে। পশ্চিম বঙ্গ চৰকাৰে ইতিমধ্যে এটা ৪ জনীয়া টিম (ইণ্ডিয়ান এক্সপ্ৰেচত বাতৰি আহিছে) চাইডিং টিম গুজৰাটলৈ পঠাইছে। তেওঁলোকক সোনকালে ৰিপোৰ্ট দাখিল কৰিবলৈ নিৰ্দ্দেশ দিছে। আমাৰ পৰামৰ্শ পশ্চিম বঙ্গৰ নিচিনাকৈ অসমৰো এটা টিম মুখ্য অভিযন্তা পৌৰনিগম অথবা তেনেকুৱা পৰ্য্যায়ৰ বিষয়াক লৈ গঠন কৰি গুজৰাটলৈ পঠাব লাগে। কি কাৰণত তাত ইমান মানুহৰ মৃত্যু হ'ল তাৰ ৰিপোৰ্ট দাখিল কৰক। এই বিলাক কথা জানিলে ভৱিষ্যতে ভূমিকম্প হলে ৰক্ষা পৰিব পাৰিম বুলি আশা ৰাখিছো। অসম ট্ৰিবিউনত আজি ডঃ অৰুণ পাপেটে দিছে– Unauthorised House should be demolished পাৰ্শ্বনেলী মোলৈও চিঠি লিখিছে কাৰণ মই ধেমাজী সম্পৰ্কত লিখিছিলো। ১৯৮৭ চনত ধেমাজীত আতংকৰ সৃষ্টি হৈছিল তেতিয়া ৰাতিৰ ভিতৰতে মানুহবিলাক পলাইছিল। বহুটো সা-সম্পত্তিৰ অনিষ্ট হ'ল। অবৈধভাৱে গৃহ নিৰ্মাণ কৰা সম্পৰ্কত এই সদনতে আলোচনা হৈছিল। বহুটো ঘৰ আছে অবৈধ ভাৱে বনাই পিছত টকা পইচা দি লিগেলাইজড কৰি লয়। এৰোটা ফ্লেটত ২০ ৰপৰা ৭০টা পৰিয়াল পৰ্য্যন্ত থাকে। বেলতলাত থকা হাউচ ফেডৰ ফ্লেটত ৭০ টা পৰিয়াল থাকে কিন্তু তাত সকলো সুবিধা নাই। ৬০০ ফুটলৈ ডিপ টিউবৱেল বহুৱাই পানী তোলাৰ ফলত ওচৰৰ মানুহৰ পানী নাইকীয়া হৈছে। এই বিলাক আইন বহিৰ্ভুত। সেই কাৰণে আইন কটকটীয়া কৰিব লাগে। অবৈধভাৱে বনোৱা ঘৰ বিলাক ডিমোলাইজড কৰিব লাগে। জি. এম, ডি এৰ নিয়ম মতে এটা ৰাস্তা ২০-২২ ফুট থাকিব লাগে। গতিকে নিয়ম বিলাক প্ৰযোজ্য হোৱাৰ কাৰণে চোৱা চিতা কৰিবলৈ চৰকাৰক আহ্বান জনালো আৰু গুজৰাটলৈ এটা টিম পঠোৱাৰ ব্যৱস্থা কৰিবলৈ অনুৰোধ জনাই মোৰ ব্যক্তব্যৰ সামৰণি মাৰিলো।

**Mr Speakar : Shri Girindra Kumar Barua may speak on the same topic.**

* **শ্ৰী গিৰীন্দ্ৰ কুমাৰ বৰুৱা ঃ-** মাননীয় অধ্যক্ষ মহোদয়, ইতিমধ্যে বিষয়টো ওপৰত আমাৰ মাননীয় সদস্য শ্ৰীদিলীপ কুমাৰ শইকীয়াদেবে কৈছেই। মই এই বিষয়ত বিশেষ ক'বলগীয়া নাই - মই মাত্ৰ এটা কথাই ক'বলৈ বিচাৰিছো আৰু এই বিষয়টো ১৯৯৯ চনৰ শীতকালীন অধিবেশনত আলোচনা বিলোচনাও হৈছিল । চৰকাৰে এটা কথা কৈছে যে গুৱাহাটী ডেভেলপ্‌মেন্ট অথ'ৰিটিয়ে বনোৱা ৫১টা ঘৰ গুৱাহাটী উপায়ুক্তই অনুপযোগী বুলি কৈছে । সেইটোৰ বিষয়ে চৰকাৰে ব্যৱস্থা ল'ব লাগে। মই আৰু এটা কথা ক'বলৈ বিচাৰিছো যে সমগ্ৰ উত্তৰ পূৰ্বাঞ্চলত বিশেষকৈ অসমত ১৯৫০ চনত এটা ভূমিকম্প হৈছিল আৰু এতিয়া ভৱিষ্যত বাণী কৰিছে যে এইটো ২০০১ চনত এটা ভূমিকম্প। গুজৰাটত যোৱা ৫টা ভূমিকম্প হৈছে প্ৰতি ৩ বছৰৰ মূৰে মূৰে। ২০১০ চনৰ ভিতৰত আমাৰ ইয়াত ভূমিকম্প হ'ব বুলি কৈছে। এতিয়া মই চৰকাৰক অনুৰোধ কৰিবলৈ বিচাৰিছো (আৰু ইতিমধ্যে ডিচি সকলক নিৰ্দ্দেশ দিয়া বুলি গম পাইছো) কেৱল চৰকাৰকে এই কামত জড়িত কৰিব লাগে তাৰ বাবে জিলা বিলাকলৈ নিৰ্দ্দেশ দিয়ক। জিলাৰ উপায়ুক্ত বা আমাৰ চৰকাৰৰ ফালৰপৰা তেওঁলোকক প্ৰশিক্ষণ দিয়াৰ ব্যৱস্থা কৰিলে ভাল হয়।

* **শ্ৰী প্ৰফুল্ল কুমাৰ মহন্ত (মুখ্যমন্ত্ৰী)** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য শ্ৰী দিলীপ কুমাৰ শইকীয়া ডাঙৰীয়া আৰু শ্ৰী গিৰিণ বৰুৱা দেৱৰ শূন্য কালীন জাননীৰ পৰিপ্ৰেক্ষিতত মই ক'বলৈ বিচাৰিছো যে এই বিষয়টোত চৰকাৰৰ দৃষ্টি গোচৰ হৈছে।

ঘৰ নিৰ্মাণত যাবতীয় বিধি উলংঘা কৰি গুৱাটীত কিছু ঘৰ সজাৰ পৰিপ্ৰেক্ষিতত আৰু তাৰ ফলত উদ্ভৱ হ'ব পৰা পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি গুৱাহাটী উন্নয়ন বিভাগৰ ২/৬/৯১ তাৰিখৰ জি ডি ডি ২৮/১৮/৫৩ নম্বৰ অধিসূচনা মতে এখন ৫ জনীয়া কমিতি গঠন কৰি দিয়ে। মহানগৰীত বাহাল থকা ঘৰ সজা উপ বিধি আৰু অনুমোদিত ঘৰৰ পৰিকল্পনা অনুযায়ী যি বোৰ ঘৰ, অট্টালিকা বিধিবৰ্হিভূত ভাবে সজা হৈছে উপৰোক্ত কমিতিয়ে তেনে ঘৰ পৰিদৰ্শন কৰি চিনাক্তকৰণ কৰিবলৈ চৰকাৰী ফাণ্ড প্ৰদান কৰা হয়। কমিটিয়ে

* Speech not corrected

১৬ আৰু ১৭ জুন ১৯৯৯ তাৰিখে আঠটা ঘৰ পৰিদৰ্শন কৰি ইয়াৰ প্ৰতিবেদন চৰকাৰৰ ওচৰত দাখিল কৰে। এই প্ৰতিবেদন পাই চৰকাৰে ৩/৯/৯৯তাৰিখে জিডি ডি ২৮/৯৮/৬৯পত্ৰ যোগে গুৱাহাটী মহানগৰ উন্নয়ন কৰ্তৃপক্ষৰ মুখ্য কাৰ্য্যবাহী বিষয়া আৰু গুৱাহাটী পৌৰ নিগমৰ আয়ুক্তলৈ বিধিমতে চিনাক্ত কৰা ঘৰ সমূহৰ মালিক পক্ষৰ বিৰুদ্ধে ব্যৱস্থা ল'বলৈ নিৰ্দ্দেশ দিয়ে। তদুপৰি সকলো ধৰণৰ গৃহ নিৰ্মাণ কাৰ্যত ওপৰোক্ত সংস্থা দুটাই অবিৰত তীক্ষ্ণ দৃষ্টি দি থাকিব লাগে বুলিও পৰামৰ্শ দিয়া হয়। ওপৰোক্ত কমিতিয়ে আৰু দুটা পৰিদৰ্শন কৰি বিধিবৰ্হিভূতভাৱে নিৰ্মাণ কৰা ঘৰ চিনাক্ত কৰি চৰকাৰৰ ওচৰত প্ৰতিবেদন দাখিল কৰে। বিষয়টোৰ গুৰুত্বলৈ চাই মুখ্যমন্ত্ৰী তথা গুৱাহাটী উন্নয়ন বিভাগৰ মন্ত্ৰীয়ে ২৯/১১/৯১ তাৰিখে সংশ্লিষ্ট বিভাগৰ বিষয়াৰ লগত বিধিবৰ্হিভূত ভাবে ঘৰ সজা বিষয়টোৰ ওপৰত এখনি সভা আয়োজন কৰে। সভাই আলোচনা ক্ৰমে অবৈধভাবে সজা ঘৰৰ মালিকৰ বিৰুদ্ধে বিধি অনুযায়ী ব্যৱস্থা ল'ব লাগে বুলি পৰামৰ্শ দিয়ে। দৰকাৰ হলে সংশ্লিষ্ট আইনৰ ধাৰা সংশোধন কৰি হলেও সমস্যাটোৰ মোকাবিলা জৰুৰী ভাবে কৰিব লাগে বুলিও সিদ্ধান্ত কৰা হয়। এই সভাৰ কাৰ্য্যবিৱৰণী গুৱাহাটী মহানগৰ উন্নয়ন কৰ্তৃপক্ষ আৰু গুৱাহাটী পৌৰনিগম কৰ্তৃপক্ষলৈ ২৮/১২/৯৯ তাৰিখৰ পত্ৰ নং জিডি ডি ২৮/৯৮/ ৯৫ আৰু জিডিডি ২৮/৯৮/৯৭যোগে প্ৰয়োজনীয় কাৰ্যব্যৱস্থাৰ বাবে প্ৰেৰণ কৰা হয়। তদুপৰি চৰকাৰৰ২৮/১২/২০০০ তাৰিখৰ পত্ৰ নং জিডিডি ২৮/৯৮/১৫৯ যোগে গুৱাহাটী মহানগৰ উন্নয়ন কৰ্তৃপক্ষক আৰু গুৱাহাটী পৌৰ নিগমক ওপৰোক্ত সভাৰ সিদ্ধান্ত মৰ্মে ব্যৱস্থা লোৱা হৈছেনে নাই তাৰ প্ৰতিবেদন দাখিল কৰিবলৈ নিৰ্দ্দেশ দিয়া হৈছে।

অসমত কোনো বৃহৎ প্ৰকোপৰ ভূমিকম্প হলে তাৰ পৰিপ্ৰেক্ষিতত কেনে ধৰণৰ ব্যৱস্থা ল'ব লাগিব সেই বিষয়ে চৰকাৰে ইতিমধ্যে ৰাজহ বিভাগৰ জৰিয়তে সকলো উপায়ুক্ত আৰু মহকুমাধিপতি সকলক যাবতীয় নিবেদন ১৯৯৯চনৰ পৰাই দি আহিছে আৰু কিছু জাননী অলপতে বাতৰি কাকততো প্ৰচাৰ কৰা হৈছে। এই ক্ষেত্ৰত চিভিল ডিফেঞ্চকে আদি কৰি বহু বিলাক সংগঠনক সচেতন কৰি ৰখা হৈছে। চৰকাৰে অপপ্ৰচাৰ যাতে নহয় তাৰ প্ৰতিও লক্ষ্য ৰাখিছে আৰু চৰকাৰে এই ক্ষেত্ৰত সকলো প্ৰচেষ্টা হাতত লৈছে।

**Mr Speaker :** I Now, Call upon the Hon'ble Member Shri Girindra kumar Baruah to raise his Zero Hour Motion which was published in " Amar Asom' dt 9.2.2001 under Caption "তথ্য বিকৃতিৰ আশংকা পঞ্জীয়ক প্ৰধানৰ"।

* **শ্ৰী গিৰীন্দ্ৰ কুমাৰ বৰুৱা ঃ** মাননীয় অধ্যক্ষ মহোদয়, আজিৰ 'আমাৰ অসম' বাতৰি কাকতত উল্লেখিত এটা বাতৰি সম্পৰ্কে মই ইয়াত দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো। এই বাতৰিটোত আমাৰ অসমৰ জন সাধাৰণৰ বিশেষকৈ থলুৱা লোক সকলৰ স্বাৰ্থ জড়িত, থলুৱা জনসাধাৰণৰ স্বাৰ্থ গুৰুত্বপূৰ্ণ। আজিৰ পৰা দেশৰ লোক পিয়ল আৰম্ভ হৈছে, অহা এক মাৰ্চৰ শেষলৈ লোক পিয়ল চলিব। বাতৰিটোত উল্লেখ কৰা হৈছে যে কাইলৈৰ পৰা সমগ্ৰ দেশ জুৰি হ'বলগীয়া লোক পিয়লৰ নিৰ্দ্দেশনাত অসমত বসবাস কৰা প্ৰব্ৰজনকাৰী বাসিন্দা সকলে ইতিপূৰ্বে বসবাস কৰা স্থান, জন্মস্থান আদিৰ প্ৰকৃত তথ্য ডাঙি ধৰিব লাগিব। ইয়াৰ পিছত বাতৰিত উল্লেখ কৰা হৈছে যে বাসিন্দা সকলে পূৰ্বে বসবাস কৰা ঠাই জিলা, ৰাজ্য আদিৰ প্ৰকৃত তথ্য ডাঙি ধৰিব লাগিব। কিন্তু অসমত অনুপ্ৰৱেশ কৰা বিদেশী নাগৰিক পিয়লৰ সময়ত এনে তথ্যৰ বিকৃতি ঘটাব বুলিয়েই আশংকা কৰা হৈছে। প্ৰকাশ কৰিছে দেশৰ লোক পিয়ল পঞ্জীয়ক প্ৰধান জে, জে, বানথিয়াই। ইয়াৰ পিছত বাতৰিত উল্লেখ কৰা হৈছে যে বাসিন্দা সকলে পূৰ্বে বসবাস কৰা ঠাই জিলা, ৰাজ্য আদিৰ উপৰি তেওঁলোকৰ জন্মস্থান সম্পৰ্কেও তথ্য বিচৰা হয়। মুখ্য পঞ্জীয়কে কৈছে যে অসমত বিদেশী নাগৰিক আছে, তেওঁলোকে যে ঠিকনা শুদ্ধকৈ দিব তেওঁ সন্দেহ প্ৰকাশ কৰিছে।

অধ্যক্ষ মহোদয়, অসমত বিদেশী বহিস্কাৰ কৰাৰ আন্দোলন হৈছিল। আমি ৰাষ্ট্ৰীয় পঞ্জীয়নৰ কথা কৈছিলো। সেই সময়ত কোৱা হৈছিল যে চৰকাৰৰ হাতত ৰাষ্ট্ৰীয় পঞ্জীয়নৰ নথি পত্ৰ নাই। এই কাৰণে এটা সময়ত বিদেশী নাগৰিকক চিনাক্ত কৰাত অসুবিধা হৈছিল। বাতৰি কাকতত উল্লেখ কৰা হৈছে যে এজন বিদেশী নাগৰিকক চিনাক্ত কৰাৰ কাৰণে লোক পিয়লেই যথেষ্ট নহয়। আমি বাতৰি কাকতত এনেকুৱাও দেখা পাইছিলো যে বিদেশী নাগৰিকক ভাৰতীয় নাগৰিক কৰাৰ চেষ্টা কৰা হৈছিল। যি জনক বিদেশী বুলি ট্ৰাইবুনেলে প্ৰমাণ

* Speach not corrected

কৰিছিল, তেওঁক ৰেচন কাৰ্ড দি ভাৰতীয় নাগৰিক কৰা হৈছিল । লোক পিয়ল নোহোৱাকৈ ৰেচন কাৰ্ড যোগে ভাৰতীয় নাগৰিক কৰা হৈছিল। এই ক্ষেত্ৰত ৰাজ্যখন এক ভয়াবহ দিশলৈ আগবাঢ়ি গৈছে। আজি স্বদেশীৰ অস্তিত্ব নাইকিয়া হ'ব ধৰিছে। এই ক্ষেত্ৰত চৰকাৰে এটা ব্যৱস্থা ল'ব লাগে, যাতে বিদেশী লোকক স্বদেশী কৰা নহয় তাৰ কাৰণে মই মুখ্যমন্ত্ৰী ডাঙৰীয়া আৰু মাননীয় সদস্য সকলৰ দৃষ্টি আকৰ্ষণ কৰিলো।

* **শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্যমন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ ডাঙৰীয়া, মাননীয় সদস্য শ্ৰীগিৰিন্দ্ৰ কুমাৰ বৰুৱা দেৱে উত্থাপন কৰা শূন্যকালীন বিষয়টোৰ বিষয়ে আমি ক'ব বিচাৰিছো যে ভাৰত চৰকাৰৰ লোক পিয়লৰ সঞ্চালক প্ৰধানে এনে মন্তব্য দিছে নে নাই জানিব পৰা নাই। বিদেশী সমস্যা অসমৰ অতি পুৰণা সমস্যা। এই বিষয়ে অসম চৰকাৰ তথা কেন্দ্ৰীয় চৰকাৰে উভয়ে সচেতন। এই সমস্যাৰ প্ৰভাৱ অসমৰ ভোটাৰ তালিকা প্ৰস্তুতকৰণত পৰিছে। আনকি নিৰ্বাচন আয়োগে এই বিষয়ত সময়ে সময়ে নিৰ্দ্দেশাৱলী জাৰী কৰিছে। অসম চৰকাৰে এই বিষয়ে দৃঢ়তাৰে ক'ব বিচাৰে যে বিদেশীৰ নাম লোক পিয়লত অন্তৰ্ভূক্ত হোৱাটো কেতিয়াও নিবিচাৰে। ভোটাৰ তালিকাটো বিদেশীৰ নাম থকাটো চৰকাৰে নিবিচাৰে। কাৰণ তথ্য অতি গুৰুত্বপূৰ্ণ। এই বিষয়ে যদি লোক পিয়ল সঞ্চালক প্ৰধানৰ সন্দেহ হয়, তেখেতে এই বিষয়ত যথাযথ নিৰ্দ্দেশ দি বিদেশীৰ নাম নথকাটো নিশ্চিত কৰিব লাগে। কিন্তু প্ৰকৃত ভাৰতীয় নাগৰিকৰ নাম লোক পিয়লৰ পৰা বাদ দিব নেলাগে আৰু এই কথা সঞ্চালক প্ৰধানে নিশ্চিত কৰিব লাগে।

## REPORT OF THE BUSINESS ADVISORY COMMITTEE

**Mr. Speaker :** Under Rule 230 of the rules of Procedure and Conduct of Business in Assam Legislative Assembly. I called a meeting of the Business Advisory committee at 10.30 AM on 9.2.2001

---

* Speach not corrected

After a threadbare discussion the Committee decided not to include items like zero Hour, Calling Attention under Rule 54 and Notices under Rule 301 in the List of Business for 12.2.2001 due to live telecast of the presentation of the Budget and in order to keep the time schedule for North East News by Doordarshan kendra.

There after the Committee had discussed the rational allocation of time for the Debate on the Motion of Thanks on the Governor's Address to various Legislature Parties groups and Independent Members.

The Total time that will be made available for the Debate on the Governor's Address will be approximately 420 minutes and each indivisual member will get approximately 3 $^{1}/_{2}$ Minutes.

The time allocation for each Legislature Parties Groups and Independent members is as follows.

| | |
|---|---|
| 1) A.G.P | : 197 minutes ( Including the reply of CM) |
| 2) Indian National Congress (I) | : 130 Minutes |
| 3) A.S.D.C (both faction) | : 20 minutes |
| 4) B.J.P. | : 15 minutes |
| 5) C . P. I | : 11 minutes |
| 6) C. P. I (M) | : 7 minutes |
| 7) P. D.F. | : 21 minutes |
| 8) U.M.F. | : 4 minutes |
| 9) Independent | : 15 minutes |

I hope this has the approval of the House.

# CALL ATTENTION NOTICES

**Now Item No -2**

* ডাঃ দেৱকান্ত ৰামছিয়াৰী ঃ মাননীয় অধ্যক্ষ মহোদয় অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্য পৰিচালনৰ নিয়মাৱলীৰ ৫৪ নং নিয়মৰ অধীনত ২০০১ চনৰ ১৯ জানুৱাৰী তাৰিখৰ 'অসমীয়া প্ৰতিদিন' কাকতত প্ৰকাশিত 'শৰাণাৰ্থীৰ সাহাৰ্য্য সামগ্ৰী ক্ৰয়ৰ নামত ব্যাপক লুণ্ঠন, মহকুমাধিপতিক বচাবলৈ উপায়ুক্তক আয়ুক্তৰ ৰঙা চকু' শীৰ্ষক বাতৰিটোৰ প্ৰতি এই পৱিত্ৰ সদনত দৃষ্টিগোচৰ কৰিব বিচাৰিছো।

মাননীয় অধ্যক্ষ মহোদয় মানৱীয়তাৰ ফালৰ পৰা কোনো এজন বিষয়াই আশ্ৰয় শিবিৰত সহায় নকৰাকৈ থকা নাই। তেনে ক্ষেত্ৰত কোনো নিৰ্দোষী বিষয়াক এই বিধান সভাৰ মজিয়াত গালি পাৰিবলৈ, অপবাদ দিয়াটো আমাৰ কাম্য নহয়। কেতিয়াবা কৰবাত যদি নকৰিবলগীয়া কাম কৰে তেতিয়া আমি নিশ্চয় সমালোচনা কৰিব পাৰো । আপোনালোকে জানে যে কোকৰাঝাৰ আৰু গোসাইগাওঁ এই মহকুমা দুটাত শৰণাৰ্থী আছে। কোকৰাঝাৰ মহকুমাত ৫৮ হেজাৰতকৈ বেছি শৰণাৰ্থী আছে আৰু গোসাইগাওঁ মহকুমাত ১ লাখ ২০ হেজাৰতকৈ বেছি শৰণাৰ্থী আছে। এই শৰণাৰ্থী সকলৰ কাৰণে চৰকাৰে মাহে মাহে পইচা পঠিয়ায়। কিন্তু শৰণাৰ্থী সকলে মাহৰ খোৰাকী নাপায়। মই জনামতে মাত্ৰ ১০দিনৰহে ৰেচন পাতি পায়। কোকাৰাঝাৰ মহকুমাত শিবিৰটো জিলা উপায়ুক্তই চলায় আৰু গোসাইগাওঁ মহকুমাত থকা শিবিৰটো মহকুমাধিপতিয়ে চলায়। মাননীয় অধ্যক্ষ মহোদয়, সেই অঞ্চলৰ স্থানীয় নিবনুৱা যুৱক কিছুমানে ব্যৱসায় বাণিজ্য কৰি আছে। তেনে যুৱক সকলক সুবিধা দিয়াটো আমাৰ দৰকাৰ। তেওঁলোকক সংস্থাপন দিব লাগে। তেওঁলোক বড়ো আৰু অদিবাসী যুৱক। তেওঁলোকে কাম কৰিলে কামৰ বিনিময়ত কিছু পইচা পাব। কোকৰাঝাৰ মহকুমাত যিটো চাউল যোগান ধৰা হৈছিল, সেই চাউল খুউব কম দামৰ চাউল। চুপাৰ ফাইন বা ফাইন চাউল নহয়। ষ্টেট ফেডৰ পৰা প্ৰতি কুইন্টেলত ১ (এক) হেজাৰ ৬০ (যাঠি) টকাকৈ কিনি যোগান ধৰিছিল। এতিয়া বজৰং ষ্টোৰৰ পৰা ১১৫০ টকাত প্ৰতি কুইন্টেল

---

* Speach not corrected

চাউল কিনি যোগান ধৰিছে। এতিয়া দেখা যায় ১ হেজাৰ ৬০ টকাত যদি চাউলখিনি কিনিলেহেঁতেন তেতিয়া হলে এতিয়া কিনা চাউলৰ তুলনাত যিখিনি টকা ৰাহি হলহেতেন সেই খিনি টকাৰে আৰু ১০ টা পৰিয়ালক চাউল দিব পৰা গলহেঁতেন। ষ্টেট ফেডৰ পৰা কম মূল্যত কিনি চাউল যোগান ধৰা কথাটো আয়ুক্তৰ ওচৰলৈ কেনেকৈ আহিবলৈ পালে। এইখন মেচেজ জিলা উপায়ুক্তক দিছে মেচেজটো ৪-১১-২০০ চনৰ আছিল। এই বিষয়ে মই সবিশেষ কব বিচৰা নাই। ষ্টেট ফেডৰ পৰা কম মূল্যত কিনি আনি শৰণাৰ্থী সকলক যোগান ধৰাৰ পৰা স্থানীয় যুৱক সকলক তাৰ পৰা বঞ্চিত কৰিছে। ইয়াত কিবা এটা পাক আছে।

মাননীয় অধ্যক্ষ মহোদয়, মোৰ বক্তব্যটো এই কাৰণেই বিধান সভাৰ মজিয়াত দাঙি ধৰিবলগীয়া হৈছে যে কোনোবা এজন গন্য মান্য ব্যক্তিয়ে অভাৰ টেলিফোনত জিলা উপায়ুক্তক কলে যে স্থানীয় বড়ো সকলক, আদিবাসী সকলক এই সুবিধাটো দিব নালাগে কাৰণ তেওঁলোকে হাঁহ আৰু মুৰ্গীৰ বেপাৰহে কৰিব জানে। যি জন অফিচাৰে নিবনুৱা যুৱক সকলক সংস্থাপন দিব লাগে সেইজন বিষয়াই তেওঁলোকক উগ্ৰপন্থীৰ পথ লোৱাত বাধ্য কৰিছে আৰু উগ্ৰপন্থী হৈ ওলাই গৈ আছে। কাম কৰি পেট প্ৰৱৰ্ত্তন কৰা যুৱক সকলৰ ওপৰত চৰকাৰৰ দ্বাৰা বিপৰীত ছবিহে প্ৰতিফলিত হোৱা দেখা গৈছে। যুৱক সকলক কামৰ পৰা বঞ্চিত কৰি উপলুঙা কৰিলে তেওঁলোকে দুখৰ কাঁহী নবজাই সুখৰ বাঁহী বজাবনে? এইলোক মানুহে বিদ্ৰোহীৰ সমস্যাটো অধিক জটিল কৰি তুলিছে। উগ্ৰপন্থী হʼবলৈ উচটাই দিয়া যেনহে লাগিছে। ইয়াৰ বিৰুদ্ধে চৰকাৰে কি ব্যৱস্থা লʼব? ইয়াৰোপৰি উগ্ৰপন্থী পৰিয়ালক এমকি দিয়া হৈছে আৰু আশ্ৰয় দিয়া মন্ত্ৰীৰ ফালৰ পৰা আশ্বাস দিছে আৰু সমস্যাসমূহ সমাধান হোৱা বুলি কৈছে। কিন্তু সমস্যা সমূহ সমাধান হোৱা নাই। এনেকুৱা বিষয়া সকলৰ ওপৰত চৰকাৰে কি ব্যৱস্থা লʼব সদনৰ মজিয়াত আমি জানিব বিচাৰিছো।

* **শ্ৰীদিলীপ কুমাৰ শইকীয়া ঃ** মাননীয় অধ্যক্ষ মহোদয়, প্ৰভাত বসুমতাৰী বি, এল. টিৰ চেয়াৰমেন আদিয়ে তেওঁৰ ভায়েকে কামৰ বিনিময়ত ৯ লাখ টকাৰ

এখন বিল দিছিল এই বিলৰ টকাটো পেণ্ডিং হৈ আছে। আমি বহুত অনুনয় বিনয় কৰিও টকাটো উলিয়াই দিব পৰা নাই। টকাটো দিবৰ বাবে ৰিকুৱেষ্টও কৰা হৈছে বুলি এই কাৰণে উল্লেখ কৰা হৈছে যে ডাঃ দেৱকান্ত ৰামছিয়াৰী দেৱে কথাটো জানে এইটো চেন্টিমেন্টৰ কথা। মাননীয় সদস্য গৰাকীৰ কথা প্ৰসঙ্গত মইও এই কথাখিনি আপোনালোকৰ ওচৰত অৱগত কৰিলো।

* **শ্ৰীবিনোদ গোৱালা, (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয় ডাঃ দেৱকান্ত ৰামছিয়াৰীয়ে অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য পৰিচালনাৰ নিয়মাৱলীৰ নিয়মৰ অধীনত ২০০১ চনৰ ১৯ জানুৱাৰী তাৰিখৰ 'অসমীয়া প্ৰতিদিন' কাকতত প্ৰকাশিত "শৰণাৰ্থীৰ সাহাৰ্য্য সামগ্ৰী ব্যয়ৰ নামত ব্যাপক লুণ্ঠন, মহকুমাধিপতিক বচাবলৈ উপায়ুক্তক আয়ুক্তৰ ৰঙা চকু" শীৰ্ষক বাতৰিটো মোৰ দৃষ্টিগোচৰ হৈছে।

উক্ত বিষয়টোৰ স্পষ্টীকৰণ ২০-১-২০০১ তাৰিখে 'প্ৰতিদিন কাকতত' প্ৰকাশ কৰিবৰ কাৰণে জনসংযোগ বিভাগলৈ প্ৰেৰণ কৰা হৈছিল। কিন্তু স্পষ্টীকৰণৰ বাতৰিটো উক্ত প্ৰতিদিন কাকতত প্ৰকাশ পোৱা নাই।

ইতিমধ্যে বিষয়টো সম্পৰ্কত আয়ুক্তক নিৰ্দ্দেশ দিয়া হৈছে আৰু আশা কৰা হৈছে যে সেই বিষয়ত এটা সুমীমাংসা পোৱা হব।

মাননীয় সদস্য শ্ৰীদিলীপ কুমাৰ শইকীয়া ভাঙৰীয়াই যিটো বিষয় উত্থাপন কৰিছে সেই বিষয়টো ৰাজহ বিভাগৰ লগত জড়িত। বিষয়টো মোৰ বিভাগৰ লগত জড়িত নহয়। গতিকে সেই বিষয়টোৰ ওপৰত কোৱা টান।

## MATTER UNDER RULE 301

**Mr Speaker :- Now Item No -3**

* **শ্ৰী দিলীপ কুমাৰ শইকীয়া ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, অসম বিধান সভাৰ ৰুলচ অব প্ৰচিডিউৰ এণ্ড কনডাক্ট অব বিজিনেচ ৩০১ নিয়ম অনুযায়ী

* Speech not corrected

যোৱা ১৮ জানুৱাৰী সংখ্যা দৈনিক অসম কাকতত প্ৰকাশিত "অসম লোকসেৱা আয়োগ আকৌ বিতৰ্কত" শীৰ্ষক বাতৰিটোৰ প্ৰতি মাননীয় মুখ্যমন্ত্ৰীৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো। এই সন্দৰ্ভত ইতিমধ্যে এই বিধান সভাৰ মজিয়াত কেইবাবাৰো বিৰ্তক উত্থাপিত হৈছিল। অসম লোকসেৱা আয়োগৰ বিৰুদ্ধে বহু কথাই আলোচিত হৈছে আৰু বিভিন্ন ভাৱে প্ৰকাশো পাইছে। আচলতে আয়োগ উপদেষ্টা সংস্থা যদিও এতিয়া যি ভাৱে চলিছে দেখা যায় তেওঁলোক থকা নথকা একেই কথা হৈছে। অসম লোকসেৱা আয়োগৰ চেয়াৰমেন বা সদস্য হ'ব পৰা কিছুমান বিধি আছে প্ৰয়োজন হলে সেই বিধি সংশোধন কৰি হলেও এই সংস্থাটোক সম্পূৰ্ণ নিৰপেক্ষ আৰু কাৰ্য্যক্ষম কৰি গঢ় দিব লাগে। প্ৰাৰ্থী বাচনিৰ ক্ষেত্ৰতো তেওঁৰ মেৰীট আছে নে নাই আৰু নিয়ম মাফিক পাইছেনে নাই সেইটো চাব লাগে। ইয়াৰ আগতে কাৰোবাৰ ভাই বোৱাৰী বা সম্বন্ধীয় তেনেও চাকৰি পাইছিল। লোকসেৱা আয়োগত লিখিত আৰু মৌখিক দুই প্ৰক্ৰিয়াৰে প্ৰাৰ্থী বাচনি কৰা হয়। অসম বুলিলে বৰপেটা খনেই নহয় ইয়াত ২৩ খন জিলা আছে। গতিকে কেৱল একে ঠাইতে প্ৰাৰ্থীসকলৰ তালিকা সীমাবদ্ধ হৈ থাকিলে তালিকাৰ সুস্থতাৰ ওপৰত সন্দিহান হোৱাটো স্বাভাৱিক। দুইটা পৰীক্ষা নিদিয়াকৈয়ে কোনোবাই ডি এচ পি পাম বুলি কোনোবাই আন কিবা পদ পাম বুলি নিশ্চিত ভাৱে কেনেকৈ কব পাৰে: কি এই প্ৰক্ৰিয়া? বিভিন্ন সময়ত অসম লোক সেৱা আয়োগত বিভিন্নজনক চেয়াৰমেন কৰা হৈছে। বিশিষ্ট বুলি ভাৱি সদস্য পদো দিয়া হৈছে। কিন্তু লোক সভা আয়োগৰ মানদণ্ড আৰু নিৰপেক্ষতা সৰ্বসাধাৰণৰ লগতে আমাৰো মনত সন্দেহৰ উৰ্দ্ধত উঠা নাই। এজন গোল্ড মেডেলিষ্টকো আয়োগৰ কাৰণে নিৰ্বাচিত কৰা হল।। এটা বিভাগৰ আয়ুক্ত সচিব হিচাপে অৱসৰ পোৱা লোক তেওঁ। কিন্তু তেওঁ একো কৰিব নোৱাৰিলে। আমি ভাৱিছিলো গ'ল্ড মেডেলিষ্ট মানুহ গতিকে যোগ্য প্ৰাৰ্থী বাচনি কৰি উলিয়াব। কিন্তু শেষত সেইটো দেখা নগ'ল। আমি এতিয়া ৰাইজৰ নিৰ্বাচিত প্ৰতিনিধি, আমি এতিয়া এইবোৰ দেখি-শুনি চকুমুদি বহি থাকিব নোৱাৰো। কিন্তু আমাৰ একো যেন কাম নাই দায়িত্ব নাই তেনেদৰে বহি আছোঁ। ৰাজনীতিৰ উৰ্দ্ধত থাকি যদি এই সংস্থাটোৰ পৰা

জনসাধাৰণৰ কাৰণে যি সেৱা আশা কৰা উচিত সেইটো পোৱা নহব বুলি সন্দেহ নকৰিবৰ ঠাই নাই। ১৯৮৩ চনৰ পৰা ১৯৯১ চনলৈ কিছু ঠিকেই আছিল কিন্তু তাৰ পাচত কংগ্ৰেছৰ সদস্য এজন লোক সেৱা আয়োগৰ মজিয়াত সোমোৱাৰ পৰাই আয়োগৰ পূৰ্বৰ দক্ষতা আৰু সুনাম লাহে লাহে নাইকীয়া হ'ল। আমি শুনামতে কুটুম নামৰ এজন যুৱকে ৬ লাখ টকা দিছিল যদিও তালিকাত তেওঁৰ নাম নুঠিল অথচ আজিকালি শুনিছো ডি এচ পিৰ কাৰণে ১৫ লাখ টকা , এ চি এচৰ কাৰণে ১০ লাখ, ডিটিঅ'ৰ কাৰণে ৮ লাখ এইবোৰ ফিক্সড ৰেট । এইটো নিশ্চয় অকল এজনে কৰিব পৰা কাম নহয়, আটাইকেইজন ইয়াৰ লগত কম বেছি পৰিমাণে জড়িত। আনহাতে যিহেতু অটনমাচ্ বডি ইয়াৰ ওপৰত কোনেও মাত মাতিব নোৱাৰিব, সেই বুলিয়েই তেওঁলোকে ওভোট গোৰে নাচিলে দেশৰ ভৱিষ্যত আৰু পৰিৱেশ দুৰ্বিসহ হৈ পৰিব। সেয়েই মই সদনৰ জৰিয়তে মাননীয় মুখ্যমন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছো ৰাজনীতিৰ উৰ্দ্ধত থাকি নিকা ভাবৰ চেয়াৰমেন আৰু সদস্য নিৰ্বাচন কৰা হওক আৰু ইয়াৰ দ্বাৰা ভৱিষ্যতৰ এক নতুন দিগন্ত প্ৰসাৰিত হব। তেতিয়া কমৰেড খান চাহাবৰো বিশেষ আপত্তি কৰিবলগীয়া নাথাকিব আৰু অসমৰ সকলো অঞ্চলৰ ডেকা গাভৰুৱে মেৰিটৰ ওপৰত লোকসেৱা আয়োগৰ মনোনয়নৰ ওপৰত আস্থা ৰাখিব। মই বিশেষ কথা আৰু কবলৈ নাযাওঁ মাত্ৰ বৰ্ত্তমানৰ খালী থকা অধ্যক্ষৰ পদটো উপযুক্ত ব্যক্তিৰ দ্বাৰা পূৰণ কৰি অসমৰ জনসাধাৰণৰ ভৱিষ্যতৰ এই বিষয়ত সমালোচনাৰ ওৰ পেলাব বুলি আশা কৰি সামৰণি মাৰিলো।

* **শ্ৰীহেমেন দাস** ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে উত্তৰ দিয়াৰ আগতে মই দুটামান কথা কব লাগিব। ইয়াত অকল বৰপেটা জিলাৰ কথাই অহা নাই। কিন্তু লোকসেৱা অনুষ্ঠানটোৰ কাৰণে এজন ভাল সভাপতি লাগে বুলি আমি অস্বীকাৰ নকৰো, কিন্তু তাৰ কাৰণে ৰুলখন সংশোধন কৰিব লাগিব। আমাৰ ভালে কেইবছৰ ধৰি লোকসেৱা আয়োগৰ ৰুল সংশোধন হোৱা নাই। কাঠ পেঞ্চিলেৰে নম্বৰ দিয়াৰ বৰ্ত্তমান প্ৰক্ৰিয়া বাদ দি ডট পেনেৰে নং দিয়া ব্যৱস্থা কৰিব লাগিব। তাৰ আগতে লোক সেৱা আয়োগৰ

* Speech not corrected

এই কথা বিলাকৰ এটা গভীৰ অনুসন্ধান কৰিব লাগিব। তাত এটা চক্ৰবেহু আছে। আয়োগ পুনৰ গঠন হোৱাৰ লগে লগে এই চক্ৰবেহুৰ মাজত সোমাই পৰে। ভাল নং আন কাৰবাৰ নামত উঠেগৈ। যদি ভালদৰে তদন্ত কৰা যায় এই গোটেই কথা বিলাক ওলাই পৰিব। এই চক্ৰবেহুটোৰ কায়দা কৌশলো অদ্ভুত। মুখ্যমন্ত্ৰীৰ নাম আগতেও লৈছিল। এতিয়াও লয়। সুবিধা আদায় কৰাৰ কাৰণেই মুখ্যমন্ত্ৰীৰ নামটো ব্যৱহাৰ কৰে। লোক সেৱা আয়োগৰ সদস্য বা অধ্যক্ষ ১৯৭২ চনৰ আগত ৰাজনৈতিক আদৰ্শৰ মানুহ নাছিল। বলেন্দ্ৰ নাৰায়ণ বসুমতাৰী ডাঙৰীয়া ৰাজনৈতিক দলৰ যদিও নিৰপেক্ষতা আছিল। কামেশ্বৰ দাসো চেয়াৰ মেন আছিল। তাৰ পিচত অৱসৰপ্ৰাপ্ত বিষয়াক লোক সভা আয়োগত সদস্য বা অধ্যক্ষ কৰি দিয়া প্ৰক্ৰিয়া এতিয়াও চলি আছে। আচলতে, এই প্ৰক্ৰিয়াটো ৰুলচ বিলাক সংশোধন কৰি হলেও পৰিবৰ্ত্তন কৰিব লাগিব। দহ বছৰ চাকৰি কৰাৰ অভিজ্ঞতা থকাৰ কথা। কিন্তু তাৰা দাসৰ নাছিল। মুখ্যমন্ত্ৰীয়ে ভাল পাইছে, নিযুক্তি দিছে। কালিলৈ এনেকৈ ছাত্ৰনেতা এজনো লোকসেৱা আয়োগৰ অধ্যক্ষ হবগৈ। ছাত্ৰ নেতা মুখ্য মন্ত্ৰী হোৱাটো এটা বেলেগ কথা আৰু লোক সেৱা আয়োগৰ অধ্যক্ষ হোৱাটো এটা বেলেগ কথা হব । এতিয়া আমি দেখিছো আয়োগত নিয়ম আৰু প্ৰশাসন বুলি একো কথাই নাই। মাটি বাৰী বিক্ৰী কৰি ৫ লাখ বা তিনি লাখ টকাৰে টেক্স চুপাৰিন্‌টেণ্ডেন্ট আদি পদৰ কাৰণে কাৰবাৰ চলে। অথচ এই পদবীৰ চাকৰিয়ালে সকলে চৰকাৰৰ কাৰণে কৰ সংগ্ৰহ কৰিব লাগে যদিও আগতে দি অহা ধন পুৰাবলৈহে, নিজৰ কাৰণেহে যত্ন কৰে। আগৰ অধ্যক্ষ তাৰা দাসৰ ঘৰত ৬০ লাখ নে ৮০ লাখ টকা নগদেই পাইছে। ইমান টকা কৰ পৰা পালে তেওঁ? এই বিলাক তদন্ত হব লাগে। কাৰণ এইবিলাক ক্ৰিমিনেলী কালেক্ট কৰিছে। মুখ্যমন্ত্ৰী মহোদয়ক মই সেয়ে অনুৰোধ কৰো যে ভৱিষ্যতে কোনো ৰাজনৈতক স্বাৰ্থ জৰিত লোকক লোক সেৱা আয়োগৰ সদস্য বা অধ্যক্ষ পদত মনোনীত নকৰিব আৰু ৰুলখন সংশোধন কৰক। আৰু উপযুক্ত মানুহক নিৰ্বাচিত কৰি দেশৰ কাৰণে কাম কৰিব পৰা পৰিবেশ সৃষ্টি কৰিব লাগে।

* **শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্যমন্ত্ৰী)** — মাননীয় অধ্যক্ষ মহোদয় , মাননীয় সদস্য শ্ৰীদিলীপ কুমাৰ শইকীয়া আৰু শ্ৰী হেমেন দাস ডাঙৰীয়াই অসম লোক সেৱা আয়োগৰ ওপৰত বিভিন্ন কথা ডাঙি ধৰিছে। অসম লোক সেৱা আয়োগৰ এটা সয়মত গভীৰ মৰ্য্যদা আছিল, যেতিয়া হৰেশ্বৰ গোস্বামী দেৱ অধ্যক্ষ আছিল সেই সময়ত তেখেতে নিজৰ ল'ৰাজনক পৰীক্ষা দিবলৈ দিয়া নাছিল। আজি বহু সলনি হ'ল । আজি হাই কৰ্টত ৰিট পিটিশ্যন দিছে। বিষয়টো চাব জুডিচ্ হৈ আছে। এডমিট হৈ শুনানী হোৱাৰ পিছত কি হ'ব সেইটো পিছৰ কথা। অসম লোক সেৱা আয়োগত ডাঃ দাসক কংগ্ৰেছেই নিযুক্তি দিছিল । তেওঁৰ যিমান টকা পোৱা গ'ল সেই কথা কোনো মাননীয় কংগ্ৰেছী সদস্যই আজিলৈকে ইয়াত উত্থাপন কৰা নাই। এই কংগ্ৰেছেই হ'ল দুৰ্নীতি আৰু ভ্ৰষ্টাচাৰৰ প্ৰথম আৰু প্ৰধান দল সম্ভৱতঃ ভাৰতৰ ভিতৰতে। আমি পৰিবৰ্তন আনিব খুজিছো যদিও এদিনতে সেয়া সম্ভৱ হৈ নুঠিব।

অসম লোক সেৱা আয়োগৰ প্ৰাক্তন অধ্যক্ষ ডাঃ তাৰাপ্ৰসাদ দাসৰ বিৰুদ্ধে বিভিন্ন বাতৰি কাকতত প্ৰকাশ পোৱা অভিযোগ সম্পৰ্কে ৰাজ্য চৰকাৰ অৱগত। এই অভিযোগ সমূহৰ ফলত জনমানসত লোকসেৱা আয়োগৰ ভাৱমূৰ্ত্তি যেনেভাবে অৱনমিত হৈছে তাৰ কাৰণেও ৰাজ্য চৰকাৰ উদ্বিগ্ন হৈ পৰিছে।

অসম লোক সেৱা আয়োগ সংবিধানৰ বিশেষ বিধান অনুযায়ী প্ৰতিষ্ঠিত এক স্বায়ত্বশাসিত অনুষ্ঠান। এনে পৰিস্থিতিত ৰাজ্য চৰকাৰৰ ক্ষমতা ভাৰতৰ সংবিধানৰ ৩১৭ (১) ধাৰামতে সীমাবদ্ধ। এই ধাৰাৰ অধীনত লোকসেৱা আয়োগৰ অধ্যক্ষ অথবা সদস্য এগৰাকীক অশোভনীয় আচৰণৰ কাৰণে আঁতৰাব পৰা যায়। এই ধাৰাত সন্নিবিষ্ট ব্যৱস্থাৱলী অনুসৰি ভাৰতৰ ৰাষ্ট্ৰপতিয়ে বিষয়টো অনুসন্ধান কৰিবৰ বাবে উচ্চতম ন্যায়লয়লৈ প্ৰেৰণ কৰে। অনুসন্ধানত অভিযোগ সমূহ প্ৰমাণিত হ'লেহে অধ্যক্ষ বা সদস্য গৰাকীক পদবীৰ পৰা অপসাৰণ কৰিব পৰা যায়। আয়োগৰ প্ৰাক্তন অধ্যক্ষ ডাঃ তাৰাপ্ৰসাদ দাসৰ ক্ষেত্ৰত সংবিধানৰ ৩১৭ (১) ধাৰা অনুসৰি কাৰ্য্যব্যৱস্থা লোৱা হলেও সেয়া

* Speach not corrected

ফলপ্ৰসু নহ'লহেঁতেন কিয়নো ডাঃ দাস যোৱা ৩১-৭-২০০০ তাৰিখে অৱসৰ গ্ৰহণ কৰিবলগীয়া আছিল। তদুপৰি ৰাজ্য চৰকাৰে ডাঃ দাসৰ বিৰুদ্ধে বাতৰি কাকতত প্ৰকাশিত দুৰ্নীতিৰ অভিযোগ সমূহ আৰু কৰ বিভাগে ডাঃ দাসৰ ঘৰৰ পৰা ধন জব্দ কৰা ঘটনাৰ বিষয়েও পৰীক্ষা কৰি চাইছে। সেইসময়ত জব্দ কৰা সকলোবোৰ বস্তু তন্ন তন্নকৈ পৰীক্ষা কৰাৰ পিছত ডাঃ দাসৰ ঘৰৰ পৰা জব্দ কৰা সা সম্পত্তিৰ লগত বাতৰি কাকতত প্ৰকাশিত অভিযোগসমূহ সনা-পোটকা কৰাটো সম্পূৰ্ণৰূপে সংগতিপূৰ্ণ হোৱা যেন নালাগে। তদুপৰি বাতৰি কাকতসমূহে অনা অভিযোগসমূহৰ সত্যতা সাব্যস্ত কৰিব পৰাকৈ কোনো ব্যক্তিৰ পৰা চৰকাৰে নিৰ্দিষ্ট অভিযোগ পোৱা নাই। এনে পৰিস্থিতিত অধ্যক্ষ ডাঃ দাসৰ বিৰুদ্ধে দুৰ্নীতি নিবাৰণ আইনৰ অধীনত কাৰ্য্যব্যৱস্থা লোৱাটো সম্ভৱ হৈ উঠা নাই।

যিয়ে নহওক, সংবাদ মাধ্যমত প্ৰকাশিত অভিযোগ সমূহ মুখ্যমন্ত্ৰীৰ বিশেষ তদাৰকী শাখালৈ ২০০০ চনৰ আগষ্ট মাহতে প্ৰেৰণ কৰা হৈছে আৰু উক্ত সংস্থাই বিষয়টো অনুসন্ধান কৰি আছে। অনুসন্ধানত পৰ্য্যাপ্ত প্ৰমাণ আৰু তথ্য পাতি পালে ৰাজ্য চৰকাৰে এই ক্ষেত্ৰত দৃঢ় ব্যৱস্থা গ্ৰহণ কৰিবলৈ প্ৰস্তুত আছে।

ইতিমধ্যে ৰাজ্য চৰকাৰে সংবিধানৰ ধাৰা ৩১৬ (১ক) অনুসৰি আয়োগৰ এগৰাকী সদস্য শ্ৰীদেৱীচৰণ বৰাক অস্থায়ীভাৱে অসম লোক সেৱা আয়োগৰ অধ্যক্ষ পদত নিযুক্তি দিছে আৰু এগৰাকী স্থায়ী অধ্যক্ষৰ নিযুক্তিৰ বিষয়েও বিবেচনা কৰি আছে। এই পদৰ কাৰণে বাছনি কৰোতে ৰাজ্য চৰকাৰে এগৰাকী উপযুক্ত ব্যক্তি বাছি উলিওৱাৰ কাৰণে প্ৰচেষ্টা চলাইছে। এইক্ষেত্ৰত চৰকাৰে এনে এগৰাকী ব্যক্তি বাছনি কৰিবলৈ যত্ন কৰিছে যাৰ চৰিত্ৰ দৃঢ়তাৰ বাবে সুনাম আছে আৰু যিয়ে আয়োগৰ কাম কাজ স্বচ্ছ আৰু নিয়াৰিকৈ চলোৱাৰ উপৰিও আয়োগৰ প্ৰতি ৰাইজৰ আস্থা ঘূৰাই আনিব পাৰিব।

এই ক্ষেত্ৰত আমি আশা কৰিছো যে আমাৰ সমাজৰ যিটো মূল্য ক্ষয় হৈছে তাক পুনৰ উদ্ধাৰ কৰিবৰ কাৰণে চেষ্টা কৰিব লাগিব। এই কথাটো যদি ভাল ধৰণে লক্ষ্য কৰো তেতিয়াহলে দেখা পাওঁ যে অসম লোকসেৱা

আয়োগৰ পদ মৰ্য্যদাৰ যি অবক্ষয় হৈছে সেইটো কংগ্ৰেছ চৰকাৰৰ দিনত হৈছে। আমি যাক সদস্য পদ দিছো তেওঁলোকৰ দ্বাৰা অবক্ষয় হোৱা নাই।। কংগ্ৰেছে দিয়া সদস্য সভাপতিৰ কাৰণে হৈছে। এই বিষয়টো পৰ্যালোচনা কৰিলে দেখা পাওঁ যে কংগ্ৰেছে আনৰ গালৈ বোকা চটিয়াই লাভ নাই কংগ্ৰেছৰ ডিঙিলৈ বোকা পোট খাই আছে। এই বোকা সহজে গুচাব নোৱাৰে। লোক সেৱা আয়োগ বা অন্য স্বায়ত্ব শাসিত অনুষ্ঠান বিলাকৰ ক্ষেত্ৰত ব্যৱস্থা লৈ আছো।

## PRESENTATION OF THE LIST OF SUPPLEMENTARY DEMANDS FOR GRANTS AND SUPPLEMENTARY APPROPRIATION

**Mr Speaker : Now item No 4,** Chief Minister to present the List of Supplimentary Demands for Grants and Supplementary Appropriation for 2000-2001.

**Shri Prafulla Kumar Mahanta(Chief Minister) :** Sir, I beg to present the List of Supplementary Demands for Grants and Supplementary Appropriation for 2000-2001.

## INTRODUCTION OF GOVERNMENT BILLS

**Mr. Speaker - Now Item No 5.**

Hon'ble Chief Minister to move the motion for Leave to introduce the Bill.

**Shri Prafulla Kumar Mahanta(Chief Minister) -** I beg leave to introduce " The Assam Entry Tax Bill , 2001"

**Mr. Speaker -** Is it the pleasure of the House to grant leave to introduce the Bill?

(Voice ' Yes, Yes,)

Leave is granted,

There is a message from the Governor of Assam, Raj Bhawan, Guwahati, Dt. Feb 07, 2001.

## MESSAGE

'Under the provision of Article 207(1) of the constitution of India, I, Lft. General(retd.) S.K.Sinha PVSM Governor of Assam recommends to introduce ' The Assam Entry Tax Bill, 2001' in the Assam Legislative Assembly"

Sd-

(Lt.General (Rtd.) S.K.Sinha.)

PVSM Governor of Assam

Now Hon'ble Chief Minister to introduce the Bill.

**Shri Prafulla Kumar Mahanta(Chief Minister)** - I beg to introduce "The Assam Entry Tax Bill, 2001".

(The Secretary read out the Title of the Bill )

**Mr. Speaker - Now Item No. 6**

Hon'ble Chief Minister to beg leave to introduce "The Assam Amusement and Betting Tax (Amendment) Bill, 2001'

**Shri Prafulla Kumar Mahanta(Chief Minister)** - Sir, I beg leave to introduce "The Assam Amusements and Betting Tax (Amendment) Bill. 2001".

**Mr. Speaker** - Is it the pleasure of the House to grant leave to introduce the Bill?

(Voice: ' Yes, Yes) Leave is granted,

There is a message from the Governor of Assam. Raj Bhawan, Guwahati, Dated 07-2-2001.

## MESSAGE

"Under the provision of Article 207(1), I, Lft.Gen.(retd.) S.K.Sinha PVSM Governor of Assam recommends to introduce the Assam Amusements and Betting Tax (Amendment) Bill 2001 in the Assam Legislative Assembly'.

Sd-

(Lt.General (Rtd.) S.K.Sinha.)

PVSM, Governor of Assam

Now Hon'ble Chief Minister to introduce the Bill.

**Shri Prafulla Kumar Mahanta(Chief Minister)** - I beg leave to introduce "The Assam Amusements and Betting Tax (Amendment) Bill, 2001".

( The Secretary read out the Title of the Bill )

**Mr. Speaker - Now item no -7** .

Smti Rekha Rani Das Boro (Minister Social Welfare and W.P. T& B.C.) to beg leave to introduce the Mising Autonomous Council ( Amendment) Bill 2001'.

**Smti. Rekha Rani Das Boro** (Minister Social Welfare and W.P. T& B.C.) - I beg leave to introduce ' The Mising Autonomous Council (Amendment) Bill 2001

Mr, Speaker - Is it the pleasure of the House to grant leave to introduce the Mising Autonomous Council ( Amendment) Bill, 2001?"

( Voice ,'Yes', Yes') Leave is granted.

Now Hon'ble Minister Social Welfare & WPT& BC to introduce the Bill.

Smti Rekha Rani Das Boro ( Minister, Social Welfare and W.P.T.& B.C.)- Sir, I beg to introduce "The Mising Autonomous Council ( Amendment) Bill, 2001".

The Secretary Assam Legislative Assembly to read out the Title of the Bill.

Secretary ALA- 'The Mising Autonomous Council (Amendment) Bill 2001.

**Mr. Speaker - Now item No-8** .

Hon'ble Minister, Social Welfare & WPT & BC to move the Motion for leave to introduce "The Rabha Hasong Autonomous Council (Amendment) Bill, 2001".

**Smti. Rekha Rani Das Boro**(Minister Social Welfare and W.P. T& B.C.) - Sir, I beg leave to introduce "The Rabha Hasong

Autonomous Council (Amendment) Bill, 2001".

**Mr. Speaker** - Is it the pleasure of the House to grant leave to introduce the Bill?

(Voice ' Yes' Yes') The leave is granted.

Now, Hon'ble Minister, Social welfare & WPT & BC to introduce the Bill.

**Smti. Rekha Rani Das Boro**(Minister Social welfare & WPT & BC) - Sir, I beg to introduce "The Rabha Hasong Autonomous Council (Amendment) Bill 2001".

**Secretary ALA.** - The Rabha Hasong Autonomous Council ( Amendment) Bill, 2001.

**Mr. Speaker** - Now item No 9. Hon'ble Minister Social welfare & WPT & BC to move the motion for leave to introduce ' The Lalung (TIWA) Autonomous Council ( Amendment) Bill 2001.

**Smti Rekha Rani Das Boro (Minister Social Welfare & WPT & BC)** - Sir, I beg leave to introduce' The : Lalung (TIWA) Autonomous Council ( Amendment) Bill, 2001.

**Mr. Speaker** - Is it the pleasure of the House to grant leave to introduce the Bill?

(Voice 'Yes' Yes) The leave is granted.

Now, Hon'ble Minister Social Welfare & WPT & BC to introduce the Bill.

**Smti. Rekha Rani Das Boro (Minister Social Welfare & WPT & BC)** - Sir I beg to introduce "The :Lalung ( TIWA) Autonomous Council ( Amendment) Bill 2001".

**Secretary ALA**- The Lalung (TIWA) Autonomous Council (Amendment) Bill 2001.

# DEBATE ON THE MOTION OF THANKS ON THE GOVERNOR'S ADDRESS

**Mr. Speaker** -- Now item No. 10, Debate on the Motion of Thanks on the Governor's Address

I have received notices on the Motion of Thanks on the Governor's address from the following Members :

1 Shri Atul Bora

2. Shri Silvius Kondpan

3. Shri Bharat Ch. Narah.

I call upon the Movers now.

Since there is no Member present, I now call upon the Hon'ble Member, Shri Bora to initiate the debate on the Motion of Thanks.

**(Hon'ble Speaker vacated the chair & Hon'ble Deputy Speaker occupied the chair)**

* **শ্ৰীঅতুল বৰা ঃ** মাননীয়া উপাধ্যক্ষা মহোদয়া, মহামান্য ৰাজ্যপালৰ ভাষণৰ ওপৰত ধন্যবাদ সূচক প্ৰস্তাবৰ প্ৰস্তাৱক হিচাপে দুআষাৰ কব বিচাৰিছো। মহামান্য ৰাজ্যপালগৰাকীয়ে মূল মূল কাৰ্য্যসূচী আৰু সেইবোৰৰ লগত আমাৰ চৰকাৰৰ

---

* Speach not corrected

আঁচনি কাৰ্যসূচী সম্পৰ্কে দাঙি ধৰিছে। আৰু চৰকাৰৰ আঁচনি কাৰ্য্যসূচীবোৰৰ সফল ৰূপায়ণ চৰকাৰৰ দৃঢ়তাৰ কথাওঁ ইয়াত স্পষ্টভাৱে দোহাৰিছে। অৰ্থনৈতিক আৰু সামাজিক ন্যায় প্ৰতিষ্ঠাৰ বিশেষভাৱে ৰাজ্যখনলৈ শান্তি ঘূৰাই অনাত আমাৰ চৰকাৰে যি ভূমিকা লৈছে, যি গুৰুত্ব আৰোপ কৰিছে সেই কথাও তেখেতৰ ভাষণত দৃঢ়তাৰে দোহাৰিছে। এইটো ঠিক যে আমাৰ চৰকাৰে সেই দিশত সফল হ'ব পাৰিছে।

উপাধ্যক্ষা মহোদয়া, আপুনি এই কথাও জানে যে আমাৰ চৰকাৰ গঠন কৰাৰ সময়ত কোকৰাঝাৰত গোষ্ঠীগত সংঘৰ্ষ হৈছিল। হাজাৰ হাজাৰ গৃহহাৰা হৈছিল। ৰিলিফ দিবলগীয়া হৈছিল। অসমৰ পৰা মুখ্যসচিব, ডি. জি. পি. পলাই গৈছিল। গতিকে তেনেকুৱা এটা অৱস্থাৰ অৱসান ঘটিছে। এই কথাও ৰাজহুৱাভাৱে উৎথাপিত হৈছিল যে কংগ্ৰেছ সাম্প্ৰদায়িক সংঘৰ্ষৰ ভিতৰত আছে। আমাৰ যেতিয়া সেই সময়ত বিধান সভাৰ উপাধক্ষ্য মাননীয় নুৰুল হুচেইন ডাঙৰীয়াৰ লগত কোকৰাঝাৰলৈ গৈছিলো আৰু ঠাইবোৰ পৰিদৰ্শন কৰিছিলো। আমাৰ লগত অৱশ্যে কংগ্ৰেছৰ সদস্যও আছিল। আমি যেতিয়া বিভিন্ন মানুহক লগ কৰিছিলো তেতিয়া বহুতে এই অভিযোগ দিছিল কংগ্ৰেছ ইয়াৰ পিছত আছে। আমাৰ চৰকাৰৰ চাৰে চাৰি বছৰীয়া কাৰ্যকালত কোনো সাম্প্ৰদায়িক সংঘৰ্ষ হোৱা নাই, গোষ্ঠীগত সংঘৰ্ষ হোৱা নাই। চৰকাৰৰ এইটো এটা ডাঙৰ সফলতা। সঁচা কথা যে আমাৰ চৰকাৰে বিত্তীয় সংকটৰ বাবে পৰিকল্পিত উন্নয়নৰ ক্ষেত্ৰত যথেষ্ট সমস্যাৰ সন্মুখীন হৈছে। ভাৰত চৰকাৰৰ বহুতো বিত্তীয় প্ৰতিষ্ঠানৰ পৰা পূৰ্বৰ চৰকাৰে বহুতো ধাৰ লৈছিল। সেইবিলাক ঋণ পৰিশোধ কৰিব লগা হৈছিল। এই কাম আমাৰ চৰকাৰে কৰিছে। সেইবোৰ উত্তৰাধিকাৰীসূত্ৰে পোৱা। এতিয়া কংগ্ৰেছ সদস্যই ভাষণত কৈছিল। অগপ চৰকাৰৰ দিনত ৰাজ্যখনৰ বিত্তীয় অৱস্থা কেনেকুৱা লাওঁ লোৱা হৈছিল চৰকাৰী চাকৰিয়ালক দৰ্মহা দিব পৰা নাই। কিন্তু এই অৱস্থা হ'ল কেনেকৈ? পূৰ্বতে যদি যধে মধে নিযুক্তি নিদিলেহেঁতেন কিছুমান অপকৰ্মত লিপ্ত নহ'লহেঁতেন বিত্তীয় শৃংখলা আনিবৰ কাৰণে এনে অৱস্থাই দেখা নিদিলেহেঁতেন। আমাৰ চৰকাৰৰ কাৰ্যকালত পূৰ্বতকৈ অধিক ৰাজহ সংগ্ৰহ

কৰিব পৰা হৈছে। আগতেও ৰাজহ সংগ্ৰহৰ প্ৰক্ৰিয়াটোকে আছিল যদিও বেছিভাগ টকাই ৰাজ ভড়াললৈ নাহিছিল। সেই সময়ত চৰকাৰৰ মন্ত্ৰী বিধায়কৰ পকেটলৈ গৈছিল। সেই সময়ত অভিযোগ পোৱা গৈছিল। আমাৰ চৰকাৰৰ দিনত ৰাজ্যখনৰ দ্ৰুত উন্নয়নৰ কাৰণে গৰুত্ব পূৰ্ণ আঁচনি চিনাক্ত কৰা হৈছে। পূৰ্বৰ চৰকাৰৰ দিনত যিবিলাক বহু কোটি টকা খৰছ কৰি জলসিঞ্চনৰ ডাঙৰ ডাঙৰ আঁচনি লৈছিল এতিয়া সেই আঁচনি বিলাক মেৰামতিৰ অভাৱত সম্পূৰ্ণ বিফল হৈছে। এই কথা নিশ্চিত হৈছে যে এনেধৰণৰ আঁচনি আমাৰ ইয়াত সফল নহয়। আমাৰ চৰকাৰৰ দিনত কৃষি বিভাগৰ জৰিয়তে ১৯৯৯-২০০০ চনত নাবাৰ্ডৰ পৰা লোৱা পূজিৰে ৩০ হাজাৰ নলী নাদ বহুৱা হৈছে। এ আৰ আই এ এছ পি ত ১৯৯৯ - ২০০০ চনত ১৫ হাজাৰ নলী নাদ বহুৱা হৈছে। তাৰ ফলত ৰাজ্যখনত ধানৰ উৎপাদন ৩৮.৬১ লাখ টনলৈ বৃদ্ধি হয়। ইয়ে ৰাজ্যখন অৰ্থনীতিত বৰঙণি যোগাইছে। সমৃদ্ধ কৃষক যোজনা আঁচনিৰ অধীনত ২০০-২০০১ চনৰ ৭০ হাজাৰ অগভীৰ নলী নাদ বহুৱাৰ বিপৰীতে ৫৫.১০০ অগভীৰ নলী নাদ বহুৱা হৈছে। ইয়াৰ ফলশ্ৰুতিত আমাৰ ৰাজ্যখন প্ৰথম বাৰৰ বাবে ৰাজ্যবোৰৰ ভিতৰতে ধান উৎপাদনত ৰাহি ৰাজ্য হিচাপে পৰিগণিত হৈছে। আমি ধান উৎপাদনত স্বাৱলম্বী হব পাৰিছো। আমাৰ চৰকাৰৰ ই ডাঙৰ কাম। কংগ্ৰেছে ৰাজ্যখন ৪৩ বছৰ ধৰি শাসন কৰিছিল কংগ্ৰেছে এনে ধৰণৰ আঁচনিত গুৰুত্ব আৰোপ কৰা নাছিল অসম এখন কৃষি প্ৰধান ৰাজ্য। তেতিয়াই এনে ব্যৱস্থা কৰা হলে আমাৰ ৰাজ্যখন বহু আগবাঢ়ি গ'ল হেতেন।

মাননীয়া উপাধ্যক্ষা মহোদয়া, এই কথা নিশ্চিত যে গুৱাহাটী যদিও পূৰ্বাঞ্চলৰ গে'টৱে বুলি কোৱা হয় তেতিয়াও মহা নগৰৰ উন্নতিৰ কাৰণে কোনো চৰকাৰে কোনো ভাল আঁচনি গ্ৰহণ কৰা নাই। ৰাস্তাঘাট নলা-নৰ্দমাৰ অৱস্থা নাই। ফ্লাই অভাৰৰ দাবী উৎথাপিত হৈছিল সেইবিলাকত কাণসাৰ দিয়া হোৱা নাছিল। আমাৰ চৰকাৰৰ দিনতে ফ্লাই অভাৰ সম্পূৰ্ণ হোৱাৰ পথত ১১ খন দলং নিৰ্মান কৰিবলৈ লোৱা হৈছে। নৰ্দমা ঠিক কৰা হৈছে। আটাইতকৈ ডাঙৰ কথা হৈছে নিৰ্বাচনৰ সময়ত যেতিয়া গুৱাহাটীলৈ অহা যোৱা কৰিছিলো ৰাষ্ট্ৰীয় ঘাইপথৰ এনেকুৱা অৱস্থা আছিল বহু ঘন্টা সময়ৰ

প্ৰয়োজন হৈছিল। এতিয়া আগতকৈ বহু ঠিক হৈছে। সেই সময়ত অভিজ্ঞতাৰ পৰা জানিছো এতিয়া গুৱাহাটীৰ পৰা উজনি অসমৰ ডিব্ৰুগড়লৈ বা অন্য ঠাইলৈ যাওঁতে বহু কম সময়ৰ প্ৰয়োজন হৈছে।

মাননীয়া উপাধ্যক্ষা মহোদয়া অসম চুক্তি ৰূপায়ণৰ ক্ষেত্ৰত একো কৰা নাই বুলি কংগ্ৰেছ দলে হৈ হাল্লা কৰি আছে। দেখা গৈছে যে অসম চুক্তি ৰূপায়ণৰ ক্ষেত্ৰত কংগ্ৰেছেই বাধা বা হেঙাৰ স্বৰূপ হৈ পৰিছে। ৰাজ্য চৰকাৰৰ প্ৰবল হেচাত কেন্দ্ৰীয় চৰকাৰে এই ক্ষেত্ৰত কিছু কাম নকৰাকৈ থকা নাই। অবৈধ প্ৰবজন বন্ধ কৰাৰ বাবে সীমান্ত অঞ্চলত কাইটীয়াতাৰৰ বেৰ দিছে। সংখ্যালঘু সকলৰ যাতে হাৰাশাস্তি নহয়, তাৰ কাৰণেও আমাৰ চৰকাৰে লক্ষ্য ৰাখিছে। আবৈধ প্ৰবজন আইন ১৯৮০ চনৰ মতে যি ভাষা-ভাষীয়েই নহওক যি সকল অসমত আছে তেওঁলোকে অসমতে থাকিব। যিহেতুকে কংগ্ৰেছৰ ভোট বেংকৰ ওপৰত চকু সেইবাবে তেওঁলোকে নানা ধৰণৰ কথা কৈছে। অসমৰ থলুৱা লোকসকলৰ সাংস্কৃতিক বৈশিষ্ট্যৰ উন্নয়ন সাধনৰ ওপৰত আমাৰ চৰকাৰে গুৰুত্ব আৰোপ কৰি ৰাইজৰ বাবে শংকৰদেৱ কলাক্ষেত্ৰ মুকলি কৰিছে। জ্যোতি চিত্ৰবন ফ্লিম ষ্টুডিঅৰ পুনৰ আধুনিকীকৰণৰ কাম ইতিমধ্যে সম্পূৰ্ণ হৈছে। গেছক্ৰেকাৰ প্ৰকল্প কাম সোনকালে আৰম্ভ কৰাৰ বাবে প্ৰযোজনীয় কাৰ্য্যব্যবস্থা হাতত লোৱা হৈছে। অশোক পেপাৰ মিল পুনৰ কাৰ্যক্ষম কৰি তোলাৰ বাবে প্ৰয়োজনীয় ব্যৱস্থা লৈ কাম চলাই থকা হৈছে। অসম চুক্তি ৰূপায়ণৰ ক্ষেত্ৰত আমাৰ চৰকাৰে আন্তৰিকতাৰে সৈতে চেষ্টা কৰিছে। হস্ত তাত আৰু বস্ত্ৰ শিল্পৰ ক্ষেত্ৰত আমাৰ চৰকাৰে গুৰুত্ব আৰোপ কৰিছে। উপাধ্যক্ষা মহোদয়া আপুনি জানে যে বহুতো মানুহে নিজ নিজ ঘৰতে তাত শাল ৰাখি কোনো বৃত্তি হিচাবে নকৰি ঘৰতে বোৱা কটা কৰে কিন্তু বাণিজ্যিক ভিত্তিত নকৰে। মাদ্ৰাজৰ পৰা গামোচা আনি আমি গামোছা লওঁ। এতিয়া আমি গামোছা আনিব নালাগে কাৰণ আৰ্টফেদে ১০০ কোটি টকাৰ সামগ্ৰী ৰপ্তানী কৰাৰ ব্যৱস্থা কৰিছে। তাৰাপৰি সোনালী সূতাৰ প্ৰকল্প অসমৰ ৭খন জিলাত আৰম্ভ কৰা হৈছে। অসমৰ মাটি চুবুৰীয়া ৰাজসমূহৰ মানুহে দখল কৰাটো নতুন কথা নহয়। মোৰ

সমষ্টিতে মেৰাপানীত আগতে যিবিলাক ঘটনা হৈছিল কটা মৰা, ঘৰ জ্বলোৱা আদি এতিয়া তেনে ধৰণৰ ঘটনা হোৱা নাই। শান্ত পৰিবেশ তাত আছে। কংগ্ৰেছ দলেও দিছপুৰ আৰু দিল্লীৰ লগত আলোচনা কৰি এই সদস্য বিলাকৰ সমাধান কৰিব পাৰিলেহেঁতেন। আজি আমাৰ চৰকাৰ আদালতৰ কাষ চাপিছে। আজি দৈয়াং অঞ্চলত যিসকল লোকে বিভিন্ন ঠাইৰ পৰা আহি বসবাস কৰি আছে তেওঁলোকক মাটিৰ পট্টা দিয়াতো সমিচীন হব। কাৰণ কিবা কেচ এটা হলেও তেওঁলোকে জামিন লব নোৱাৰে। কাৰণ তেওঁলোকৰ মাটি নিজা নহয়। আমি আগতেও এই সদনত বহুবাৰ কৈছো যে, মানুহবিলাকক মাটিৰ পট্টা দিব লাগে। কাৰণ তাত পঞ্চায়ত ব্যৱস্থা আছে বিভিন্ন উন্নয়ণৰ বিভাগ আছে আৰু সেইবিলাকৰ জৰিয়তে বৃহৎ এলেকাত কাম কাজ চলিছে। গহপুৰৰো একে অৱস্থা। গতিকে মাননীয় মুখ্যমন্ত্ৰী মহোদয়ক অনুৰোধ কৰো যাতে তেওঁলোকক সোনকালে লেণ্ড হল্ডিং চাৰ্টিফিকেট দিয়াৰ ব্যৱস্থা কৰে। কেন্দ্ৰীয় চৰকাৰক হেচা দি হলেও ফৰেষ্ট ভিলেজ বিলাক ৰেভিনিউ ভিলেজলৈ কনভাৰ্ট কৰিব লাগে। চুবুৰীয়া ৰাষ্ট্ৰসমূহৰ সৈতে ব্যৱসায় বাণিজ্যৰ উন্নয়ন সাধন কৰিবলৈ আমাৰ চৰকাৰে গুৱাহাটীত থকা বিমান বন্দৰটিক এটা আন্তৰ্জাতিক বিমান বন্দৰ হিচাবে ইতিমধ্যে ঘোষণা কৰিছে আৰু বাহিজগতৰ সৈতে বাণিজ্যিক বিকাশ সাধন কৰিবলৈ প্ৰচেষ্টা চলাই আছে। এইটো হলে ব্যৱসায় বাণিজ্যৰ এটা নতুন দিশ উন্মোচিত হ'ব। অনুসূচিত জাতি অনুসূচিত জনজাতি আৰু পিচপৰা শ্ৰেণীৰ কল্যাণৰ কথা ৰাজ্যপালৰ ভাষণত উল্লেখ কৰিছে। আমাৰ চৰকাৰেও এই লোক সকলৰ কল্যাণৰ বাবে অগ্ৰাধিকাৰ দিছে। অসমৰ কোঁচ ৰাজবংশী, আহোম, চুতীয়া, মৰাণ মটক চাহ আৰু প্ৰাক্তন চাহ সম্প্ৰদায়ৰ লোক সকলক আৰু লগতে ভৈয়ামৰ কাৰ্বি লোক সকলক অনুসূচীত জনজাতি তালিকাভূক্ত কৰিবৰ কাৰণে আমাৰ চৰকাৰে প্ৰচেষ্টা চলাই আছে। উপাধ্যক্ষা মহোদয়া ৰাজ্যপালে ভাষণ দিবলৈ লওঁতেই কংগ্ৰেছ দলে যথেষ্ট চিঞৰ বাখৰ কৰিছে। গুদ বাই, এ জি পি বুলিও কৈছে। কংগ্ৰেছক আমি ভদ্ৰ বুলি নাজানো। তেওঁলোকে আমাক জোকাই চাইছে মোৰ বিশ্বাস আমি আকৌ চৰকাৰ গঠন কৰিম। আৰু ৰাজ্যপাল মহোদয়ে যিবিলাক কাম ৰূপায়ণ কৰাৰ বাবে আহ্বান দিছে সেই

বিলাক কাম ৰূপায়ণ কৰাত আমাৰ চৰকাৰ দলবৰ্দ্ধভাৱে প্ৰতিশ্ৰুতি বদ্ধ। মই ৰাজ্যপালৰ ভাষণৰ ওপৰত অনা প্ৰস্তাৱৰ সমৰ্থন জনাই মোৰ বক্তব্য সামৰিলো।

**Madam Deputy Speaker :** Hon'ble Member, Shri Bimolangshu Roy.

* **Sri Bimolangshu Roy :** Hon'ble Deputy Speaker Madam, I am happy that I have been allowed to speak on the Governor's address. We cannot agree with the address presented by the Governor before the House and could not find anything new from this address. Governor in his address in the later portion has given an idea about the future plan and programmes of the Government, But it would not find anything that this present Government could implement these projects or schemes. Governor in his address mentioned that under the Chief Minister's 'Swaniyojan Yojana' 7 lakhs Employment opportunities could be provided by 31st March, 2002. We all know how the present Government is running, So, any scheme if implemented after the tenure of this Government may not be fruitful and there is no positive result.

Vision 2025 is a very good document. But 2025 is far ahead. So, I could not find any encouraging trend from this address. The Assam Government is facing an acute financial crisis. 70% of the Revenue of the Government is going to wards the payment of salaries and 30% left is utilised for the developmental works and security related expenditure. We are happy that the Central Government is re- imbursing the security related expenditure of the State Government.

---

* Speech not corrected

Previously there was no re-imbursement of security related expenditure from the Centre and that is why the financial position of the state has become very acute. We have seen in the Governor's report that per capita income of the people of Assam had gone far below as compared with the per capita income of the average year. So, the picture projected is not encouraging but very grave. In the meantime, earlier more then 17 lakhs unemployed registered their nemes in the different Employment Exchanges of Assam. But there is nothing in the Governor's address to solve this acute problem of umemployment faced by this State. It is further, more unfortunate when we find alomst in all the districts of the State, some LP teachers have been appointed barring the Cachar district, though, in Cachar more then 600 posts of LP teachers are lying vacant. But Cachar had been singled out for not giving employment which I do not understand. A Committee was formed headed by a Cabinet Minister of a district. But why the Government has failed to give any employment? I do not understand why this discrimination? We Know that the Congress regime was of corruption and the Prime Minister of Congress Government was to be convicted and imprisoned for two years. What people can expect from the Congress Government ? The people expect that under the regime of the present Government there will be no corruption. But we are sorry to say that the things have not been changed. The work culture of the employees have been totally destroyed. There is no mention in the Governor's addres. We find that when the money is to be released or fund is to be released sometimes 5 percent and some times 10 percent is charged. That is very very unfortunate. In the arena of Rural Development, we know that this is the only department where Central Government

is advancing huge finance and if we compare to other States, the Rural Development department is depending on the Rural Development of our State. We find we have not been able to get even the first instalment of the EAS Scheme whereas other States are getting two and three instalments and it is a great failure. I remember, Shri Hemen Das, a dissident leader is also present today, when we find that the state of Andhra Pradesh where many of the central schemes are implemented. But here we are afraid that our economy is depending upon the agriculture and the Central Government has declared two schemes for the development of the agriculturist. One is kisan Credit Card another is Group Insurance scheme. If any of the groups is demaged by flood or by natural calamities or otherwise when the group is insured, the agriculturist is missing full compensation .

But the fate of this scheme in our State is that ther is no mention at all about it. But in other States we have seen that they are taking full benefit of this scheme. If our bank is not co-operating totally we will not be able to get it. In the case of rural development again I Must say that money of IAY were sanctioned and Central Govt,. decided to construct 25 lakhs of IAY houses every year. But in our place we have seen that we have not been able to get the schemes because of the faulty policies of the State Govt. The entire materials of the IAY are to be supplied by the Rural Development Deptt. Authorities at Guwahati and from there CI sheets. cement, rods etc are to be sent to the different districts in which the schemes which are sanctioned in the meeting of the Governing Body could not be supplied. In Cachar, I remember, atleast 18 members of the Governing body have to take a decission of resignation

from the Governing body because, for the last two years materials could not be supplied from the Government here. The Government have not been able to rectify these machineries and activate the people to make simple the procedure for speedy implementation of the scheme also.We have seen that the State Govt is facing financial cricis. The law and order definitely to some extent has improved. I do not dispute it. But yesterday also in Haflong eight Jawans have been killed by the extremists and on many occasions I spoke in this House. I remember to have mentioned that the Deputy Commissioners are to pay 10% of their pay to the extremists. But unfortunately, we have not been able to contain this extremists activities. One Sri Ranjan Roy Choudhury Assistant Engineer of the Assam State Electricity Board was kidnapped at Howraghat from his residence on 16.2.2000. But even today after a lapse of more than one year he could not be traced out. In the meantime, we have seen that new militant outfits in the name of Kamatapur Demand Committee have started agitation. We all know that the entire North Eastern region of India is very narrow near Siliguri which is called " Chicken neck' is cut off then the entire North Eastern States of India will be cut off from the rest of the Country. This Kamatapur Movement is very serious type of movement and if we do not contain this vital part of this North Eastern State and cannot take any stern action against these group of militants, I am afraid, the day may come when this part of the country may be separated from the rest of the country. ISI activities have also increased considerably though our Government, have taken some steps. In the last Assembly Session our Hon'ble Chief Minister had presented a report on the activities of the ISI.

We find even now the ISI activities have been continued. We have seen that in the year 1992 December series of communal disturbances occured in different parts of the Nagaon where hundred of innocent people of majority community were killed and for which Government was pleased to set up a Commission in the name of Pathak Commission and I understand that the Pathak Commission has already submitted his report and in this report I understand that several political leaders including Ex-Ministers were indicated by the officials but unfortunately this report could not be published. I do not know why this report could not be published although many political leaders including Ex-Ministers were shown actively participated in the mass killings. We do not find anything in the Governor's Report regarding development. We have seen that diffirent funds sanctioned by the NEC are not released by the respective departments for implementation of different development work and I can refer one instance where NEC has sanctioned an amount of Rs. 8 crores for development of Silchar Kalain road but because of the ban imposed by the Finance Department, this money could not be released. Had the fund been released in time the development work could have been taken in time. The people are agitating for a long time but unfortunately although the money have been sanctioned by the NEC but because of the ban put by the Finance Department, the development works could not be taken up. So, I draw the attention of the Hon'ble Chief Minister in this regard and I believe that he would definitely look into the matter and see that the fund is released. The Barak Valley is connected with only one road viz, Jowai Badarpur road Via Sonapur. Last year, the road was closed for three times and after the Assembly Session, we could not go back

to our costituencies and I referred this matter in the last Assembly Session also. But unfortunately, the situation has not been improved and I am afraid that this time also we will not be able to go back to our constituencies as the rainy season is off. The condition of the Silchar Haflong road is far more worse and the extremist activities in this area has increased because of bed road communication. As you know very well yesterday ( 08-02-2001) the police personnel were killed and who knows how many persons will be killed in future. So, maintaining this type of extremist activities also the roads should be improved and the Jawans should be allowed to move freely and unless we do the developmental works for improvement of the road I am afraid, that our Jawans will not be able to take drastic action against the extremists. Everybody knows secret killings are going on in the state and who knows the law and order position will be improved in Assam. So from the address of the Hon'ble Governor, I really did not find anything encouraging for the greater interest of the people of Assam and it is going to be wores day by day .

With these few words, I conclude my speech.

* শ্ৰীডেৰহাগ্ৰা মুছাহাৰী ঃ মাননীয়া উপাধ্যক্ষা মহোদয়া, মোৰ ক'বলগীয়া বহুতো আছে যদিও মই অতিচমুকৈ কম। মহামান্য ৰাজ্যপালৰ ভাষণৰ ওপৰত মই কবলৈ থিয় হৈছো। কাৰণ চৰকাৰে পিছপৰা অনুসূচীত লোক সকলৰ কাৰণে আৰু তেওঁলোকৰ উন্নয়নৰ কাৰণে বহুতো আঁচনি হাতত লৈছে। বুলি

* Speach not corrected

ৰাজ্যপালৰ ভাষণত লিখিত ভাবে উল্লেখ কৰিছে কিন্তু উল্লেখ কৰা যিবিলাক আঁচনিৰ কথা কোৱা হৈছে সেইবিলাক প্ৰকৃতপক্ষত কাৰ্যকৰী হৈছে নে নাই সেইটো ভবাৰ থল আছে আজি বিভিন্ন ঠাইত অসমৰ এই দূৰ্ভগীয়া লোকসকলক জীয়াই থকাতো এটা ডাঙৰ প্ৰশ্ন হৈ পৰিছে।, এই লোক সকলৰ জীৱনৰ নিৰাপত্তা দিব নোৱাৰাৰ কাৰণে সেই সকল লোকে অনাই বনাই ঘূৰি ফুৰিব লগীয়া হৈছে। তেওঁলোকে নিজৰ সংস্থাপন বিচাৰি ঘূৰি ফুৰিছে। কিন্তু চৰকাৰৰ ফালৰ পৰা তেওঁলোকৰ প্ৰতি যি মনোযোগ দিব লাগিছিল সেইখিনি দিয়াৰ কাৰণে চৰকাৰৰ যেন সময় নোহোৱা হৈছে তেনেহে অনুমান হয়। অসম অৰুণাচল আৰু অসম মেঘালয় সীমান্তত এইলোক সকলে যুগ যুগ ধৰি বসতি কৰাৰ পিছতো এই লোক সকল বছৰি বহুবাৰ উচ্ছেদিত হ'ব লগীয়া হৈছে, এই বিষয়ত মই কেবাবাৰো বিধান সভাৰ মজিয়াত কৈ আছো যে এই লোক সকলক নিগাজীকৈ থকাৰ কাৰণে মাটি পট্টন দিব লাগে। ঘৰ-বাৰী নোহোৱাৰ কাৰণে এইলোক সকলে জীয়াতু ভূগিবলগীয়া হৈছে। আটাইতকৈ ডাঙৰ কথা হৈছে এই খিনি মানুহ ভোটাৰ তালিকাৰ পৰা বঞ্চিত হ'ব লগীয়া হৈছে তেওঁলোকৰ নাম ভোটাৰ তালিকাত অন্তৰ্ভুক্ত হোৱা নাই। কেন্দ্ৰীয় চৰকাৰৰ নীতি অনুযায়ী ডি আৰ. ডি এত যিবিলাক আঁচনি আবন্টন দিয়া হৈছে সেইবিলাক জনসংখ্যাৰ গাঁঠনি অনুযায়ী আবন্টন দিয়া হয় তেনেহলে এই খিলঞ্জিয়ালোক সকল ভোটাৰ তালিকাৰ পৰা যদি বাদ পৰাৰ লগতে এই সুবিধা বিলাকৰ পৰাও বঞ্চিত হ'ব। গতিকে এইযে লাখ লাখ লোক ভোটাৰ তালিকাৰ পৰা বঞ্চিত হৈছে সেই বিষয়টো চৰকাৰে চকু দিয়া উচিত আছিল। এওঁলোকৰ নাম ভোটাৰ তালিকাত সন্নিবিষ্ট কৰাৰ কাৰণে বিশেষ ভাবে নজৰ দিব লাগিছিল। ইয়াৰ লগতে এটা কথা কব বিচাৰিছো সেইটো হল ১৯৯৩ চনতে বড়ো অটনমাচ কাউন্সিল সৃষ্টি হোৱাৰ পাচত আজি ২০০১ চনলৈকে ইয়াৰ নিৰ্বাচন অনুষ্ঠিত নহল। যোৱা বছৰ অসম চৰকাৰে নিৰ্বাচন অনুষ্ঠিত কৰিব বিচাৰিছিল কিন্তু এপ্ৰিলৰ ১৭ তাৰিখে বি/এ চিৰ যিটো ইন্টেৰিয়াম বডি আছিল সেইটো

ভঙ্গ কৰা হ'ল আৰু সমাজকল্যাণ বিভাগৰ মন্ত্ৰীৰ হাতত অৰ্পণ কৰা হ'ল। এডভাইজৰী বোৰ্ডৰ হাতত দায়িত্ব ন্যস্ত কৰা হ'ল। তাৰ পাচত সন্মানীয় হাইকোৰ্টৰ ওচৰত আবেদন নিবেদন কৰাৰ পাচত যোৱা ১৭ জানুৱাৰী ২০০১ ত হাইকোৰ্টে ৰায় দান দিলে ইন্টেৰিয়াম কাউন্‌চিলত এডভাইজাৰীবোৰ্ডৰ ক্ষেত্ৰত ডিভিজন নাই। তাত মুখ্যমন্ত্ৰী কাৰ্যবাহী বি, এ চিৰ হব লাগে। চৰকাৰৰ ফালৰ পৰা ৪ তাৰিখে মুখ্য মন্ত্ৰীৰ লগত আলোচনা হ'ল সেই আলোচনা মৰ্ম্মে মাননীয় সদস্য কনকেশ্বৰ নাজৰীকে মুখ্য কাৰ্যবাহী হিচাবে গ্ৰহণ কৰা হ'ল। তেখেতে মুখ্য কাৰ্য্যবাহী হিচাবে অফিচত বহাৰ পাচতেই বড়ো অট'নমাচ কাউন্সিলৰ প্ৰিন্সিপাল চেক্ৰেটাৰীয়ে বি. এ চিৰ যিমান বিলাক সদস্য আছিল তেওঁলোকৰ কোঠাত তলা লগাই দিলে, সেই বিষয়টো বোধহয় এতিয়াও চৰকাৰৰ অবগত হোৱা নাই। আচৰিত কথা মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ লগত বিস্তৃত ভাবে আলোচনা হোৱাৰ পাচত যেতিয়া মুখ্য কাৰ্যবাহীয়ে দায়িত্ব ভাৰ ললে তেতিয়া কেনেকৈ এই প্ৰিন্সিপাল চেক্ৰেটাৰী জনে চৰকাৰৰ নিৰ্দ্দেশ অৱমাননা কৰিব পাৰে এইজন প্ৰিন্সিপাল চেক্ৰেটাৰীয়ে বড়োলেণ্ডৰ অকল বড়ো সকলক নহয় বড়োলেণ্ডত থকা সকলো বিলাক জনগোষ্ঠীকে অপমান কৰিছে আৰু অসম চৰকাৰকো অপমান কৰিছে এনে ধৰণৰ কৰ্মচাৰী এই পদত থকাৰ উপযুক্ত হব নোৱাৰে।

* **শ্ৰীহেমেন দাস ঃ** মাননীয়া উপাধ্যক্ষা মহোদয়া, মই অহাকালি অংশ গ্ৰহণ কৰিম বুলি ভাবিছিলো। কিন্তু বিৰোধী দলৰ সদস্যৰ অনুপস্থিতিত যিহেতু অন্য সদস্য অংশ গ্ৰহণ কৰোতা নাই গতিকে মই আপোনাৰ পৰা আহ্বান পাই দুআষাৰমান কথা কবলৈ ওলাইছো। এইতো বেছি সময় কব নোৱাৰিলোহেঁতেন কাৰণ মোৰ এক-ডেৰ মিনিটমানহে আছিল। এইবাৰ অলপ বেছিকৈ কবলৈ সময় পাইছো। তাৰ কাৰণে আপোনাক ধন্যবাদ জনাইছো। প্ৰথমতে মই এটা সংশোধনী দিব বিচাৰিছো। ৰাজ্যপালৰ ইংৰাজী ভাষণত

---

* Speach not corrected

৩ পৃষ্ঠাৰ শেষৰ পৰা চতুৰ্থ লাইনত আছে Total of 328 militants were killed ইয়াত বছৰটোত মুঠ ৩২৮ জন উগ্ৰপন্থীৰ এনে অভিযানত মৃত্যু হৈছে। কিলড্ শব্দটোৰ অৰ্থ মৃত্যু হব নোৱাৰে। মৃতুৰে বেলেগে অৰ্থ বুজায়। কিলড উগ্ৰপন্থী হত্যা। হত্যা কেতিয়াও মৃত্যু হব নোৱাৰে। ৩২৮ উগ্ৰপন্থী হত্যা কৰা হৈছে। আমি কাক হত্যা কৰি আনন্দিত হও যুদ্ধত যেতিয়া শত্ৰু সৈন্যক হত্যা কৰা হয় আৰু প্ৰচাৰ কৰা হয় যে ইমান শত্ৰুসৈন্য হত্যা কৰা হৈছে তেতিয়া আমি আনন্দিত হওঁ। কিন্তু উগ্ৰপন্থী বা যিয়েই নহওক আমাৰ ৰাজ্যখনৰ ল'ৰা বা যুৱকক হত্যা কৰাটোত আমি আনন্দিত নহও। ভুলপথে পৰিচালিত হৈ বা সন্ত্ৰাসবাদী কাৰ্যত জড়িত হৈ তেওঁলোক নিহত হৈছে এইটো অত্যন্ত পৰিতাপৰ কথা আৰু সমস্যাটো আছে তাতেই। আজি আমাৰ ৰাজ্যখনত উগ্ৰপন্থী নিহত হৈছে। কিন্তু কালি উগ্ৰপন্থীয়ে কেইজন মানুহক হত্যা কৰিছে সেই তথ্যটো দিলে ভাল আছিল। উগ্ৰপন্থীক হত্যা কৰা হৈছে এইটো গৌৰৱৰ বিষয় নহয়। এই ক্ষেত্ৰত মই গৌৰৱ নকৰো, কিন্তু উগ্ৰপন্থীয়ে কিমান জন লোকক হত্যা কৰিছে? পুলিচ আত্মসমৰ্পণকাৰী উগ্ৰপন্থীয়ে সংখ্যালঘু সম্প্ৰদায়ৰ মানুহ কেইজনমান আৰু আন আন মানুহ কেইজনমানক হত্যা কৰিছে। এই বিলাক তথ্যও দিব লাগে। বিভিন্ন উগ্ৰপন্থীক হত্যা কৰাৰ তথ্য দিব। কিছুমানে স্বাধীন অসম বিচাৰিছে, কিছুমানে স্বাধীন বড়োলেণ্ড বিচাৰিছে আৰু কিছুমানে কি বিচাৰিছে তাকো কব নোৱাৰে। যোৱা শুক্ৰবাৰে বি, টি. এফে এজনক অপহৰণ কৰি লৈ গ'ল। কিন্তু তিনিদিন পিছত ধাননী পথাৰত মৃতদেহটো পোৱা গ'ল। কোনে মাৰিলে বঙালী উগ্ৰপন্থী সংগঠন বি, টি এফে মাৰিলে। তেওঁলোকৰ উদ্দেশ্য তেওঁলোকে নিজে নেজানে। গতিকে ৰাজ্যখনত এইটো এটা ডাঙৰ সমস্যা হৈছে। বিভিন্ন ধৰণৰ উগ্ৰপন্থীয়ে বিভিন্ন ধৰণৰ হিংসাত্মক কাম কৰি বহুতো নিৰীহ মানুহক হত্যা কৰি আহিছে আৰু এই হত্যাৰ অৱসান নোহোৱালৈকে ৰাজ্যখনৰ উন্নতি নহয়। আমি আহ্বান জনাইছো তেওঁলোকে আলোচনাৰ মেজলৈ আহিব লাগে। তেওঁলোকক আলোচনাৰ মেজলৈ অনাৰ বাবে আমি সকলোৰে আহ্বান জনাই আহিছো। এইটো আমাৰ সকলোৰে কৰ্তব্য। আলোচনা নোহোৱাকৈয়ো বহুতো ল'ৰাই আত্মসমৰ্পণ কৰাটো কিছুমানে ভুৱা

বুলি ঠাট্টা কৰে। বহুত ল'ৰাক মই সুধিছিলো যে তোমালোকে কিয় আত্ম সমৰ্পণ কৰিছা। তেতিয়া তেওঁলোকে কৈছিল ভাল নেলাগে। মই আকৌ সুধিছিলো, ভাল যদি নেলাগে কিয় গৈছিলা? তেওঁলোকে কৈছিল কিবা পাম বুলি গৈছিলো। কিন্তু তাত নীতি-নিয়ম একো নাই। এই সমৰ্পণকাৰী উগ্ৰপন্থী সকলক কামত ব্যৱহাৰ কৰিব লাগে। স্বাভাৱিক জীৱন-যাপন কৰিবলৈ যিবিলাক লৰা ওলাই আহিছে বেছেৰা হঁতক সেই স্বাভাৱিক জীৱন-যাপন কৰিবলৈ সুযোগ দিব পৰা নাই। বেচেৰাহঁতে ঘৰত থাকিব নোৱাৰে আৰু ৰাতি শুব নোৱাৰে। কাৰণ তেওঁলোক যি উগ্ৰপন্থী দলত আছিল সেই উগ্ৰপন্থী দলৰ সদস্যই তেওঁলোকক ৰাতি নিবলৈ আহে। এই আত্মসমৰ্পণকাৰী যুৱক সকলৰ প্ৰতি কিবা ব্যৱস্থা কৰিব লাগে। ভাৰত চৰকাৰে একো কৰিব নোৱাৰো বুলি কলেই নহব। পূৰ্বাঞ্চলৰ উগ্ৰপন্থীয়ে যি চলায় সেই ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰ যে একেবাৰে ধোৱা তুলসীৰ পাত সেইটো মই বিশ্বাস নকৰো। কেন্দ্ৰীয় গৃহ মন্ত্ৰী অসমলৈ আহোতে কৈ গল যে যেতিয়ালৈকে তেওঁলোকে হিংসা ত্যাগ নকৰে তেতিয়ালৈকে তেওঁলোকৰ লগত কোনো আলোচনা কৰা নহব। এইটো এটা প্ৰৰোচনামূলক বক্তব্য। যি সকলে মানুহ মাৰি আছে, লুটি আছে সেই সকলৰ লগত কেন্দ্ৰীয় চৰকাৰে আলোচনা কৰিছে। আলফাই আগৰ বহুত চৰ্ত্ত বাদ দি আলোচনাৰ মেজলৈ আহিব খুজিছিল। যি সকলে মানুহ মাৰি আছে লুটি আছে সেই সকলৰ লগত কেন্দ্ৰীয় চৰকাৰে আলোচনা কৰিছে, আলফাই আগৰ বহুত চৰ্ত বাদ দি আলোচনাৰ মেজলৈ আহিব খুজিছিল। কিন্তু তেওঁলোকে হিংসা ত্যাগ নকৰিলে কেন্দ্ৰীয় চৰকাৰে তেওঁলোকৰ লগত আলোচনাৰ মেজত নবহো বুলি কলে। কিন্তু সেই কেন্দ্ৰীয় চৰকাৰেই হিংসা ত্যাগ নকৰাকৈয়ে লালডেঙ্গাৰ লগত আলোচনা কৰিছিল। তেতিয়া হিংসাত্মক কাৰ্যকলাপ চলি আছিল আৰু আলোচনা হৈছিল। তাৰ পিচত মিজোৰাম হৈছে আটাইতকৈ শান্তিপূৰ্ণ ৰাজ্য। উত্তৰ পূৰ্বাঞ্চলৰ উগ্ৰপন্থী কাৰ্য্যকলাপৰ ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰ ধোৱা তুলসীৰ পাত নহয়, তেওঁলোকেও তিনিটা চৰ্তৰ দুটা বাদেই দিছে। কিন্তু তথাপিতো হিংসা ত্যাগ নকৰাৰ কাৰণে আলোচনাৰ মেজত নবহো বুলি কেন্দ্ৰীয় চৰকাৰে কৈছে। এনেধৰণৰ প্ৰৰোচনা মূলক কথাই আমাৰ ৰাজ্যখনত সঠিক ভাবে কাম কাজ কৰাত পৰিস্থিতি

জটিল কৰি তুলিছে। আমি আমাৰ দলৰ পৰাও কৈছো চৰ্তহীন ভাবে আলোচনা কৰিব লাগে। আলোচনাত বহাৰ কাৰণে কোনো চৰ্ত থাকিব নেলাগে। আলোচনাৰ টেবুলত যি উঠে উঠক। মই পুনৰ কৈছো যে আলফাই তিনিটা চৰ্তৰ দুটাই উঠাই লৈছে। কিন্তু হিংসা ত্যাগ নকৰিলে আলোচনা নহয় বুলি গৃহমন্ত্রীয়ে কৈ গ'ল। আলোচনা কৰাৰ ক্ষেত্ৰত কোনো চৰকাৰে এই নীতি লোৱা নাছিল । আমাৰ ইয়াত লৈছে । মই সদনৰ মজিয়াত কব বিচাৰিছো যে কেন্দ্ৰীয় চৰকাৰে এই ভুল দৃষ্টিভঙ্গী ত্যাগ কৰক। উগ্ৰপন্থীৰ বিৰুদ্ধে এনে ধৰণৰ বক্তব্য ৰখাৰ পৰা বিৰত থাকিব লাগে আৰু তেওঁলোকে চৰ্তহীন আলোচনাৰ বাবে আগবাঢ়ি আহিব লাগে। কেন্দ্ৰীয় চৰকাৰে ৰাজহুৱা বিবৃতি দিয়ক যে উগ্ৰপন্থী সংগঠন সমূহৰ লগত চৰ্তবিহীন ভাবে আলোচনাত বহিব ,তেতিয়াহলে আমি কিবা এটা সফলতা পাব পাৰো। নহলে আমি ৩২৮ জন যুৱকক হত্যা কৰি আনন্দিত হোৱাৰ কাৰণ নাই। ক'ৰ মানুহ মৰিছে? এইখন দেশৰেই মানুহ মৰিছে?

মাননীয়া উপাধ্যক্ষা মহোদয়া, কালি বেটেলিয়নৰ মানুহ মৰিছে। তেওঁলোকৰ গাত কি দোষ তেওঁলোকে কৰ্ত্তব্য পালন কৰিছে। উগ্ৰপন্থীৰ লগত কোনে যোগাযোগ কৰিছে. এন. এচ. চি এনৰ লগত সম্পৰ্ক ৰক্ষা কৰিছে কোনে? কেন্দ্ৰীয় চৰকাৰে এন. এচ. চি এনৰ এই সম্পৰ্কৰ কাৰণে অৰুণাচল প্ৰদেশত চৰকাৰে টিকিব নোৱাৰা হৈছে। বেটেলিয়ানো মৰিছে আৰু উগ্ৰপন্থীও মৰিছে। এতিয়া আমি তাৰ পৰা পৰিত্ৰাণ পাব বিচাৰিছো। এইবাৰ সুযোগ আহিছে! আজি অসমত কোনো এজন মানুহ নাই যি জনে উগ্ৰপন্থীৰ বিৰুদ্ধে যোৱা নাই? আজি আবাল-বৃদ্ধ-বনিতা জাগি উঠিছে তাৰ ফলত উগ্ৰপন্থীৰ জনপ্ৰিয়তা কমি আহিছে। ১৯৭৮ চনৰপৰা কৈছো বাংলাদেশ সৃষ্টিৰ পিছত ভাৰতবৰ্ষ পূৰ্বাঞ্চলৰ পৰা বিচ্ছিন্ন কৰাৰ আঁচনি চলি আহিছে। আৰু সেই আঁচনি আছিল অপাৰেচন ব্ৰহ্মপুত্ৰ। আজি সমগ্ৰ অসমৰ মানুহ ওলাই আহিছে। উপাধ্যক্ষা মহোদয়া, অসমৰ নিচিনা ৰাজ্য এখন বিদেশীৰ চৰনীয়া পথাৰত পৰিণত হবলৈ কেতিয়াও দিব নোৱাৰো আজি মুখ্যমন্ত্ৰী, ৰাজ্যপালে অসমত কাটাতাঁৰৰ বেৰ সম্পূৰ্ণ হোৱা বুলি কব পৰা নাই। পাকিস্তানৰ পৰা অহাটোকে বিদেশী বুলি অকল কব নোৱাৰি। আজি অসম

মুক্ত। চাৰিওফালৰ পৰা আহি আছে। এতিয়া আই এম ডি টি এটা ডাঙৰ ইচ্যু উলিয়াইছে। কোনোবাই কৈছে আই, এম ডি টি বাটিল কৰিব লাগে কোনোবাই কৈছে ৰাখিব লাগে। দুটা নিৰ্ব্বাচন গ'ল। বি. জে. পিয়ে কলে বাটিল কৰিব। কিন্তু বিল নানে। এইটো দুয়ো ফালৰে ভোট সংগ্ৰহৰ উপায়। এওঁলোকে কব আমি ৰাখিম আৰু তেওঁলোকে কব আমি বাটিল কৰিম। মূল কথা হ'ল বিদেশী যাতে আহিব নোৱাৰে তাৰ ব্যৱস্থা কৰিব লাগে আৰু থকাখিনি ধৰিব লাগে আৰু বহিস্কাৰ কৰিব লাগে। প্ৰবজন বন্ধ কৰিবলৈ সীমান্ত বন্ধ কৰিব লাগিব নতুৱা কাটা তাঁৰৰ বেৰ সোনকালে দিব লাগিব। গাওঁৰ মুছলমান সকলক সন্দেহ কৰে বিদেশী বুলি। কিন্তু তেওঁলোক নোহোৱাহলে ৰাস্তা ঘাটো নহ'লহেতেন। গাওঁত ল'ৰাবিলাকে কয় ইমান কৰাৰ পিচতো আমাক গ্ৰহণ নকৰে কিয়? তেওঁলোকে বিদেশী বহিস্কাৰ কৰাত সহায়ো কৰে গতিকে এই সমস্যা সমাধান কৰাৰ কাৰণে চৰকাৰৰ কৰ্ত্তব্য বিদেশী বহিস্কাৰ কৰা আৰু সীমান্ত সুৰক্ষা কৰা যাতে বিদেশী আহিব নোৱাৰে। যোগান বিভাগৰ হোকাৰ নিযুক্তি দিয়া বুলি কৈছে। মোৰ সমষ্টিত এটাও হোকাৰ নিযুক্তি দিয়া নাই। উপাযুক্তক কলেও একো নকৰে। মোৰ কথা নুশুনে গতিকে উন্নয়নমূলক কামো হোৱা নাই। পৰহি কৈছে যে ১ মিনিটৰ ভিতৰত ৰাস্তা চাৰিটা বাচি দিয়ক। ১ মিনিটত ৪ ৰাস্তা কেনেকৈ কও। আগতেও আঁচনি নিছিল। ৰাস্তা দিয়াৰ পিচত কলে যে পইচা নাই। শিলচৰত শ্ৰীৰায়ে নিছে আৰু নগাওঁত দিছে। ৰুৰেল লিংক ৰোডত। গতিকে বাকী থকা জিলা বিলাককো টকা দিলে কাম আৰম্ভ কৰিব পাৰে। নিৰ্বাচনৰ সময়ত কাম আৰম্ভ কৰিলে কাম নহব উন্নয়মূলক কামৰ ভিতৰত ৰাস্তা এটা ডাঙৰ কথা গতিকে ক্ষিপ্ৰ গতিত কাম হাতত লব লাগে আৰু টকা মোকলাই দিব লাগে।

মাননীয়া উপাধ্যক্ষা মহোদয়া, মই শিক্ষা বিভাগৰ কথা কবলৈ লৈছো কিন্তু আজি সদনত শিক্ষা মন্ত্ৰীও নাই। আমি মানুহ বিলাকক আশ্বাস দিওঁতে গৈছে। আজি ৪ বছৰ হৈ গল কোনো কাম নহল। চাকৰি দিয়া নহল স্কুল বিলাক প্ৰাদেশিকীকৰণ কৰা নহল কলেজ বিলাকৰ কাম নহল। এই বিভাগটোৰ কাম বিলাক সদায় পিচুৱাই গৈ থাকে। এতিয়া পৰীক্ষাত ৰিভলভাৰ লোৱা

হ'ল। ৰিপিৰ্টাচ পৰীক্ষা পিষ্টল লৈ পৰীক্ষা দিছে। কি কৰিব হেড মাষ্টৰে কলে উপাই নাই মালী চাহবৰ দিনতে এল পি স্কুলত টিউবেল দিয়াৰ কথা আমি লিষ্ট দিলো। ৩ হেজাৰ টকাতে পাইপৰ সৈতে আমি টিউবেল বহাব পাৰো কিন্তু দেখা গৈছে ৪ হেজাৰ টকা বৰিং কৰোতে লাগে। ৪ বছৰৰ আগতে এই বিলাক দিয়াৰ কথা আছিল কিন্তু একো নহ'ল। মই এই বিলাক বিষয় আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিলো।

মই এতিয়া শ্ৰম বিভাগৰ ফালে আহো। শ্ৰম বিভাগৰ মন্ত্ৰী ইয়াত নাই যদিও মই কৈছো যে চাহবাগানৰ শ্ৰমিকে এতিয়ালৈকে ৪৯ টকাৰ মজুৰী নাপালে। ৪৯ টকা দিন হাজিৰা হব লাগে যে সেইটো আজিলৈকে চৰকাৰে নটিফিকেচন দিব পৰা নাই। মিনিমাম ওৱেজৰ ৬০ টকা হৈছে কিন্তু চাহ বাগিছাৰ বনুৱাক ৪৯ টকা দিব পৰা নাই। তেওঁলোকক ৰবিবাৰৰ দৰমহা দিব পৰা নাই। আজি ১৫০ বছৰ হল তেতিয়াৰ বৃটিচৰ যুগৰ আইন চলি আছে। এই বৈষম্য কিয় হৈছে। এইবিলাক যদি এতিয়াও ঠিক নকৰে পিচত কিন্তু মুচকিল হব। তেওঁলোক জাগি উঠিব তেওঁলোকৰ প্ৰাপ্য খিনি দিয়াৰ ব্যৱস্থা কৰক। মই এইখিনিকে কৈ মোৰ বক্তব্য সামৰণি মাৰিছো।

* **শ্ৰীহেমেন্দ্ৰ নাথ ব্ৰহ্ম ঃ** মাননীয়া উপাধ্যক্ষা মহোদয়া, মই মাননীয় ৰাজ্যপালৰ লিখিত ভাষণৰ ওপৰত কিছু কথা কবলৈ বিচাৰিছো আৰু মই চৰকাৰৰ কিছু কথা দৃষ্টিগোচৰ কৰিবলৈ বিচাৰিছো। মাননীয় ৰাজ্যপালৰ ভাষণত চৰকাৰে সফলতা লাভ কৰাৰ কথা কৈছে। কিছু ক্ষেত্ৰত চৰকাৰৰ সফলতা আছে আমি সেইটো অস্বীকাৰ নকৰো, ভাল কাম কৰিলে স্বীকাৰ কৰিব লাগিব। কৃষিৰ ক্ষেত্ৰত মই দেখিবলৈ পাইছো।

মাননীয়া উপাধ্যক্ষা মহোদয়া, সদনত আমি যেতিয়া কথা কবলৈ যাওঁ তেতিয়া বিভাগীয় সকল ইয়াত থাকিব লাগে আৰু বিভাগীয় মন্ত্ৰীও থাকিব লাগিে। মই ৰাজ্যপালৰ ভাষণৰ কিছুমান কথা চৰকাৰৰ দৃষ্টি গোচৰ কৰিবলৈ বিচাৰিছো। এই ভাষণত চৰকাৰৰ সফলতাৰ কথা দাঙি ধৰিবলৈ বিচৰিছো। ইয়াত আইন শৃংঙ্খলাৰ সফলতাৰ কথা কবলৈ বিচাৰিছো। আমি কিছুমান

* Speach not corrected

ক্ষেত্ৰত দেখিবলৈ পাইছো গোটেই অসমত বহুত মানুহ ভিক্‌টিম হৈছে চৰকৰে প্ৰটেকচন দিব পৰা নাই। সেই কাৰণে এই ক্ষেত্ৰত পুলিচ বিভাগটোৰ সফলতা দেখা নাই।

উপাধ্যক্ষা মহোদয়া, হাজীক টকা ডিমাণ্ড কৰিছিল, তেওঁক কিড্‌নেপ কৰা হৈছিল আৰু পিচত মাৰি পেলাইছিল। এই সংক্ৰান্তত চাৰি জনক এৰেষ্ট কৰিছিল, যদি তেওঁলোকে কিডনেপ কৰিছে তেওঁক ক'ত মাৰিছে । প্ৰমাণ হিচাবে একো নাই, কেৱল হাত ভৰি আছে, মাত্ৰ জকাটো আছে। তাৰ বাহিৰে একো নাই। কিন্তু তেওঁলোকে স্বীকাৰ কৰিছে যে আমি হাজীক মাৰি পেলাইছো। এতিয়া পুলিচ বিভাগে সেই কেইজনক চাৰেগুৰ কৰাব বিচাৰিছে। চৰকাৰৰ এইটো কি ব্যৱস্থা? এচ পিক ফোন কৰাত মই কৈছো চাৰেগুৰ কৰাব নেলাগে। কাৰণ তেওঁলোকে হাজীক মাৰিছে, ধৰা পৰিছে স্বীকাৰ কৰিছে এতিয়া তেওঁলোকক চাৰেগুৰ কৰোৱাৰ কি প্ৰয়োজন আছে।

উপাধ্যক্ষা মহোদয়া, আমাৰ নিৰীহ মানুহ বিলাকক চৰকাৰে যেনেকুৱা ধৰণে নিৰাপত্তা দিব লাগিছিল তেনেকুৱা ধৰণে দিয়াটো আমি দেখিবলৈ পোৱা নাই। আমি আশা ৰাখিছো নিৰীহ মানুহ যাতে ভিকটিমাইজড্ হব নেলাগে বি, এ, চি এলেকাই হওঁক বা কাৰ্বি আংলঙতে হওক ক'তো এইটো হব নেলাগে। অসমত নিৰীহ মানুহ বিলাকক চিকিউৰিটি দি তেওঁলোকক প্ৰটেকচন দিয়াৰ কাৰণে চেষ্টা কৰিব লাগে আৰু নিৰীহ মানুহ বিলাক যাতে ভালকৈ কাম কৰি বাচি থাকিব পাৰে তাৰ কাৰণে মই চৰকাৰক অনুৰোধ জনাইছো!

উপাধ্যক্ষা মহোদয়া, মই গড়কাপ্তানী বিভাগৰ কথা ক'ব বিচাৰিছো। মই এই বিভাগটোৰ কথা নোকোৱাকৈ থাকিব নোৱাৰিম। এই বিভাগৰ ওপৰত মই কিছু বক্তব্য ৰাখি গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয় আৰু বিভাগীয় বিষয়া সকলৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো। কিন্তু দুখৰ বিষয় আজি গেলেৰীত গড়কাপ্তানী বিভাগৰ কোনো বিষয়া দেখিবলৈ পোৱা নাই। আমি আজি এই পবিত্ৰ সদনত যি বক্তব্য ডাঙি ধৰিছো সেইবিলাক বিভাগীয় বিষয়া সকলে নোট কৰাটো উচিত আছিল। মই বিগত চাৰি বছৰত ইয়াত নতুনকৈ অসম বিধান সভাৰ সদস্য হিচাবে নিৰ্বাচিত হৈ আহি প্ৰথম যিদিনা

মই অধিবেশনলৈ আহিছিলো সেই দিনাই গড়কাপ্তানী বিভাগৰ কিছুমান দলঙৰ কথা কৈছিলো। সেই বিলাক মই সময়ে সময়ে সদনত উৎথাপন কৰি আহিছো। মাজে সময়ে গড়কাপ্তানী বিভাগৰ মন্ত্ৰী স্বৰ্গীয় নগেন শৰ্মাৰ পৰা আস্বাস পাইছিলো। সেই সময়ত আনডিভাইডেড গোৱালপাৰাৰ যোগোযোগ বিছিন্ন হৈছিল। এই বিষয়ে সদনত উৎথাপন কৰা হৈছিল। কিন্তু আজিলৈকে চৰকাৰৰ পৰা কোনো ধৰণৰ ব্যৱস্থা গ্ৰহণ কৰা দেখা পোৱা হোৱা নাই। আটাইতকৈ আচৰিত কথা হ'ল, কোকৰাঝাৰ জিলাক অন্তৰ্গত কৰা নহল। আজিলৈকে তিনিখন দলং নহল, ইখন জিলাৰ পৰা সিখন জিলালৈ যাব পাৰে, কিন্তু এতিয়ালৈ বিচ্ছিন্ন হৈ আছে। এই কথাটো বিগত চাৰি বছৰে কৈ আহিছো কিন্তু তেনেকুৱা ব্যৱস্থা লোৱা দেখিবলৈ পোৱা নাই। উপাধ্যক্ষা মহোদয়া, এই চৰকাৰৰ যোৱাৰ বেছি দিন নাই। আগন্তুক যি চৰকাৰ গঠন নকৰক, মই আশা ৰাখিছো নিশ্চই এইখিনি যাতায়তৰ সমস্যা সমাধান কৰে। আমাৰ মাননীয় সদস্য শ্ৰী হেমেন দাস ডাঙৰীয়াই কৈ যোৱাৰ নিচিনা শিক্ষাৰ ক্ষেত্ৰত তন্নতন্নকৈ চাব লাগে। আমি জানিবলৈ পাইছো যে শিক্ষক নিযুক্তিৰ ক্ষেত্ৰত বহুত খেলি-মেলি হৈছে। যিবিলাক ল'ৰাই ভাল ফল দেখুৱাইছে. বিবিলাক প্ৰাৰ্থীয়ে জানে তেওঁলোক শিক্ষক নিযুক্তিৰ পৰা বঞ্চিত হৈছে। কাৰণ তেওঁলোকে পইচা দিব নোৱাৰে। বি, এ, চি এলেকাটো এনেকুৱা বহুত হৈছে। যাৰ পইচা আছে তেওঁ চাকৰি পায়, যাৰ পইচা নাই তেওঁ চাকৰি নেপায়। মাননীয় সদস্য শ্ৰী শইকীয়া ডাঙৰীয়াই যিটো আলোচনা কৰিছে সেইটো হৈছে এই অটোনমাচ অনুষ্ঠান আমাৰ সমাজৰ উন্নতিৰ লগত অভুতপূৰ্ব ভাবে জড়িত। এই অনুষ্ঠানৰ কিছুমান অফিচ বাচি দিব লাগে, এই অনুষ্ঠানৰ টকাৰে চাকৰি দিব লগাটোত ভাবিব লগা নিশ্চই আছে।

মাননীয়া উপাধ্যক্ষা মহোদয়া, আসাম পাৱলিক চাৰ্ভিচ কমিশ্যন অফিচটো নিশা চলা অনুষ্ঠান বুলি আমি ভাবি আছিলো। তেনেকুৱা ধৰণৰ এপইন্টমেন্ট দিয়া চিচটেমটো চলি আহিছে। তাত টকা দিলে হল। তাত ৮ (আঠ) লাখ টকা দিব পাৰিলে চুপাৰিনটেনডেন্ট হয়। টকা দিয়া ব্যক্তি জনে

যোগদান কৰিছে সেই টকাটো কেনেকৈ আনৰ পৰা আদায় কৰিব তেওঁৰ সেইটোহে প্ৰথম চিন্তা। সেয়েহে আহিয়ে কৰাপচনত লাগি যায়। তেওঁ ইনকাম টেক্স বা এম ভি আই বিভাগত আহিয়ে ক'ব প্ৰথমতে শ্ৰীৰামপুৰ গেটত পোষ্টিং লাগে। তাত আহি এম্নাহৰ ভিতৰত টকাটো মেকাপ হৈ যায়। এই বিলাক কেলেঙ্কাৰীত জড়িত হৈ পৰা মন্ত্ৰী সকলৰ বহুত কথাই ওলাই থাকে। আমি বাহিৰলৈ গলে আমাক কয়, আপোনালোকৰ মন্ত্ৰীৰ কথা কিয় এনেকৈ ওলাইছে? তেতিয়া মই কওঁ I am also a member of Assam Legislative Assembly. There is a general impression of almost every people that every MLA has got money.) এই খিনিতে মই আৰু এষাৰ কথা ক'ব বিচাৰিছো যে চান্দা তোলাৰ বিষয়ে কওঁ, বিধায়ক সকলৰ ওচৰত কেতিয়াবা চান্দা বিচাৰি যায়। যি সময়ত যায় সেই সময়ত বিধায়কজনৰ হাতত পইচা থাকক বা নাথাকক চান্দা লাগিবই। কমকৈ দিলে কয়- অমুক বিধায়কজনে ইমান ড'নেচন দিছিলে আপুনি কিয় দিয়া নাই (This is a very bad impresion ) এতিয়া কথা হ'ল বিধায়ক হলে পইচা থাকিবই লাগিব। এইটো বৰ বেয়া ইম্প্ৰেচন। সকলো বিধায়কৰে পইচা আছে আপোনাৰ নাই কিয়? এনেকুৱা প্ৰশ্নও উত্থাপন হৈছে। বিধান সভাৰ যি সকল মাননীয় সদস্য আছে তেখেত সকলে এই মনোভাৱবিলাক আঁতৰ কৰিবৰ কাৰণে চেষ্টা কৰিব লাগিব। আহিবলগীয়া চৰকাৰখনে উন্নয়নমূলক কাম কৰাৰ কাৰণে যত্নপৰ হ'ব আৰু কাম কৰিব। এ জি পি চৰকাৰখনে যিবিলাক উন্নয়নমূলক কাম কৰিছে তাতোকৈ যদি ভাল কাম ৰাইজক কৰি দেখুৱাব পাৰে তেন্তে নিশ্চয় আকৌ চৰকাৰ আহিব।। গতিকে চৰকাৰী কাম-কাজৰ ওপৰতহে এইবিলাক নিৰ্ণয় কৰা হব। সময় অতি কম। যিখিনি সময় আছে সেই খিনি সময়ৰ ভিতৰত সমস্যা বিলাক সমাধান কৰিবৰ কাৰণে চেষ্টা কৰে যেন। চৰকাৰে ফ্লাই-অভাৰ বনাই আছে বনাওক তাৰ কাৰণে আমি চৰকাৰক দোষাৰোপ নকৰো। ফ্লাই-অভাৰৰ লগতে ভি আইপি ৰোড আৰু গাঁৱৰ থকা পি ডব্লিউ ডি ৰোড বিলাকো ভাল কৰিব লাগে। খেতিয়ক সকলে সৰিয়হৰ খেতি, ধানৰ খেতি কৰি উৎপন্ন হোৱা খেতিবিলাক যদি ঠেলা এখনত ভৰাই ঠেলাখন চলাই যাব নোৱাৰে

খেতিয়কৰ কি লাভ হ'ব? যি কি নহওক মোৰ বক্তব্যৰে চৰকাৰৰ দৃষ্টিগোচৰ কৰিব বিচাৰিছো যে অসমৰ সমস্যাসমূহ সমাধান কৰি সুনাম অৰ্জন কৰে। এই খিনিকে কৈ মোৰ বক্তব্য সামৰণি মাৰিছো।

**Deputy Speaker : Hon'ble Member Shri Kumud Das to speak:**

* **শ্ৰীকুমুদ দাস ঃ** মাননীয়া উপাধ্যক্ষা মহোদয়া, অসমৰ মাননীয় ৰাজ্যপাল ডাঙৰীয়াই অসম বিধান সভাত দাঙি ধৰা ভাষণৰ ওপৰত ধন্যবাদসূচক প্ৰস্তাৱৰ সপক্ষে মোৰ প্ৰস্তাব দাঙি ধৰিব বিচাৰিছো। ভাষণত প্ৰথমতে উল্লেখ কৰা হৈছে আইন-শৃংখলাৰ ওপৰত। তাৰ পিচত কোৱা হৈছে অসমৰ তিনি গৰাকী মন্ত্ৰীৰ ওপৰত অহা জীৱনৰ ভাবুকিৰ বিষয়ে, এজন মন্ত্ৰী নিহত হ'ল। এতিয়া মোৰ বক্তব্য হৈছে, এইখন বিধান সভাৰ সদস্য পি. ডি. এফ দলৰ সদস্য আমাৰ লগৰে এজন বিধায়ক মোহিনী বসুমতাৰীক উগ্ৰপন্থীয়ে হত্যা কৰিছে। এই খিনি কথা ৰাজ্যপালৰ ভাষণত উল্লেখ নাই। আমি এই বুলি ধৰি লম নেকি যে উগ্ৰপন্থীয়ে মোহিনী বসুমতাৰীক হত্যা কৰা নাই? যদি হত্যা কৰা নাই তেন্তে চৰকাৰৰ দ্বাৰা পৰিচালিত ব্যক্তিৰ দ্বাৰাহে হত্যা কৰা হৈছে। অসম চৰকাৰে হওক বা কেন্দ্ৰীয় চৰকাৰে হওক মোহিনী বসুমতাৰীক হত্যা কৰাৰ অন্তৰালত কোনোবা এটা শক্তি জড়িত আছে। অসমৰ আইন শৃঙ্খলাৰ ক্ষেত্ৰত ইয়াত যিবিলাক তথ্য দাঙি ধৰা হৈছে তাত মোৰ সন্দেহ হৈছে। উগ্ৰপন্থী সকলক হত্যা কৰি সমস্যা সমাধান কৰিব বিচাৰিছে নে তেওঁলোকৰ আত্মীয় সকলক হত্যা কৰি সমাধান কৰিব বিচাৰিছে। আচলতে উগ্ৰপন্থী বুলি কোৱা হৈছে যদিও তেওঁলোকে উগ্ৰপন্থীয়ে হওক বা অন্য সমস্যাত পৰিয়ে হওক তেওঁলোকৰ সমস্যাবিলাক কেনেকৈ সমাধান কৰিব পাৰি সেইটো চৰকাৰে চাবলৈ চেষ্টা কৰা নাই। এই সমস্যাসমূহ চৰকাৰে অনুধাৱন কৰিব নোৱাৰে আৰু কোনো দিনে এই সমস্যাবোৰ শেষ কৰিব নোৱাৰিব।

উপাধ্যক্ষা মহোদয়া, ইতিমধ্যে সদনত এইটো কথা উত্থাপিত হৈছে যে যদি চৰকাৰে এই সমস্যা বিলাক অনুধাৱন কৰিব নোৱাৰে তেতিয়াহলে ভৱিষ্যতে নতুন নতুন সমস্যাৰ সৃষ্টি হব পাৰে। এতিয়ালৈকে বহুখিনি

* Speech not corrected

উগ্ৰপন্থীয়ে আত্মসমৰ্পণ কৰিছে চৰকাৰী বাহিনীৰ হাততো বহু উগ্ৰপন্থীৰ মৃত্যু হৈছে। কিন্তু এই সমস্যা এতিয়াওঁ কমা নাই। বৰঞ্চ নতুন নতুন ডেকা ল'ৰাই উগ্ৰপন্থী দলত সোমাইহে পৰিছে। এই সমস্যা বিলাক চৰকাৰে চিন্তা কৰা উচিত। সকলো উগ্ৰপন্থী সমস্যা আচলতে ৰাজনৈতিক সমস্যা। তেওঁলোকে যে স্বাধীন ৰাষ্ট্ৰৰ কথা কৈছে যদি আলোচনা বিচাৰে আলোচনালৈ আহক সমস্যা সম্পৰ্কে আলোচনা কৰক। তেতিয়া সমস্যাৰ সমাধান আপোনা আপুনি ওলাই পৰিব। চৰকাৰপক্ষৰ পৰা অকলে সমস্যা সমূহৰ সমাধান বিচাৰিবলৈ গলে সমাধানটো নহয়েই বৰঞ্চ পৰিৱেশটো সুস্থিৰ নহব বুলি ভাবো। ইয়াৰ পিচত মই গ্ৰাম-উন্নয়ন বিষয়ে দুষাৰ মান ক'ব বিচাৰিছো।

অসমৰ যোৱা পাঁচ বছৰে যিখিনি উন্নয়ন হৈছে তাৰ ৮০ শতাংশ গ্ৰাম্য উন্নয়ন বিভাগৰ জৰিয়তে হৈছে। কিন্তু তথাপি ডি আৰ ডি এৰ নামত যি টকা দিয়া হৈছে সেইটোৰ আচলতে সৎব্যৱহাৰ হোৱা নাই। আমি এটা কথা জানিব পাৰিছো যে জে আৰ ওৱাইৰ আচনিৰ বিপৰীতে মঙ্গলদৈৰ যি ফাল্ড আহিছিল তাত দৰঙৰ যি ডি আৰ ডিএৰ টকা তাৰ বেচিখিনিয়েই অপব্যৱহাৰ হৈছে। এককোটিৰ বেছি হলে কেন্দ্ৰীয়ভাৱে কাম কৰিছে। শতকৰা দহভাগো ফিল্ডত কাম হোৱা নাই। বহুবাৰ বিধানসভাত প্ৰশ্ন উত্থাপিত হৈছে আৰু বিধান সভা সমিতিৰ জৰিয়তে তদন্ত কৰাৰ ব্যৱস্থা কৰা হৈছিল কিন্তু মই ভাবো এই ক্ষেত্ৰত যি ধৰণে কাম কৰিব লাগিছিল সেই ধৰণে কাম কৰা হোৱা নাই। অথচ এই টকাৰ দ্বাৰা ৰাইজৰ কিছুকাম কৰাৰ সুবিধা আছিল। আই এ ওৱাই আচনিটো দৰঙৰ পুঁজি আছিল কিন্তু আজি ৬ মাহ ধৰি কোনো কাম হোৱা নাই। বৰঞ্চ ডি আৰ ডিএই সকলো বিলাক বস্তু কেন্দ্ৰীয় ভাৱে পাৰচেজ কৰিছে। নিজৰ নিজৰ সুবিধাৰ কাৰণেই আৰু কৰ্ম্মচাৰী সকলৰ লাভালাভৰ কাৰণে এই বিলাক কৰিছে কিন্তু আচল হিতাধিকাৰী সকল বঞ্চিত হৈছে। দৰং ডি. আৰ. ডিএত কোটিৰো বেছি টকা আছে। খৰচ কৰিবৰ সুবিধা পোৱা নাই ।

গড়কাপ্তানী বিভাগৰ কথাত ক'ব লাগিব আচলতে এই বিভাগৰ কথাকৈ কিবা লাভ আছে বুলি মই নাভাবো। সমগ্ৰ অসমতে ৰাস্তা-পদুলিৰে সামগ্ৰীক

কামত তেতিয়া অৱস্থা একেই। বিশেষকৈ ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰত বি এ চি অঞ্চলত আজিলৈ কোনো কাম হোৱা নাই। আমাৰ বিধান সভাৰ প্ৰতিটো সমষ্টিৰ কাৰণে এফ ডি আৰৰ কাৰণে ৩০ লাখকৈ টকা দিয়া বুলি কৈছিল। ৰাজহ বিভাগৰ পৰা এই টকাটো মঞ্জুৰ কৰা কথা আছিল। তাৰ পিচত ৰাজহ বিভাগৰ সচিব ও আয়ুক্তৰ পৰা ডি চিক ফোনত যোগাযোগ কৰিলে তাৰ পিচত ৰাজহ বিভাগৰ সচিব আয়ুক্ত ডি. চিৰ লগত ফোনত যোগাযোগ কৰিলে আৰু টংলা ভেৰগাওঁ ৰাস্তাৰ ১২ লাখ ৯৭ হাজাৰ টকাৰ ডিচিৰ ৰিপোৰ্ট দিব লাগে বুলি ক'লে আৰু লগতে এফ দি আৰৰ কামৰ প্ৰয়োজন নাই বুলি কলে। সেই মতেই ডি চিয়ে ৰিপৰ্ট দিলে। আৰু কাম কৰাও হল। যি গৱাকী ডিচিয়ে এই কাম কৰা নহয় বুলি সচিব আয়ুক্তক নিৰ্দ্দিষ্টমতে কলে সেই একেজন ডিচিয়েই এফ দি আৰৰ আচনিৰ কাম খিনি কৰিবলৈ চহী কৰিও পঠাইছিল। এই ৰাস্তাটোত আগতে আধাঘন্টা লাগিছিল। কিন্তু এতিয়া ডেৰ ঘন্টা সময় লাগে যাবলৈ অথচ ডি চিয়ে এতিয়া ভাল বুলিয়েই কলে । এতিয়া এই ক্ষেত্ৰত চৰকাৰী দৃষ্টিভঙ্গীৰ সলনি কৰাটো প্ৰয়োজন হ'ব।

উপাধ্যক্ষা মহোদয়া, শিক্ষাৰ ক্ষেত্ৰত কবলৈ একোৱেই নাই। এই চৰকাৰখন অহাৰ পৰাই প্ৰতি সমষ্টিতে ১০-১২ খন স্কুলৰ প্ৰাদেশিকীকৰণ কৰা হব বুলি চাবি পাচবাৰ মান ডি. আই. অফিচ আদিৰ পৰা বহু ভাট্ৰা সংগ্ৰহ কৰা হল। কিন্তু এতিয়ালৈকে একো হলে হৈ নুঠিল। ইয়াৰ লগতে এই কথাও উল্লেখ কৰিব লাগিব যে অনুসূচীত জাতি আৰু অন্যান্য পিচপৰা জাতি জনজাতি যি সকলৰ কথা কোৱা হৈছে যে ক্ষমতা বিকেন্দ্ৰীকৰণৰ দ্বাৰা বড়োলেণ্ড আৰু ৰাভা আদিক অধিক ক্ষমতা প্ৰদান কৰা হব আৰু তেওঁলোকৰ কাৰণে স্বায়ত্বশাসিত পৰিষদ গঠন কৰা হব। মই এটা কথা ক'ব খুজিছো যে যদিও স্বায়ত্ব শাসিত পৰিষদ গঠন কৰা হ'ল সেইটো অসম চৰকাৰেই হওক বা কেন্দ্ৰীয় চৰকাৰেই হওক এইটো কিন্তু উপহাৰ হিচাপে তেওঁলাকক দিয়া নাই, এইটো তেওঁলোকৰ মাজৰ বহু শ্বহীদ আৰু শত জনৰ ত্যাগ আৰু তেজৰ বিনিময়তহে হ'ব পাৰিছে।

মাননীয়া উপাধ্যক্ষা মহোদয়া, তেওঁলোকৰ যি সকল এই আন্দোলনৰ লগত জৰিত সেই সকলৰ কাৰণে এই পৰিষদ গঠন কৰা হৈছে। কিন্তু আন্দোলনকাৰী সকলৰ আৱেগ অনুভূতিক বাদ দি এই পৰিষদসমূহে অন্যান্য কামতহে হাত দিছে। অথচ তেওঁলোকৰ উন্নয়নৰ কোনো আঁচনিয়েই এই পৰিষদৰ নাই। এটা ৰাজনৈতিক সমস্যাৰ কাৰণে তেওলোকে আন্দোলন কৰিছিল আৰু এই ৰাজনৈতিক আদৰ্শ তথা সমস্যাটোক সমাধান কৰিবলৈ চেষ্টা নকৰাটোৱেই চৰকাৰৰ মাৰাত্মাক ভুল হ'ব। শিক্ষা বিভাগত নিযুক্তি প্ৰক্ৰিয়াটো বন্ধ নে খোলা হৈ আছে সেইটো আমাৰ স্পষ্ট নহয়। বি. এ. চি এডভাইজৰী কমিটিত শিক্ষা উপদেষ্টা কমিতিত ইতিমধ্যে বিধান সভা আদি কৰা হল। আমাকো সদস্য পদ দিছে। কিন্তু আমি সভাত উপস্থিত নথকাটোকে কামনা কৰে। আনকি সময়মতে খবৰো নিদিয়ে। দৰং জিলাৰ শিক্ষা উপদেষ্টা সমিতিৰ লগত যি সকল ব্যক্তি জৰিত তেখেত সকল বি এ চি আন্দোলনৰ লগত কোনো প্ৰকাৰেই জৰিত নহয়। দৰং জিলাত মঙ্গলদৈ আৰু ওদালগুৰি মহকুমাত তিনিটাকৈ উপদেষ্টা কমিটি আছে। এনে এজন ব্যক্তিক তিনিখন শিক্ষা উপদেষ্টা সমিতিৰ চেয়াৰমেন কৰি দিছে যি জন ব্যক্তি বি, এ. চি. আন্দোলনৰ আৰু বড়ো জনসাধাৰণৰ আশা-আকাংক্ষাৰ লগত কোনো ভাৱেই জৰিত নহয়। তেওঁ যদি অন্ততঃ গাওঁ বুঢ়া বা গাওঁপঞ্চায়ত সভাপতি হিচাপেও নিৰ্বাচিত হৈ আহিলহেঁতেন তেতিয়াহলেও আমি স্বীকাৰ কৰিব পাৰিলোহেঁতেন । আজি যি ধৰণে বি এ চি এডভাইচৰী কমিটী আছে বা যি ধৰণে সিদ্ধান্ত সমূহ লব লাগিছিল সেই ধৰণে লোৱা হোৱা নাই। এডভাইচৰী বৰ্ড গঠন কৰা ক্ষেত্ৰত কাক কাক মেম্বাৰ কৰা হব আৰু কাক চেয়াৰমেন কৰা হব এই প্ৰস্তাৱ সমূহ কি দৰে লোৱা হ'ব এই গোটেই প্ৰক্ৰিয়াটো ঠিক ভাৱে চলা নাই। সেই কাৰণে এই গোটই বিষয়টো চৰকাৰৰ ফালৰ পৰা দৃষ্টি দিয়া প্ৰয়োজন। মই বিশেষ আৰু নকওঁ এই খিনিকে কৈ মই সামৰণি মাৰিলোঁ।

* **শ্ৰীআলাউদ্দিন সৰকাৰ ঃ** মাননীয়া উপাধ্যক্ষা মহোদয়া মোৰ খুব কম

* Speech not corrected

সময়, এই কম সময়ৰ ভিতৰতে মোৰ বক্তব্য ৰাখিবলৈ চেষ্টা কৰিম। প্ৰথমতে আইন -শৃংখলাৰ যি পৰিস্থিতি তাৰ ওপৰতে বক্তব্য ৰাখিবলৈ আৰম্ভ কৰিছো। আজি এনেকুৱা এটা পৰিস্থিতিৰ সৃষ্টি হৈছে ভাষিক লোকক মাৰি পেলাইছে।

(মাননীয় সদস্যগৰাকীয়ে গীতৰ কলি আওৰাইছে)

* **শ্ৰীকুমুদ দাস** ঃ মাননীয়া উপাধ্যক্ষা, বিধান সভাৰ মজিয়াত এনেধৰেণে গীত গোৱাটো খুবেই দুৰ্ভাগ্যজনক।

* **শ্ৰীআলাউদ্দিন সৰকাৰ** ঃ ইয়াৰ আগতেও বিধান সভাৰ মজিয়াত মাননীয় সদস্যই গীত গাই গৈছে। প্ৰাক্তন বিধান সভাৰ সদস্য মাননীয় ডঃ ভূপেন হাজৰিয়াইও ইয়াত গীত গাই গৈছে। গীতৰ ভাষাৰেও কথা ক'ব পাৰি (পুনৰ গীতৰ কলি আওৰাইছে)

সেই কাৰণে কৈছো আমাৰ ৰাজ্যখন যিবোৰ সমস্যাৰে জৰ্জৰিত হৈছে ইয়াৰ ৰাইজে অসমত শান্তি বিচাৰিছে। তেখেতসকলৰ মূল দাবী শান্তি। শান্তিৰ কাৰণে যোৱা ১৯৯৯ চনত আমাৰ ৰাজ্যখনৰ মূৰব্বী মাননীয় ৰাজ্যপাল ডাঙৰীয়াই এটা উদাত্ত আহ্বান জনাইছিল যে বিভিন্ন ৰাজনৈতিক মঞ্চ মিলি আমাৰ যিসকল যুৱক-যুৱতীয়ে অস্ত্ৰ ধাৰণ কৰিছে তেওঁলোকক বুজাবলৈ চেষ্টা কৰিব লাগে। সন্ত্ৰাসবাদেৰে কোনো সমস্যা সমাধান নহয়। যি কোনো সমস্যাই আলোচনাৰ জৰিয়তে সমাধান কৰিব পাৰি আৰু সেই আলাপ আলোচনাৰ প্ৰয়োজন আছে। ২০০০ চনত তাৰ আৰম্ভণি হৈছে। দ্বিতীয়তে আমাৰ সংবিধানৰ গণ্ডিৰ ভিতৰত আলোচনা হ'ব লাগিব। আমাৰ ৰাজ্যৰ দেশৰ অখণ্ডতা ৰজাই ৰাখিব লাগিব। হিংসাৰে অসম ৰাজ্যখনৰ স্বাধীনতা বিচাৰিছে। এই কথা মাননীয় সদস্য শ্ৰীহেমেন দাস ডাঙৰীয়াইও তুলি ধৰিছে।

আমি আশা কৰিছিলো কেন্দ্ৰীয় গৃহমন্ত্ৰী আদৱানী চাহাব অসমলৈ আহিছে যেতিয়া আমাৰ ৰাজ্যখনত আলোচনাৰ সূত্ৰপাত হ'ব। আদাৱানী চাহাবে আমাৰ আশাত চেঁচা পানী ঢালি দিছে, সকলো যেন নাই হৈ পৰিছে। আমি আশা কৰিছিলো শান্তিৰ বাতাবৰণ তৈয়াৰ হব আৰু আলোচনাৰ সূত্ৰপাত

* Speach not corrected

হ'ব। হিংসাৰ পথৰ পৰা আঁতৰি আহিলেহে তেখেতেসকলে আলোচনা কৰা হ'ব বুলি জনালে আৰু এই আলোচনা দেশৰ ভিতৰতে হ'ব লাগিব। আগতে কোৱা পৃথিৱীৰ যিকোনো ঠাইত আলোচনাৰ প্ৰসংগত আমি যাব পাৰিম কিন্তু এইটো নহ'ল। এই সুযোগ হেৰুৱালে।

আইন- শৃংখলাৰ অৱনতি ঘটিছে। ধুবুৰীত চাৰিজন মাল্টা সদস্য মাৰিছে ১৮ জানুৱাৰীত দশম মান শ্ৰেণীৰ ছাত্ৰ আটাউৰ ৰহমানৰ পুত্ৰ হজৰল ৰহমানক সামৰিক বাহিনীৰ গাড়ীৰে উঠাই নি মাল্টা বুলি সন্দেহত মাৰি পেলাইছে। থানাত এজাহাৰ তৰা হৈছিল। কোনো খা খবৰ নাই। ধুবুৰী পুলিছ প্ৰশাসনে কোনো কথাই নাজানে। পিছদিনা ডাউৰাগুৰিত এম্বেচাদৰ গাড়ীৰে নি গাড়ীৰ ডিকিৰ পৰা মৃতদেহ উলিয়াই দিছিল। সংঘৰ্ষত মৰা বুলি জনাইছিল। এইটো ভেগ আছিল। যিজন ল'ৰাই বন্দুক পিষ্টল কিবা বস্তুৰ কথা একোৱেই নাজানে তেওঁ কেনেকৈ এই বিলাকলৈ যাব পাৰে। এছ পি, ডি এছ পিক লগ ধৰাত তেওঁলোকেও একো নাজানে। আজি তাৰ কাৰণে ৰাইজৰ মৃদু আন্দোলন সৃষ্টি হৈছিল। তেওঁলোকে বন্দুক কিয় লৈছে? নিজৰে ল'ৰাৰ লগত আলোচনা হ'ব পাৰে। পূৰ্ব চৰ্ত্ত উঠাই দি আলোচনা কৰক। তেতিয়া শক্তিৰ প্ৰক্ৰিয়া সফল হ'ব। আমাৰ ভাৰতবৰ্ষ হিংসা বিৰোধী দেশ। গণতান্ত্ৰিক পদ্ধতিৰে আলোচনাৰ জৰিয়তে এই কামবিলাক সমাধা কৰিব পাৰি কাৰণে অহোৰাত্ৰী প্ৰচেষ্টা চলাব লাগিব। আলোচনাৰ সূত্ৰৰ আভাস আহিছে। সেইটো আমি স্বাগতম জনোৱা উচিত। আজি আমি আছো কিছুদিন পিছত আমি নোহোৱা হৈ যাম। নতুন প্ৰজন্ম আহিব তেওঁলোকৰ বাবে এই সমস্যা হৈ ৰব। আন এটা কথা হ'ব নাবাৰ্ড আৰু বিশ্ব বেংকৰ অৰ্থ সাহাৰ্য্যৰ জৰিয়তে কিছুমান আঁচনিলৈ চেংচন দিছে। কিন্তু আৱন্টন দিয়া নাই। কামৰ কাৰণে মুখ্য অভিযন্তাক লগ ধৰিছে আৱন্টন লৈ নিবলৈ কয়। হকাৰ আৰু সুলভ মূল্যৰ দোকানৰ যিবিলাক কাগজ আনি দিছো সেই কাগজ দিয়াতে পৰি আছে। কোনো কাম হোৱা নাই । সমবায় সমিতিৰ ক্ষেত্ৰতো একো কাম হোৱা নাই। গোলকগঞ্জ বোৰ্ডাৰ এৰিয়ালৈ কেৰাচিন দিম বুলি কয় কিন্তু চৰকাৰৰ ফালৰ পৰা এই ব্যৱস্থা কৰা হোৱা নাই।

ধুবুৰীত শিক্ষকৰ নিযুক্তি নাই। কি এল. পি. স্কুল, এম. ই. স্কুল কতোৱেই নিযুক্তি নাই। হিন্দী আৰু সংস্কৃত শিক্ষকৰ নিযুক্তি বন্ধ হৈ আছে। বহু সংখ্যক ল'ৰা-ছোৱালী থকা এল: পি. স্কুলত এজন শিক্ষক। সৰু- সুৰা ল'ৰা ছোৱালীবোৰক দেখি শিক্ষকে গছৰ তলত বহি থাকে। শিক্ষাৰ উন্নতিৰ কাৰণে ব্যৱস্থা নাই। সেই কাৰণে মই কৈছো মধুকো সমাপয়েত হব লাগে। আমাৰ ৰাজ্যখনত শিক্ষাৰ পতনৰ যিটো অৱস্থা সৃষ্টি হৈছে সেই অৱস্থাৰ অৱসান ঘটোৱাৰ চেষ্টা কৰিব লাগে। ইয়াকে কৈ মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

* **Shri Sukhendu Shekhar Dutta :** Hon'ble Deputy Speaker, I would like to speak a few words regarding infiltration though some barbed wire fencing has been done in the border areas. Some measures have been taken but even then the rate of infiltration continues unabated and the immigrant entered India surreptitiously. This can be proved when we will look into the census date which will be published within a short space of time. So, I think the Hon'ble Governor who have mentioned this point of infiltration which is the burning problem of the state of Assam. I may point out that Hon'ble Members Sarbashri Hemen Das and Allaudin Sarkar have mentioned the same point about this conditional or unconditional talk with the ULFA militants. Now the present Asom Gana Parishad led Government, they have declared in the speech that there shall be no compromise in the nation's sovereignty but the coalition partner differ on this line. It is really surprising. I believe, the stand taken by the Central Govt. that there should be one condition that there shall be no talk on this point of national sovereignty. Madam, no independent Government can compromise on this point. Then Madam. this speech of Hon'ble Governor totally side track one serious point that

* Speach not corrected

Assam Tea Corpoation is now virtually closer. The Hon'ble Industries Minister who is also present here in the House knows very well in this regard. The total industrial scenario in the State of Assam is really awkard but no mention has been made. Then regarding this Education Deptt, it is better if we discuss less about it. I Just refer in this context, I cannot get more chance. That is why I tell you that one Management Committee in my constituency where I am the President in a Madrassa and some people complained that it is composed of uneducated persons and anti social elements. What I know Madam, when a complaint made to the Hon'ble Minister he gave a note to the DME to keep it in abeyance but the Hon'ble Minister did not enquire in this regard., Regarding appointment in schools. I discussed many times on the floor of the House but there is no qualitative change. It is a very seroius point relating to appointment of teachers in the State. Then floods Madam. Flood situation in Dhemaji or in some parts of Upper Assam, evrybody knows it very well. In my constituency in patherkandi, I had to face 9 (nine) consecutive rounds of flood which has totally shatter but nothing has been done. Even the Governor has not mentioned about karimganj district where we have to face havoc of flood. Then regarding revival of Assam State Transport Corporation which is ailing but no concrete measures is suggested by the Governor. Before concluding my speech, I would like to say that we do not notice any imagination. No perspective planning what the Government, was to do and in which direction the Government is going on. Direction is totally lagging. Now Madam, it is the last speech of the Government. Only few months are left and now the House wear a deserted look . I do not know that any purpose will

be served by discussion at the fag end of the tenure of the 10th Assembly. Even then, I refer the point to keep it in record that the Government lags in imagination. Speech of the Governor did not reflect any imagination.

With these few words, I conclude my speech.

* **Shri Hemen Das :** Madam, in my speech I did not mention the words Sovereignty'. Sovereignty is not negotiable. I simply said regarding violence.

* **ডাঃ দেৱকান্ত ৰামচিয়াৰী ঃ** মাননীয়া উপাধ্যক্ষা মহোদয়া, অসমৰ মাননীয় ৰাজ্যপাল মহোদয়ে তেখেতৰ ভাষণত অসমৰ কিছু কথা আৰু প্ৰতিচ্ছবি দাঙি ধৰিছে। কিন্তু দেখা গৈছে অসম উন্নতিৰ পথত একেবাৰে আগবঢ়া নাই। সেই কথা পুংখানুপুংখৰূপে ইয়াত আলোচনা কৰা হোৱা নাই। আজি আমাৰ যিটো উগ্ৰপন্থী সমস্যা হৈছে সেই সমস্যা আলাপ-আলোচনাৰ মাজেদি সমাধান কৰিব পৰা গলহেঁতেন কিন্তু আমি বিফল হৈছো। আমি এৰা ধৰাৰ মাজেদি সমস্যাটো সমাধান কৰিবলৈ চাব লাগে। দুৰ্ভাগ্যৰ কথা অসমৰ উন্নতি হোৱা নাই সমস্যা জৰ্জৰিত ৰাজ্য হিচাপেই আছে। আজি গাওঁ বিলাকত মানুহ থাকিব নোৱাৰা হৈছে। কোনো যুৱক ৰাতি ঘৰত শুই থাকিব নোৱাৰে কাৰণ আৰ্মি বা পুলিচ আহি বিছনাৰ পৰা উঠাই নি হাঁৰাশাস্তি কৰি অত্যাচাৰ কৰিছে; তেনেহলে আমি কোন ক্ষেত্ৰত ভাৰতৰ নাগৰিক?

ভাৰতবৰ্ষ এখন কল্যানকামী দেশ আৰু ৰাইজৰ কল্যানৰ কাৰণেই ভাৰত চৰকাৰে কাম কৰি আহিছে। কিন্তু আজি আমি গণতন্ত্ৰৰ নামত এক প্ৰহসনত পৰিণতহৈছো। এই গণতান্ত্ৰিক মূল্যবোৰ কিমানে দিছে? আজি চাৰিওফালে কিছুমান ক'লা আইন জাপি দিয়া হৈছে। এইবিলাক চলি থাকিলে আমি গণতান্ত্ৰিক দেশ বুলি কব পাৰিম জানো? আজি অসমকে ধৰি দেশৰ বিভিন্ন ৰাজ্য সমূহত বহুতো সমস্যা আছে। কিন্তু অন্যান্য ৰাজ্য সমূহ সমস্যা জৰ্জৰিত হৈ থকা অৱস্থাতো কেৱল অসম কিম্বা উত্তৰ পূৰ্বাঞ্চলৰ ৰাজ্য কেইখনত

* Speech not corrected

এই কলা আইনবোৰ কিয় জাপি দিয়া হৈছে? আমি এটা কথা জানো যে মিজোৰামে শিক্ষিতৰ হাৰত আমাতকৈ আগবাঢ়ি গৈছে কিন্তু তাতেই বোধহয় এটা সময়ত আটাইতকৈ বেছি হিংসাৰ সৃষ্টি হৈছিল। গোৱামখাংগাই এসময়ত কৈছিল যে আমি জংঘলত অস্ত্ৰ ৰাখি থৈ অহা নাই আৰু সেই কাৰণেই তেওঁলোকৰ মাজত পিচ একৰ্ড হৈছিল। গতিকে আমিও কিয় কৰিব নোৱাৰিম। এই ক্ষেত্ৰত আমি সকলোৱে আগবাঢ়ি আহিব লাগিব। আমাৰ অস্ত্ৰ লোৱা যুৱক সকলে আলোচনাৰ সময় হোৱা নাই বুলি ভাবিছে নেকি? এইটো এটা হাই টাইম আৰু যদি তেওঁলোকে এইটো হাই টাইম বুলি ভাবিছে তেনেহলে সোনকালে আলোচনাত বহিব লাগে। আমি ৰাইজৰ প্ৰতিনিধি হিচাবে কৈছো গণতান্ত্ৰিক ভাবে সকলো সমস্যা সমাধান হব লাগে। সকলোৱে অস্ত্ৰ ত্যাগ কৰি মুল সুতীলৈ আহক আৰু এখন সুস্থ সমাজ গঢ়ি তোলক। আমি উগ্ৰপন্থীক স্বীকাৰ নকৰো। কিন্তু ভাৰত চৰকাৰে জাপি দিয়া কলা আইনবোৰো সহ্য নকৰো। সৈন্য বাহিনী কিম্বা পুলিচৰ হাতত যিমান মানুহ মৰিছে তাৰ তুলনাত পুলিচ বা সৈন্যৰ মানুহ কম মৰিছে। গতিকে নিৰীহ লোকেই বেছি মৰিছে। আমাৰ এতিয়া কাৰ্য কাল প্ৰায় শেষ হৈ আহিছে। আমি আটাইবিলাক কাম শেষ কৰিব নোৱাৰিলেও আমাৰ পিচৰ চৰকাৰে সেই বিলাক শেষ কৰিব লাগিব। আজি চৰকাৰে যিখিনি কাম হাতত লৈছে সেইখিনি ভালেই হৈছে। কিন্তু মই এটা কথা কবলৈ বাধ্য হম যে আমাৰ চৰকাৰী কিছুমান বিষয়াই কামত সহযোগ নকৰাৰ কাৰণে কিছুমান কামত আগবাঢ়ি যাব পৰা নাই। বহুতো ক্ষেত্ৰত মিনিষ্টাৰে লিখি দিয়া কামো তেওঁলোকে নকৰে। আমি কোৱা মেলা কৰিলে কয় যে সকলো কাম মন্ত্ৰীয়ে লিখি দিলেই নহয়। আমি আই, এ এচ, আই , পি, এচ বিষয়া সকলে যুগ যুগ ধৰি থাকিম। এম, এল, এ সকল ৫ বছৰহে থাকিব।' এনে ধৰণৰ কথা বিলাক তেওঁলোকে কয়। গতিকে এই কথাবোৰ অলপ চোৱা প্ৰয়োজন হৈ পৰিছে। অসমৰ উন্নতিৰ কাৰণে তেওঁলোকে কেতিয়াও কামনা নকৰে যেন লাগে। তেওঁলোকে চাকৰি বিচৰাৰ সময়ত অসম কেডাৰ বিচাৰে কিন্তু অসমৰ কাৰণে কাম নকৰে। তেওঁলোকে অসমক একো দি থৈ যোৱা নাই। নিযুক্তি বন্ধ হৈ থকা

is the scenario in the field of industries in Assam. The will অৱস্থাত বিষয়া সকলে কেনেকৈ নিযুক্তি দিব পাৰে? এই বিলাক ক্ষেত্ৰত আমি অভিযোগ দিয়া স্বত্তেও চৰকাৰে কোনো ব্যৱস্থা লোৱা নাই। তথাপি মই আকৌ এবাৰ কৈছো যে অসমৰ উগ্ৰপন্থী সমস্যা সমাধানৰ কাৰণে অসম চৰকাৰে ভাৰত চৰকাৰলৈ প্ৰস্তাব পঠাওক। ধন্যবাদ।

* শ্ৰী প্ৰফুল্ল কুমাৰ মহন্ত (মুখ্যমন্ত্ৰী) ঃ মাননীয়া উপাধ্যক্ষা মহোদয়া, এই পবিত্ৰ সদনত যোৱা ৭ ফেব্ৰুৱাৰী তাৰিখে মাননীয় ৰাজ্যপাল ডাঙৰীয়াই আগবঢ়োৱা বাজেট বক্তৃতাৰ ওপৰত মাননীয় সদস্য সকলে যি গঠন মূলক পৰামৰ্শ আগ বঢ়াইছে। তাৰ কাৰণে তেখেত সকলক ধন্যবাদ জ্ঞাপন কৰিছো। উপাধ্যক্ষা মহোদয়া, আমি এটা কথা লক্ষ্য কৰিছো যে অসমৰ উন্নতিৰ প্ৰধান বাধা হৈছে আমাৰ অৰ্থনৈতিক অনগ্ৰসৰতা। যদি অৰ্থনৈতিক ভাবে আমাৰ ৰাজ্যখন আগবাঢ়ি গ'লহেঁতেন তেন্তেহলে আমাৰ ৰাজ্যখনৰ সমস্যা সমূহ নাইকিয়া কৰিব পৰা গল হেঁতেন কিন্তু ১৯৫০ চনত নেচনেল এভাৰেজত অসমৰ জনমূৰি আয় আছিল ৪ শতাংশৰ ওপৰত। কিন্তু ৫০ চনৰ পিচৰ পৰা সেইটো ক্ৰমান্বয়ে কমি আহি ১৯৯৭ চনত নেচনেল এভাৰেজত ৭৪ শতাংশ তললৈ যায়। সেই কাৰণেই আমাৰ ৰাজ্যখনক ৰাজনৈতিক ভাবে আগবঢ়াই নিয়াত যিটো প্ৰচেষ্টা হব লাগিছিল সেইটো কৰিব পৰা নগল আৰু তাৰ ফলত ৰাজ্যখন বহুতো পিচ পৰি থাকিব লগা হল। সন্মানীয় সদস্য সকলে ৰাজ্য পালৰ এই ভাষণৰ ওপৰত যিবোৰ পৰামৰ্শ আগবঢ়াইছে তাৰ ভিতৰত উগ্ৰপন্থী সমস্যাটোৱে এক বিশেষ স্থান দখল কৰিছে। আমি চৰকাৰ গঠন হোৱা দিনৰে পৰা চৰকাৰৰ তৰফৰ পৰা এই কথাটো স্পষ্ট ভাবে কৈ আহিছো যে উগ্ৰপন্থী সমস্যাটো আলাপ-আলোচনাৰ মাজেৰে সমাধান কৰাৰ কাৰণে সকলোকে আহ্বান জনাই আহিছো। কিন্তু অসমৰ উগ্ৰপন্থী যেনে আলফা, এন ডি এফ বি আদি উগ্ৰপন্থী সংগঠন সমূহে গুৰুত্ব নিদিয়াৰ কাৰণে তেওঁলোকৰ লগত আলোচনা সম্ভৱপৰ নহ'ল। আমি আমাৰ ফালৰ পৰা প্ৰস্তাৱ আগ বঢ়াইছিলো যে এই সমস্যা সমাধান কৰাৰ কাৰণে কেন্দ্ৰীয় চৰকাৰে আগ ভাগ ল'ব লাগে।

* Speech not corrected

কেন্দ্ৰই আগ ভাগ লব লাগে । দেৱগৌড়া প্ৰধান মন্ত্ৰী হৈ থাকোতে এই প্ৰচেষ্টা লোৱা হৈছিল আৰু এতিয়াও একেই প্ৰচেষ্টা চলি আছে। ইয়াৰ ফল স্বৰূপে উত্তৰ পূৰ্বাঞ্চলৰ এন. এচ. চি. এনৰ লগত উপাধ্যক্ষা মহোদয়া, আলোচনা আৰম্ভ হৈছে। তেওঁলোকৰ দুটা গ্ৰুপৰ এটা খাপলাং গোটে আলোচনা কৰিব বিচাৰিছে। কিন্তু ইটো গোট ইচাক-মুইভাই আলোচনাত বহিব বিচৰা নাই আৰু সেই কাৰণে কেন্দ্ৰীয় চৰকাৰে আলোচনা কৰিবৰ কাৰণে আগবাঢ়ি অহা নাই মাজতে ৰাজ্যিক চৰকাৰৰ লগত আলোচনা নকৰি কেন্দ্ৰীয় চৰকাৰৰ লগত আলোচনা কৰিব বুলি প্ৰচাৰ মাধ্যমত প্ৰচাৰ চলাইছিল। আমি জনাই দিছো যে তাত আমাৰ কোনো আপত্তি নাই। কিন্তু পিচত আকৌ প্ৰচাৰ কৰিলে যে এই চৰকাৰ থাকিলে তেওঁলোকৰ আলোচনা নহয়। যদি আলোচনাৰ সফলতা স্থায়ী শান্তিৰ কাৰণে আৰু আমাৰ চৰকাৰ থাকিব নোৱাৰে তাতো আমাৰ আপত্তি নাই। কিন্তু তাৰ পিচত দেখা গৈছে যে আলোচনাৰ কোনো প্ৰস্তাৱ এন. ডি. এফ. বি. বা আলফাৰ পৰা অহা নাই। চৰকাৰে কাৰ লগত আলোচনা কৰিব? আলোচনা কৰিব লাগে বুলি সকলোৱে কয়, কিন্তু মধ্যস্থতা কৰিবলৈ কোনো নাই। সেই কাৰণে কওঁ যে আলোচনা কৰিবলৈ চৰকাৰৰ প্ৰচেষ্টা অব্যাহত আছে। অলপতে জৰ্জ খেল পথাৰত অল পাৰ্টিৰ এখন মিটিং হৈছিল, তালৈ কংগ্ৰেছ পাটি নাহিল। তেওঁলোক উপস্থিত থাকিব বুলিও তাৰ পৰা বিৰত থাকিল। কিয় থাকিল? এই কথা পৰ্য্যালোচনা কৰিলে আপোনালোকে গম পাব। অসমৰ সন্ত্ৰাসবাদৰ সমস্যা সমাধান কৰাৰ কাৰণে আমাৰ চৰকাৰে ওতঃপ্ৰোত ভাৱে ব্যৱস্থা হাতত লৈছে যাৰ কাৰণে আমি মাজে মাজে সমালোচনাৰো সন্মুখীন হৈছোঁ। আমাক গণ শত্ৰু বুলি কয়, কিন্তু শত্ৰু কোন মিত্ৰ কোন ৰাইজে গম পাইছে।

এই চৰকাৰে গুপ্ত ঘাটকতা কৰিছে বুলি কৈছে আৰু তাকে লৈ কংগ্ৰেছে ঘৰিয়ালৰ চকুলো টুকিছে। পৰেশ বৰুৱাৰ ভাতৃক কোনে হত্যা কৰিলে? লাচিতৰ পৰিয়ালক হত্যা কৰাৰ কাৰণে ষড়যন্ত্ৰ চলিছে। এইবিলাক গুপ্ত হত্যা নহয় নে? এই সমস্যা সমাধান কৰিবৰ কাৰণে আজি কংগ্ৰেছই হওক তথাকথিত বুদ্ধিজীৱীয়েই হওক বা সংবাদ মাধমেই হওক আগবাঢ়ি আহক।

আমি এই কথা স্পষ্ট ভাৱে কব বিচৰিছো যে ১৯৯৬ চনত আমি যেতিয়া চৰকাৰ কৰিছিলো তাৰ আগত কংগ্ৰেছৰ শাসন চলিছিল। তেতিয়াও কোকৰাঝাৰ, গোসাঁইগাওঁ, বঙ্গাইগাওঁ আদিত মানুহ ৰিলিফ কেম্পত আছিল। তেতিয়া মুখ্য সচিব, গৃহ সচিব, ডি. জি. পি আদিয়ে ৰাজ্য এৰি গুচি গৈছিল। তেতিয়ালৈকে বৰ্ত্তমান অসমৰ অৱস্থা উন্নত হোৱা নাইনে? মাননীয় সদস্য সকলে আজি এই কথাও জানে যে আজি মানুহে নিৰ্ভয়ে যেনি তেনি ঘূৰি ফুৰিব পাৰিছে।

অসমৰ গণ পৰিষদ চৰকাৰৰ পৰিয়ালৰ মানুহবো জীৱন গৈছে। মোহিনী বসুমতাৰী, নগেন শৰ্মা আদিৰ লগতে বি, জে. পিৰ মানুহৰো জীৱন গৈছে। ইয়াৰ কাৰণে দায়ী কোন? ইয়াৰ কাৰণ আমি সকলোৱে বুজি চাব লাগিব। সেই কাৰণে আমি কব বিচাৰিছো এই সমস্যা সমাধান নহয়। আজিৰ পৰা মিলিটেৰী ফৰ্চ কিয় থাকিব লগা হৈছে। এখন নিৰ্বাচিত চৰকাৰ থাকোতে হত্যা, অপহৰণ বা টকাৰ দাবী কৰাৰ কাৰণে আমি এৰি দিব নোৱাৰো। কোৱালি ফাইদ কামাণ্ডো আহিছে। দিল্লীত থাকোতে তেখেত সকলো সেনা বাহিনী দিব লাগে বুলি কয় আৰু অসমলৈ ঘূৰি আহি নালাগে বুলি কয়। বিশ্বাস কিয় নাই? যদি বিশ্বাস আছে তেওঁ সেনা বাহিনী কিয় লাগে বুলি কয়?

মাননীয়া উপাধ্যক্ষা মহোদয়া, সেই কাৰণেই মই কৈছো আমাৰ ৰাজ্যখনৰ এই যি অৱস্থাটো হৈছে সেইটো সকলোৱে বুজি পাব লাগিব। আজি আমি স্বাধীনতাৰ ৫০ বছৰ পাচত আমাৰ ৰাজ্যখনে ধান উৎপাদনত চাৰপ্লাছ ষ্টেট হিচাবে পৰিগণিত হব পাৰিছো। ধানৰ দামটো নিৰ্দ্ধাৰণ কৰিব লাগে কিন্তু এতিয়া ধানৰ দৰ ঠিক কৰিব পৰা নাই। সেই কাৰণে কেন্দ্ৰীয় চৰকাৰে কৈছে, এফ চি. আইৰ পৰা ধান ক্ৰয় কৰাৰ ব্যৱস্থা কৰিব লাগে অইন ৰাজ্যলৈ । আমাৰ চৰকাৰে ইতিমধ্যে ৰাস্তা পদুলিৰ উন্নয়নৰ ক্ষেত্ৰত পৰ্য্যাপ্ত ব্যৱস্থাৰ জৰিয়তে হাডকোৰ জৰিয়তে আৰু বিভিন্ন এজেন্সীৰ সহায় লৈ ৰাস্তা পদুলিৰ কামত আগবঢ়াৰ লগতে গুৱাহাটীত ৩খন ফ্লাইঅভাৰৰ কাম পূৰ্ণ গতিত চলি আছে আৰু পৰ্য্যায় ক্ৰমে এই বিলাক উন্নয়নৰ কাম আন আন

অঞ্চললৈ আন আন জিলালৈ লৈ যোৱা হব, তাৰোপৰি ভুমি সংস্কাৰৰ যিটো ব্যৱস্থা সেই দিশত বিশেষ জোৰ দিয়া হৈছে। অসমৰ চুক্তি ৰূপায়ণৰ লগত সংগতি ৰাখি আইন-শৃংখলাৰ পৰিস্থিতিৰ ক্ষেত্ৰত ৰাজ্যপালৰ ভাষণত এই কথা উল্লেখ কৰিছে যে যি সকল যুৱক-যুৱতীয়ে হিংসাৰ আশ্ৰয় লৈছিল সেই সকলে এতিয়া মূল সূতিলৈ ঘূৰি আহিছে আৰু সেই সকলক বিভিন্ন উপায়েৰে কৃষি পশুপালন আদি আঁচনিৰ দ্বাৰা কিছু সুবিধা প্ৰদানৰ ব্যৱস্থা কৰা হৈছে। কিন্তু এয়েই যথেষ্ট নহয়। কেন্দ্ৰীয় চৰকাৰে আন্দাৰ-ট্ৰায়েল যুৱক যুৱতি সকলক মোকলাবৰ কাৰণে ব্যৱস্থা হাতত লৈছে। প্ৰায় ৮০ শতাংশ ঘূৰি আহিছে। তাৰোপৰি চৰকাৰে আলোচনাৰ জৰিয়তে সমস্যা সমাধান কৰাৰ কাৰণে প্ৰচেষ্টা অব্যাহত ৰাখিছে। মাননীয় সদস্য সকলে আগবঢ়োৱা পৰামৰ্শৰ কাৰণে মই সকলোকে ধন্যবাদ জনাইছো। এটা কথা লক্ষ্য কৰিব লাগিব আজি বিভিন্ন শক্তিয়ে উত্তৰ পূব অঞ্চলত অশান্তি সৃষ্টি কৰিবৰ কাৰণে ষড়যন্ত্ৰ চলাই আছে। এই যড়যন্ত্ৰ আমি যি কোনো প্ৰকাৰে প্ৰতিহত কৰিবলৈ আগবাঢ়ি আহিব লাগিব আৰু ৰাজ্যখনক সঠিক দিশত আগবঢ়াই নিব পাৰিব লাগিব। কেন্দ্ৰীয় চৰকাৰৰ যিটো ব্যৱস্থা সেইমতে ৰাজ্য চৰকাৰে বহু ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰৰ ওপৰত নিৰ্ভৰশীল হৈ থাকিব লগীয়া হৈছে। আজি অসম তথা উত্তৰ পূৰ্বাঞ্চলত যিবিলাক ভয়াবহ সমস্যাই বেঢ়ি আছে সেইবিলাক সমস্যা সমাধান কৰাৰ কাৰণে যি খিনি সা-সুবিধাৰ প্ৰয়োজন সেই খিনি কেন্দ্ৰীয় চৰকাৰে ৰাজ্যিক চৰকাৰক দিব লাগে। কেন্দ্ৰীয় চৰকাৰৰ যিবিলাক কাৰ্য্যালয় আমাৰ ৰাজ্যখনত বিভিন্ন ঠাইত চলাই থকা হৈছে সেইবিলাকত আমাৰ স্থানীয় যুৱক-যুৱতীসকলক নিয়োগৰ ব্যৱস্থা কৰিলে আমাৰ বহুখিনি সমস্যা দূৰ হব। মই আৰু বিশেষ কব খোজা নাই পুনৰ মাননীয় সদস্য সকলে আগবঢ়োৱা পৰামৰ্শৰ কাৰণে ধন্য বাদ জনাইছো। আৰু ৰাজ্যখনৰ এই সংকতৰ সময়ত সতৰ্কতাৰে সংগঠিত হ'বলৈ আহ্বান জনাই মোৰ বক্তব্য সামৰণি মাৰিলো।

* শ্ৰীডেৰহাগ্ৰা মুছাহাৰী ঃ মাননীয়া উপাধ্যক্ষা মহোদয়া, আপোনাৰ জৰিয়তে মাননীয়

* Speech not corrected

আমি কেন্দ্রীয় চৰকাৰলৈ পৰামৰ্শ আগবঢ়াইছো সমস্যাটো সমাধানৰ কাৰণে মুখ্য মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে বি. এ. চিৰ স্বায়ত্ব শাসন ব্যৱস্থাটো ঘূৰি অহাৰ পাচত প্ৰিন্সিপাল চেক্ৰেটাৰীয়ে বি. এ চিৰ সদস্যৰ কোঠাবোৰ তলা লগাই দিলে, ৪ তাৰিখে মুখ্য মন্ত্ৰীৰ লগত আলোচনা কৰি পুনৰ বি. এ চি বাহাল হ'ব কিন্তু তাৰ পাচতেই এই প্ৰিন্সিপাল চেক্ৰেটাৰীয়ে কেনেকৈ তলা মাৰি দিব পাৰে তেওঁ কাৰ নিৰ্দ্দেশত এই কামটো কৰিলে। ইয়াৰ দ্বাৰা বড়োলেণ্ডৰ ৰাইজক অপমান কৰা হোৱা নাইনে? অসম চৰকাৰক অপমান কৰা হোৱা নাইনে?

* শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্যমন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, এই বিষয়টো সংশ্লিষ্ট মন্ত্ৰী মহোদয়ে উত্তৰ দিলে ভাল হ'ব।

**Madam Deputy Speaker :** Hon'ble Member, Shri Atul Bora, do you like to speak on the Motion of Thanks on the Governor's Address moved by you as a right of reply?

* শ্ৰীঅতুল বৰা ঃ মাননীয়া উপাধ্যক্ষা মহোদয়া, ধন্যবাদ সূচক প্ৰস্তাৱৰ ওপৰত মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে যিখিনি উত্তৰ আমাৰ সদনত দাঙি ধৰিলে তাত সন্তুষ্ট হৈছো আৰু আশাকৰো আমাৰ মাননীয় সদস্য সকলেও সন্তুষ্ট হৈছে বুলি এই বিশ্বাস কৰো, গতিকে মোৰ আৰু কব লগীয়া নাই।

**Madam Deputy Speaker :** I, now, put the Motion of Thanks on the Governors Address moved by the Hon'ble Member Shri Atul Bora before the House for approval.

The Motion is that, the Members of the Assam Legislstive Assembly assembled in this Session are grateful to the Governor for the Address he has been pleased to deliver to the House today the 7th February 2001.

Those who are in favour say, ' Ayes'

Those who are against, say ' Noes'

.......... ( Voices 'Yes''Yes') ...........

* Speech not corrected

'Ayes' have it, 'Ayes' have it" 'Ayes' have it.

The Motion is approved and adopted.

The House stands adjourned till 4.00 P.M. Of 12th February 2001.

## ADJOURNMENT

The House then stood adjourned at 8.40 P.M till 4 P.M on Monday, the 12th February 2001.

D. Talukdar
Secretary,
Assam Legislative Assembly

Dispur
The 9th February , 2001